Assam Legislative Assembly Debates

सत्यमेव जयते

OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE THIRTEENTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF
INDIA

Budget Session

No.- 9

The 14th March, 2013

Price Rs. 129.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 14th March, 2013.

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 141, Hon'ble Member, Shri Abdur Rahim Khan.

বিষয় ঃ FCI ৰ গুদাম আৰু RO ৰ ব্যৱস্থা।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

* ১৪১। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ অন্তর্গত সমবায় সমিতি সমূহৰ PDS সামগ্রী সমূহ বঙাইগাওঁ জিলাৰ RO issue কৰাৰ পৰিবর্ত্তে জনস্বার্থৰ খাতিৰত বৰপেটা ৰোডত চৰকাৰে ব্যৱস্থা কৰিব পাৰিবনে?

(খ) যদি পাৰে, কেতিয়া কেতিয়া ?

(গ) বঙাইগাঁৱৰ পৰিবর্ত্তে জনস্বার্থৰ খাতিৰত বৰপেটা জিলাৰ সমবায় সমিতি সমূহৰ PDS সামগ্রী সমূহৰ বৰপেটা ৰোডত FCI ৰ স্থায়ী গুদামৰ ব্যৱস্থা কৰিব নোৱাৰেনে?

(ঘ) যোৱা ১৩/১২/১২ ইং তাৰিখৰ ৭৫ নং প্ৰশ্নৰ 'চ' নংৰ যোৱা বিধান সভাত সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ৰ সৈতে আলোচনা কৰি FCI গুদামটো বঙাইগাঁৱৰ পৰিবৰ্ত্তে বৰপেটা ৰোডত কৰা হব বুলি আশ্বাস দিছিল; সেইমতে ব্যৱস্থা লোৱা হ'লনে?

(ঙ) যদি ব্যৱস্থা লোৱা হোৱা নাই, বৰ্ত্তমানে ব্যৱস্থা লবনে?

(চ) বৰ্ত্তমানৰ চলিত সমবায় সমিতি বিভাজিত কৰি গাঁও পঞ্চায়ত ভিত্তিত সমবায় সমিতি পৃথকীকৰণৰ ব্যৱস্থা হৈ আছে নেকি?

(ছ) যদি হৈ আছে, চলিত সমবায় সমূহৰ সম্পাদক আৰু Staff ব্যৱসায় কৰ্ত্তন হৈ নিবনুৱা হৈ নপৰিবনে?

(জ) যদি হব, তেন্তে সেই বিষয়ে চৰকাৰে কি ব্যৱস্থা লব?

(ঝ) নতুনকৈ হৈ থকা বিভাজিত সমবায় সমিতি সমূহৰ সম্পাদক আৰু নতুন Staff নিয়োগ কৰণৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

(ঞ) যদি কৰে, কি পদ্ধতিত কৰিব? (সদনত বিতং জনাব)

শ্ৰী ছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্ৰাপ্ত তথ্যমতে জনা যায় যে PDS ৰ সামগ্ৰী উঠোৱাৰ বাবে প্ৰয়োজনীয় Release Order পূৰ্বে বৰপেটা জিলাৰ বাবে ভাৰতীয় খাদ্য নিগমে বৰপেটাৰোডৰ ডিপো অফিচৰ পৰা প্ৰদান কৰিছিল।

কিন্তু FCI ৰ আঞ্চলিক অফিচৰ ২০/০৩/২০১২ তাৰিখৰ নিৰ্দেশ অনুযায়ী হিচাপ পৰিপাটী কৰাৰ স্বাৰ্থত বৰপেটাৰোডৰ পৰিবৰ্ত্তে বঙাইগাঁৱৰ Divisional Manager Office ৰ পৰা Release Order দিয়াৰ ব্যৱস্থা কৰিছে। FCI ৰ এই সিদ্ধান্তৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ নং WP© 1673/2012 দাখিল কৰা হৈছে আৰু

উক্ত গোচৰ ন্যায়ালয়ত বিবেচনাধীন হৈ আছে।

(খ) গুৱাহাটী উচ্চ ন্যায়ালয়ৰ হুকুম অনুযায়ী ব্যৱস্থা লোৱা হব।

(গ) খাদ্য আৰু অসামৰিক যোগান বিভাগে FCI ৰ লগত যোগাযোগ কৰি আছে।

(ঘ) ব্যৱস্থা লৈ থকা হৈছে।

(চ) অসম চৰকাৰৰ সিদ্ধান্ত অনুযায়ী বৰ্ত্তমানৰ প্ৰতিখন গাঁও পঞ্চায়তৰ ভিত্তিত একোখনকৈ গাঁও পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি গঠিত হৈ আছে।

(ছ) ব্যৱসায় কৰ্ত্তন হৈ নিবনুৱা হৈ নপৰে।

(জ) প্ৰশ্ন নুঠে।

(ঝ) সমবায় সমিতি সমূহ একোখনকৈ স্ব-শাসিত পঞ্জীয়নভুক্ত প্ৰতিস্থান। সমবায় আইন মতে ইয়াৰ কৰ্মচাৰী নিয়োগ, দৰমহা আদি সমবায় সমিতি খনৰ কাৰ্য্যকৰী সমিতি / পৰিচালক মণ্ডলীৰ ক্ষমতাৰ অধীন। এই ক্ষেত্ৰত চৰকাৰে কোনো হস্তক্ষেপ নকৰে।

(ঞ) প্ৰশ্ন নুঠে।

* **শ্ৰীআব্দুৰ ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'ক' প্ৰশ্নৰ ৰৰপেটা জিলাৰ অন্তৰ্গত সমবায় সমিতি সমূহৰ পি ডি এচ সামগ্ৰী সমূহ বঙাইগাওঁ জিলাৰ আৰ অ ইচু কৰাৰ পৰিবৰ্তে জন-স্বাৰ্থৰ খাতিৰত ৰৰপেটা ৰোডত চৰকাৰে ব্যৱস্থা কৰিব পাৰেনে বুলি সোধা প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে ন্যায়ালয়ত বিবেচনাধীন হৈ আছে বুলি কৈছে। গতিকে গোচৰটো সোনকালে নিষ্পত্তি হ'লে এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা কৰিব পাৰিব। জন-স্বাৰ্থৰ খাতিৰত সোনকালে এফিডেফিড দি এইটো কৰিব পাৰিলে ভাল হয়। এই ক্ষেত্ৰত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগত

* Speech not corrected

আলোচনা বিলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰীৰ লগত সোনকালে আলোচনা বিলোচনা আৰু যোগাযোগ কৰি এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব নেকি?

* **শ্ৰীছিদ্দেক আহমেদ (মন্ত্ৰী)** ঃ চাৰ, আচলতে ইয়াত যিটো প্ৰশ্ন উৎত্থাপন কৰিছে সেইটোৰ ফিফ্‌টি পাৰ্চেণ্টেই খাদ্য আৰু অসামৰিক যোগান বিভাগত পৰে। খাদ্য আৰু অসামৰিক যোগান বিভাগে উত্তৰটো দিব লাগে যদিও মই সেই বিভাগৰ লগত যোগাযোগ কৰি উত্তৰটো আনিছো। বৰপেটা ৰোডৰ যিটো কথা কোৱা হৈছে এই ক্ষেত্ৰত হাইকোৰ্টত গোচৰ চলি আছে। আমাৰ ফালৰ পৰা এফিডেভিট দি সোনকালে এইটো সমাধান কৰাৰ ব্যৱস্থা কৰিম। বৰপেটাৰোডত এফ চি আইৰ স্থায়ী গুদামৰ ব্যৱস্থা কৰাৰ যিটো কথা কোৱা হৈছে সেই ক্ষেত্ৰত এফ চি আইৰ লগত যোগাযোগ কৰি ব্যৱস্থা ল'ম।

* **শ্ৰীআব্দুৰ ৰহিম খান** ঃ চাৰ, বৰ্ত্তমানৰ চলিত সমবায় সমিতি বিভাজিত কৰি গাওঁ পঞ্চায়ত ভিত্তিত সমবায় সমিতি পৃথকীকৰণৰ ব্যৱস্থা হৈ আছে নেকি বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে অসম চৰকাৰৰ সিদ্ধান্ত অনুযায়ী বৰ্ত্তমানৰ প্ৰতিখন গাওঁ পঞ্চায়তৰ ভিত্তিত একোখনকৈ গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি গঠিত হৈ আছে বুলি কৈছে। এই ক্ষেত্ৰত আমাৰ আপত্তি কৰিবলগীয়া একো নাই। কিন্তু এইটো কৰোতে স্থানীয় বিধায়ক সকলক এই বিষয়ে অৱগত কৰিলে কিবা অসুবিধা হ'ব নেকি? এইটো কৰোতে বিধায়ক সকলৰ লগতে নিজৰ সমষ্টিৰ জন-সাধাৰণৰ লগত আলোচনা কৰিলে নিশ্চয় বেচি ভাল হ'ব বুলি মই ভাবো। এই সমবায় সমিতি সমূহে পি ডি এচ ৰ বস্তু উঠাব লাগিব। সেই ক্ষেত্ৰত নতুনকৈ চাৰ্ভে কৰাৰ ব্যৱস্থা কৰিব লাগে। তাত যিখিনি ষ্টাফ লাগিব সেই ষ্টাফখিনি চৰকাৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নেকি? পি ডি এচৰ সামগ্ৰী সমূহৰ ক্ষেত্ৰত যাতে অসুবিধাৰ সৃষ্টি নহয় সেইটো চাব লাগে।

---

* Speech not corrected

* শ্রীছিদ্দেক আহমেদ (মন্ত্রী) ঃ চাৰ, প্রতিখন গাওঁ পঞ্চায়তৰ ভিত্তিত একোখনকৈ গাওঁ পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতি গঠিত হৈ আছে। সেই সমবায় সমিতি সমূহ গঠন কৰাৰ ক্ষেত্রত বিধায়ক সকলক ইনভোল্ভ কৰাৰ কথা কোৱা হৈছে। এই ক্ষেত্রত কোনো বাধা নাই। বিধায়ক সকল এই ক্ষেত্রত জড়িত হৈ থাকিলে ভাল হ'ব। এই ক্ষেত্রত বিধায়ক সকলে যি পৰামর্শ দিয়ে সেইটো আমি চাম। ষ্টাফৰ যিটো কথা কোৱা হৈছে সেই ক্ষেত্রত মই ক'ব বিচাৰিছো যে ১৯৭২ চনৰ সমবায় এক্ট মতে চৰকাৰৰ ফালৰ পৰা ষ্টাফ দিয়াৰ কোনো ব্যৱস্থা নাই। সমবায় সমিতি সমূহে অকল যে পি ডি এচৰ ব্যৱসায় কৰিব তেনেকুৱা কথা নহয়। সমবায় সমিতি সমূহে বেলেগ ব্যৱসায়ো কৰিব পাৰে।

Mr. Speaker : Now, Starred Question No. 142, Hon'ble Member, Shri Jahan Uddin..

বিষয় ঃ ভাৰত বাংলাদেশ আন্তঃ ৰাষ্ট্রীয় সীমা।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

* ১৪২। মাননীয় সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধুবুৰী জিলাৰ ধুবুৰী সমষ্টিৰ অন্তর্গত ১। ভোগদহৰ ২। পাটামাৰী ৩। গাছপাৰা ৪। বিন্যাছৰা গাওঁ পঞ্চায়ত সমূহৰ গাতে লাগি থকা ভাৰত বাংলাদেশ আন্তঃৰাষ্ট্রীয় সীমাৰ অঞ্চল সমূহত ব্রহ্মপুত্র আৰু গংগাধৰ নদীৰ প্রৱল খহনীয়াই প্রতি বছৰে অসমৰ শ শ বিঘা জমিন নিঃশেষ কৰি বাংলাদেশৰ ফালে চৰ পেলাই ভাৰতবর্ষক প্রত্যক্ষভাৱে ক্ষতিগ্রস্থ কৰি পৰোক্ষভাৱে বাংলাদেশক লাভান্বিত কৰি থকা সম্পর্কে চৰকাৰ অৱগত বুলি যোৱা ১৮/৭/২০১২ তাৰিখে অনুষ্ঠিত বিধান সভাৰ তৰা বিহীন প্রশ্ন নং ১৩৭ যোগেদি স্বীকাৰ কৰিছে। জিলা উপায়ুক্তৰ পৰা বিস্তৃত

* Speech not corrected

প্রতিবেদন বিচাৰি বিহীত ব্যৱস্থা গ্রহণ কৰিব বুলি কোৱা কথাষাৰ সত্যনে?

(খ) যদি সত্য তেন্তে, ইতিমধ্যে জিলা উপায়ুক্তৰ পৰা বিস্তৃত প্রতিবেদন বিচৰা হৈছেনে?

(গ) যদি হৈছে, তেন্তে কোন তাৰিখে বিচৰা হৈছে? (চিঠিৰ এখন প্রতিলিপি সদনত দিব)

(ঘ) উক্ত চিঠি মর্মে জিলা উপায়ুক্তই বিস্তৃত প্রতিবেদন চৰকাৰলৈ প্রেৰণ কৰিছেনে?

(যদি কৰিছে, তেন্তে প্রতিবেদনৰ কপি সদনত দিব)

(ঙ) জিলা উপায়ুক্তই যদি প্রতিবেদন দিছে তেন্তে, সেই প্রতিবেদন মর্মে চৰকাৰে কি কি বিহীত ব্যৱস্থা গ্রহণ কৰিছে?

(সবিশেষ জনাব)

(চ) ৰাষ্ট্রীয় নিৰাপত্তাৰ স্বার্থত উল্লেখিত অঞ্চল সমূহৰ গৰাখহনীয়াৰ প্রতিৰোধ, উন্নত যোগাযোগ ব্যৱস্থা স্থায়ী BOP নির্ম্মাণ আদিৰ বাবে চৰকাৰে কিবা বিশেষ পৰিকল্পনা বা কার্য্যপন্থা গ্রহণ কৰিছে নেকি?

(যদি কৰিছে তেন্তে সবিশেষ জনাব।)

(ছ) যদি কৰা নাই, তেন্তে কেতিয়া, কেনেদৰে গ্রহণ কৰিব? (সবিশেষ জনাব)

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য

(খ) বিচৰা হৈছে।

(গ) ২৪/৭/২০১২ তাৰিখৰ চিঠি নং বি. ডি. ১১৭/২০১২/২৪ মতে প্রতিবেদন বিচৰা হৈছে।

(চিঠিৰ প্ৰতিলিপি পৰিশিষ্ট 'ক' সদনত দিয়া হ'ল) (See Anexure-I)

(ঘ) এই বিভাগে প্ৰতিবেদন পোৱা নাই। কিন্তু ৰাজহ বিভাগলৈ পঠোৱা চিঠি নং DRS. 58/2011/pt-I/24 Dated 4/3/2013 ৰ লগত উক্ত বিষয়ৰ প্ৰতিবেদনৰ প্ৰতিলিপি সীমান্ত অঞ্চল বিভাগে যোৱা ৬/৩/২০১৩ ইং তাৰিখে পাইছে। (প্ৰতিবেদনৰ প্ৰতিলিপি পৰিশিষ্ট 'খ' সদনত দিয়া হ'ল) (See Anexure-II)

(ঙ) এই প্ৰতিবেদন পোৱাৰ আগতে, ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা ইং ২৮/৭/২০১১ তাৰিখৰ চিঠি নং DMB 4/2009/138 যোগে ৩ (তিনি) খন আঁচনিৰ প্ৰস্তাৱ পোৱা হয়। উক্ত ৩ (তিনি) খন আঁচনি বিভাগীয় মন্ত্ৰীৰ অনুমোদন মৰ্মে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়লৈ অতিৰিক্ত আঁচনি হিচাপে অনুমোদন জনাবলৈ যোৱা ১৮/১২/২০১২ তাৰিখে প্ৰেৰণ কৰা হৈছে। (প্ৰতিলিপি পৰিশিষ্ট 'গ'ত দেখুওৱা হ'ল) (See Anexure-III)

(চ) উত্তৰ (ঙ) ত উল্লেখ কৰা হৈছে।

(ছ) প্ৰশ্ন নুঠে।

শ্ৰীজাহান উদ্দিন ঃ মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ, মোৰ ধুবুৰী সমষ্টিৰ অন্তৰ্গত ভোগদহৰ, পাটামাৰী, গাছপাৰা আৰু বিণ্যাছৰা গাঁও পঞ্চায়ত সমূহৰ গাতে লাগি থকা ভাৰত বাংলাদেশ আন্তৰাষ্ট্ৰীয় সীমাৰ বিভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰ আৰু গংগাধৰ নদীৰ প্ৰবল গৰাখহনীয়াই প্ৰতিবছৰে অসমৰ শ শ বিঘা মাটি নিঃশেষ কৰি বাংলাদেশৰ ফালে চৰ পেলাই ভাৰতবৰ্ষ তথা অসমক প্ৰত্যক্ষভাৱে ক্ষতিগ্ৰস্থ কৰি পৰোক্ষভাৱে বাংলাদেশক লাভান্বিত কৰি থকা সম্পৰ্কে সুধা প্ৰশ্নৰ উত্তৰত চৰকাৰ অৱগত বুলি স্বীকাৰ কৰিছে আৰু এই ক্ষেত্ৰত জিলা উপায়ুক্তৰ প্ৰতিবেদনতো বিষয়টো সত্য বুলি কোৱা হৈছে। মোৰ প্ৰশ্ন হ'ল ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কথা চিন্তা কৰি মন্ত্ৰী মহোদয়ে অনতিপলমে উক্ত ইৰোশ্বন ৰোধ কৰাৰ বাবে পুঁজি সাপেক্ষে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* **শ্রীছিদ্দেক আহমেদ** (ৰাজ্যিক স্বতন্ত্র মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যিটো প্রশ্ন উত্থাপন কৰা হৈছে সেইটো প্রশ্ন সম্পর্কে ইয়াৰ আগতেও আলোচনা বিলোচনা কৰা হৈছিল। এই ক্ষেত্রত জিলা উপায়ুক্তই প্রতিবেদন পঠিয়াইছে আৰু আমাৰ ৰাজহ বিভাগে ১ কোটি ৮৭ লাখ টকাৰ এখন আঁচনি প্রস্তুত কৰিছে। আমাৰ সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ ফালৰ পৰা ৩ টা আঁচনি লৈছো। গতিকে এইখিনি আহিলে ব্যৱস্থা লোৱা হ'ব।

* **শ্রীজাহান উদ্দিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, আঁচনি প্রতি বছৰে বনোৱা হয়। মই বিধায়ক হোৱাৰ পিছত দেখা গৈছে যে এই বিষয়ে মন্ত্রী মহোদয়ে বহুত সময়ত যদিও কয়, আজিলৈকে কার্য্যকৰী হোৱা নাই। ৰাস্তাঘাটৰ পৰা আৰম্ভ কৰি বি, এচ, এফ কেম্প আছে, তাত যি চৰ আছে এইটো ৰাষ্ট্রীয় সমস্যা হৈছে। এই ক্ষেত্রত প্রতিবেদন বিচৰা হৈছে। এনেকুৱা কৰি থাকিলে যুগ যুগ ধৰি কাম নহ'ব। এইটো কিমান সোনকালে হ'ব তাক মই জানিব বিচাৰিছো।

* **শ্রীছিদ্দেক আহমেদ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বোর্ডাৰ ডেভলাপমেণ্টৰ যিমান ফাণ্ড আছে গোটেইখিনি দিলেও কাম সমাধান নহ'ব। সেই কাৰণে ৰেভিনিউ ডিপার্টমেণ্টৰ পৰা ডি পি আৰ বিচৰা হৈছে, গভর্নমেণ্ট অৰ ইণ্ডিয়াৰ পৰা বিচৰা হৈছে। সেইটো আহিলে কাম হ'ব।

* **শ্রীপদ্ম হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে যি উত্তৰ দিছে আমি তাত সন্তুষ্ট নহয়। উত্তৰত বিধায়ক ডাঙৰীয়াক কৈছে যে ৰেভিনিউ বিভাগৰ পৰা ডি,পি,আৰ প্রস্তুত কৰিবলৈ দিয়া হৈছে। কিন্তু কেতিয়া হব, ইয়াত ৰাষ্ট্রীয় নিৰাপত্তাৰ কথা জৰিত হৈ আছে। এই ক্ষেত্রত মই আপোনাৰ হস্তক্ষেপ বিচাৰিছো। জি,পি,এচৰ ক্ষেত্রত আগতে উত্তৰ দিছে, বিধায়কৰ জৰিয়তে কৰা নাই। ৰাস্তা নির্মাণৰ কথা জৰিত হৈ আছে। এনেকুৱা স্কীমলৈছে, সেইবিলাক চেণ্ট্রললৈ পঠিয়াইছে। এনেকুৱাকৈ নহয়, বাৰিষা আহিলে, কেতিয়া প্রটেক্চন দিব। মন্ত্রী মহোদয়ে এনেধৰনে উত্তৰ

---

* Speech not corrected

দিলে নহব। এবছৰ ধৰি বিভাগে ব্যৱস্থা লৈছে, কিবা কৰিব পাৰিছেনে। এনেকুৱা কথাবিলাকে বিধান সভাত গা-কৰি উঠিব। এনেকুৱাকৈ মন্ত্রীয়ে উত্তৰ দি থাকিব। সেই কাৰণে এই ক্ষেত্রত মই অধ্যক্ষ মহোদয়ৰ হস্তক্ষেপ বিচাৰিছো।

* **শ্রীছিদ্দেক আহমেদ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগৰ যি ফাণ্ড আছে, সেইটোৰে চাৰি বছৰতো নহ'ব। সেই কাৰণে ৰেভিনিউ বিভাগৰ ফালৰ পৰা ডি, পি, আৰ প্রস্তুত কৰি চেণ্ট্রেললৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। সন্মানিত বিধায়ক গৰাকীয়ে যদি লাগি থাকে আমাৰ ফালৰ পৰা মঞ্জুৰী কৰিম।

* **ডাঃ ভুমিধৰ বর্মন ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আগতে বিধান সভাৰ বাজেট অধিবেশনত কৈছিলো, আমাৰ মাটিবিলাক গৈ আছে। গৰাখহনীয়া আমাৰ ফালে আহি আছে। ৰাষ্ট্রীয় সীমা নদীৰ মাজৰ পৰা ধৰে। যিহেতু নদী আমাৰ ফালে আহি আছে আমাৰ মাটি গৈ আছে। মই এই কথাটো বিধান সভাত আগতে কৈছিলো। তেতিয়া অসম চুক্তি ৰূপায়নৰ ডঃ হিমন্ত বিশ্ব শর্মা ডাঙৰীয়া আছিল। তেখেতে কৈছিল যদি কেন্দ্রীয় চৰকাৰে নকৰে তেতিয়া হ'লে আমাৰ ফালৰ পৰা আমি কৰিম। আমি সন্তুষ্ট হৈছিলো। কিন্তু এইটো এতিয়ালৈ হোৱা নাই। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ দায়িত্ব আছে, তেখেত সকলে কৰিব লাগে। তেখেত সকলে নকৰে যদি আমাৰ ফালৰ পৰা কৰিব লাগে। এইটো যিহেতু আগতে কোৱা আছে আমাৰ ফালৰ পৰা কৰিব লাগে। যদি এইক্ষেত্রত চৰকাৰে একো নকৰে, তেতিয়া হ'লে সীমা উন্মুক্ত হৈ থাকিব। সীমা আমাৰ ফালে ঠেলি আহি থাকিব। অসম চুক্তি ৰূপায়ন মন্ত্রী হিচাপে এইটো সোনকালে কৰিব লাগে।

মাননীয় অধ্যক্ষঃ মাননীয় সদস্য সকলে কোৱা কথাবিলাক আপুনি মন্ত্রী হিচাবে শুনিলে। গতিকে আপুনি এই কথাবিলাক মূখ্যমন্ত্রী ডাঙৰীয়াক অৱগত কৰিব।

---

* Speech not corrected

(Starred Question No. 143 was Deferred)

Mr. Speaker : Starred Question No. 144, Hon'ble Member, Shri Aminul Islam.

বিষয় ঃ বিভাগীয় কাম-কাজ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

* ১৪৪। মাননীয় উদ্যোগ ও বানিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) উদ্যোগ ও বানিজ্য বিভাগে চৰকাৰৰ কোন কোন কাম বিলাক সম্পাদন কৰে ?

(খ) বিগত দুটা বিত্তীয় বছৰত বিভাগৰ সফলতা আৰু ৰূপায়ণ কৰা কাম কাজ খৰচৰ বিৱৰণসহ সদনত দাখিল কৰিবনে ?

শ্রীপ্রদ্যুত বৰদলৈ (উদ্যোগ ও বানিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) উদ্যোগ আৰু বানিজ্য বিভাগে সম্পাদন কৰা কাম সমূহ হ'ল ঃ

১) ৰাজ্য চৰকাৰৰ সময় সাপেক্ষে উদ্যোগ নীতি প্রস্তুত কৰা।

২) কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ উদ্যোগ নীতি ৰূপায়িত কৰা।

৩) উদ্যোগ আৰু বানিজ্যৰ অনুকূল পৰিবেশ সৃষ্টি কৰা আৰু অর্থনৈতিক প্রক্রিয়াক তৰান্বিত কৰা।

৪) বিভিন্ন উদ্যোগ নীতি আৰু আঁচনিৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা আৰু উদ্যোগীকৰণৰ বাবে বাতাবৰণ সৃষ্টি কৰা।

৫) প্রয়োজনীয় আন্তর্গাঠনি নির্মাণ কৰি উদ্যোগ স্থাপনৰ সুবিধা প্রদান কৰা।

৬) বিভিন্ন ঋণৰ আঁচনিৰ যোগেদি উদ্যোগ স্থাপন কৰি নিবনুৱাক আত্ম-নির্ভৰশীল হ'বলৈ সুযোগ প্রদান কৰা।

৭) উদ্যোগ সমূহৰ উৎপাদিত সামগ্রী বিক্রীৰ সুবিধা প্রদান কৰা তথা গুণগত মান নিয়ন্ত্রণৰ ব্যৱস্থা কৰা ইত্যাদি ইত্যাদি।

(খ) যোৱা দুবছৰত উদ্যোগ ও বানিজ্য বিভাগে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ চমু বিৱৰণ পৰিশিষ্ট 'ক' আৰু 'খ' ত দিয়া হ'ল। (See Anexure-IV)

* **শ্রীআমিনুল ইছলাম** ঃ মানীয় অধ্যক্ষ মহোদয়, উদ্যোগ ও বানিজ্য বিভাগে যি কাম কৰিছে, তাত কিছুমান সমস্যা আছে। আত্মনির্ভৰশীল গোট বিলাকক কাম কৰিবলৈ লোন দিয়া হয়, চাবছিডি দিয়া হয়। কিন্তু এই ক্ষেত্রত দেখা যায় যে তেওঁলোকে যি উদ্যোগৰ কাৰণে লোন লয়, সেই পইচা বেলেগ কামত খৰচ কৰে। এই ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা ল'ব মই জানিব বিচাৰিছো।

* **শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে যি কথা কৈছে এই কথাটো ইয়াত আছে। যোৱা বছৰ উদ্যোগ ও বানিজ্য বিভাগৰ পৰা ১৪ হাজাৰ যুৱক-যুৱতীক মার্জিন মানি দিয়া হৈছে। প্রত্যেক যুৱক-যুৱতীয়ে উদ্যোগত টকাটো খৰছ কৰিব লাগে। এই ক্ষেত্রত চৰকাৰে ব্যৱস্থা লৈছে।

* **শ্রীআব্দুৰ ৰহিম খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভকেশ্বনেল ট্রেইনিঙৰ ক্ষেত্রত ব্যৱস্থা লোৱা হৈছে বুলি কৈছে। এই ক্ষেত্রত তেওঁলোকক এন্‌চিঅ'ৰ কৰিব লাগে। ভকেশ্বনেল ট্রেইনিং ব্লক ওৱাইজ কৰিব নেকি? তেতিয়া হ'লে ল'ৰা-ছোৱালী বিলাক উপকৃত হ'ব। মই এইটো মন্ত্রী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

* **শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ আৰু বাণিজ্য বিভাগৰ ফালৰ পৰা এইটো কৰা হৈছে। গোটেই অসমতে ২১৬টা ডেভলাপমেণ্ট ব্লক আছে। বাকী বিলাকতো এইটো আৰম্ভ কৰা হৈছে। সকলোতে সম্পূর্ণ কৰা হোৱা নাই। সাতটাৰ নির্মাণ কার্য্য চলি আছে।

---

* Speech not corrected

পুৰণি কাম আৰম্ভ কৰা হৈছে। উদ্যোগ বিভাগে চার্ভে কৰিছে, বেলেগ বেলেগ ট্রেড আছে। এই বছৰ ৫০ টা নির্মাণ কৰি উলিওৱা হৈছে।

* **শ্রীআব্দুৰ ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে উত্তৰত কৈছে যে বিভিন্ন ঋণৰ আঁচনিৰ যোগেদি উদ্যোগ স্থাপন কৰি নিবনুৱাক আত্মনির্ভৰশীল হ'বলৈ সুযোগ প্রদান হয়। কিন্তু যিটো দেখা গৈছে, যে চিলেক্চন কৰাৰ পিছত তেওঁলোকে ঋণটো ঠিকমতে বেংকৰ পৰা নাপায়। গতিকে ঋণৰ আঁচনিটো ঠিকমতে সফল নহয়। গতিকে মন্ত্রী মহোদয়ে এই ক্ষেত্রত বিশেষ দৃষ্টি দিব লাগে।

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতী সকলক সংস্থাপন দিয়াৰ বাবে পি.এম.ই.জি.পি., কে.ভি.আই.চি আদি আঁচনিৰ জৰিয়তে ঋণ দিয়াৰ ব্যৱস্থা আছে। জিলা উপায়ুক্তক চেয়াৰমেন হিচাপে লৈ প্রত্যেক জিলাতে একোখন কমিটি গঠন কৰি দিয়া হৈছে। কমিটিয়ে চিলেক্চন কৰাৰ পিচত বেংকৰ পৰা ঋণ দিয়াৰ ব্যৱস্থা কৰা হয়। বেংকে চৰজমিন তদন্ত কৰি ঋণ প্রদান কৰাৰ ব্যৱস্থা কৰে। সেই ঋণ ইনষ্টলমেণ্ট হিচাপে দিয়া হয়। যদি এই ক্ষেত্রত কোনোবা এজনে ঠিক মতে কাম নকৰে তেতিয়াহ'লে পিছৰ ইনষ্টলমেণ্ট দিয়া নহয়।

* **শ্রীজয়ন্ত মল্ল বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহু ক্ষেত্রত দেখা যায় বেংকৰ পৰা ঋণ লোৱাৰ ক্ষেত্রত তেওঁলোকে যথেষ্ট বাধাৰ সন্মুখীন হ'ব লগা হয়। আৰু বহুতে লোন নাপায়। তাৰোপৰি ট্রেক্টৰ নামত ৩০ লাখ টকা এই ক্ষেত্রত চেংচন কৰা হৈছিল। কিন্তু মাত্র প্রায় ৮ লাখ মান টকাহে খৰচ কৰা হৈছে। বাকীখিনি কিয় খৰচ কৰা হোৱা নাই? এই বিষয়ে জনালে ভাল হয়।

* **শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক সকলক জনাব বিচাৰিছো, চিলেক্চন কমিটিয়ে নির্বাচন কৰি দিয়াৰ পিচত উদ্যোগ বিভাগৰ

* Speech not corrected

চেলে, লিড বেংক বিলাকৰ লগত এনেবোৰ ক্ষেত্ৰত সহযোগ কৰে। তথাপি মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে বেংকৰ ক্ষেত্ৰত কিছু আসোঁৱাহ থাকে। এনে ধৰণৰ অসুবিধা নোহোৱা নহয়। এই ক্ষেত্ৰত কো-লেটাৰেল ছিকিউৰিটিৰ ব্যৱস্থা আছে। এক কোটি টকালৈকে কো-লেটাৰেল ছিকিউৰিটিৰ প্ৰয়োজন নহয়। মাননীয় সদস্য গৰাকীয়ে ৪ নং ত যিটো ট্ৰেন্সফৰ্মাৰৰ কথা কৈছে, সেইটো ট্ৰেন্সফৰ্মাৰ নহয়। বিশেষ আহিলাপাতি যোগান ধৰাৰ কাৰণেহে লোন দিয়া হয়। এই সম্পৰ্কত কিছুমান গাইড লাইন আছে। গাইড লাইনত যদি কিবা আসোৱাহ আছে, সেইটো চাই-চিতি ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীমজিবুৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে হিতাধিকাৰী সকলক নিৰ্বাচিত কৰা হয়। এই সমিতিত তিনি জনকৈ সদস্যক অন্তৰ্ভুক্ত কৰা হৈছে। এই ক্ষেত্ৰত বিধায়ক সকলক জৰিত কৰিব পাৰি নেকি?

* **শ্ৰীপ্ৰদ্যুত বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো টেকনিকেল পইণ্টৰ কথা। ইয়াত ৰাজনৈতিক ভাৱে চোৱাৰ কথা নাই। আচল কথাটো হ'ল উদ্যোগটো আছে নে নাই, যিটো নেকি আঁচনিত দেখুওৱা হৈছে। এই আঁচনিটো ফলপ্ৰসু হ'ব নে নহ'ব বা ফিজিবিলিটি আছে নে নাই, সেই গোটেই বিলাক কথা পৰীক্ষা-নিৰীক্ষা কৰিহে বিবেচনা কৰা হয়। উপায়ুক্তক চিয়াৰমেন হিচাপে লৈ কমিটি গঠন কৰি দিয়া হৈছে। গতিকে বিধায়ক এতিয়াও দিয়া হোৱা নাই। ভৱিষ্যতে এই দিশটো চোৱা হ'ব।

Mr. Speaker : Starred Question No. 145, Hon'ble Member, Shri Jayanta Malla Baruah.

বিষয় ঃ ট্ৰেন্সফৰ্মাৰ আবণ্টনৰ ব্যৱস্থা।

শ্ৰীজয়ন্ত মল্ল বৰুৱাই সুধিছে ঃ

*১৪৫। মাননীয় শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

* Speech not corrected

(ক) ২০১২-১৩ বিত্তীয় বর্ষত পূর্বৰ বর্ষৰ দৰে প্রতিটো বিধান সভা সমষ্টি ভিত্তিক বিধায়ক সকলৰ অনুমোদন সাপেক্ষে ট্রেন্সফর্মাৰ প্রদানৰ ব্যৱস্থাটো প্রচলিত আছিলনে?

(খ) যদি আছিল, তেনেহ'লে প্রতিটো বিধান সভা সমষ্টিত কিমানটাকৈ ট্রেন্সফর্মাৰ দিয়া হৈছিল?

(গ) যদি এই ব্যৱস্থা বন্ধ কৰা হৈছে, গ্রামাঞ্চলৰ অত্যন্ত প্রয়োজনীয় এই ব্যৱস্থাটো বন্ধ কৰাৰ কাৰণ কি?

(ঘ) ইয়াৰ বিকল্প কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্রী বিশেষ আঁচনি অনুযায়ী দুবছৰৰ বাবে মাননীয় বিধায়ক সকলক ট্রেন্সফর্মাৰ যোগান ধৰা হৈছিল। পিচে ২০১২-২০১৩ বিত্তীয় বর্ষত এই বিশেষ আঁচনিৰ ধন ধার্য্য নোহোৱাৰ বাবে বিধায়কৰ বাবে Transformer দিব পৰা নগ'ল।

(খ) প্রযোজ্য নহয়।

(গ) প্রচলিত ব্যৱস্থাটো স্থায়ীভাৱে বন্ধ ৰখা হোৱা নাই। প্রয়োজনীয় পুঁজিৰ অভাৱৰ বাবেহে ২০১২-১৩ চনৰ বিত্তীয় বর্ষত Transformer প্রদানৰ ব্যৱস্থা কৰা হোৱা নাই।

(ঘ) যদিও ২০১২-২০১৩ বিত্তীয় বর্ষত বিধায়কৰ অনুমোদন ক্রমে Transformer প্রদান কৰা হোৱা নাছিল। কিন্তু বিকল্প হিচাপে ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিৰ জৰিয়তে সমগ্র অসমত নতুন Transformer বহুৱাই বিজুলী যোগানৰ কাম কৰি অহা হৈছে। ইয়াৰ উপৰিও বিদ্যুৎ পৰিষদৰ তৰফৰ পৰাও operation & maintenance (O&M) শিতানত Transformer বেয়া হ'লে পুনৰ সংস্থাপনৰ কাম কৰি থকা

হৈছে। এইবাৰ অৱশ্যে (২০১৩-১৪) উপযুক্ত টকাৰ অনুমোদন পালে মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ তলত বিধায়ক সকলক Transformer যোগান ধৰিব পৰা যাব।

* **শ্রীজয়ন্ত মল্ল বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, পূৰ্বতে প্রতিটো বিধান সভা সমষ্টি ভিত্তিত বিধায়ক সকলক অনুমোদন সাপেক্ষে ট্রেন্সফর্মাৰ প্রদানৰ ব্যৱস্থাটো প্রচলন কৰিছিল। কিন্তু এই ব্যৱস্থাটো বন্ধ হোৱাৰ কাৰণে গ্রাম্যাঞ্চলত ট্রেন্সফর্মাৰ যোগান দিয়াৰ ক্ষেত্রত বহু ধৰণৰ অসুবিধা অনুভৱ কৰা হৈছে। এতিয়া যিহেতু ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিৰ জৰিয়তে ৰাজ্যখনত ট্রেন্সফর্মাৰ বহুৱাই বিজুলী যোগানৰ কাম কৰি-অহা হৈছে, তেনে ক্ষেত্রত বহু ঠাইত যেতিয়া ট্রেন্সফর্মাৰ বেয়া হৈ যায়, সেইবিলাক ৰিপ্লেচ কৰাৰ ক্ষেত্রত আৰু ৰিপিয়াৰিং কৰাৰ ক্ষেত্রত বহু ধৰণৰ অসুবিধা হয়। মুখ্য বিশেষ আঁচনি অনুযায়ী যোৱা দুবছৰ ধৰি ট্রেন্সফর্মাৰ যোগান ধৰা হৈছিল। প্রতিজন বিধায়কক ২০ টাকৈ ট্রেন্সফর্মাৰ দিছিল। কিন্তু এইটো বন্ধ কৰাৰ পিছত বহু ধৰণৰ অসুবিধা আহি পৰিছে। গতিকে এই বিষয়টোলৈ লক্ষ্য ৰাখি মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা গ্রহণ কৰিব নেকি?

* **শ্রীপ্রদ্যুৎ বৰদলৈ(মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রীৰ বিশেষ আঁচনি অনুযায়ী যোৱা ২ বছৰৰ বাবে মাননীয় বিধায়ক সকলক ট্রেন্সফর্মাৰ যোগান ধৰা হৈছিল। কিন্তু প্রয়োজনীয় পুঁজিৰ অভাৱৰ বাবে প্লেনত কমাই দিয়া হ'ল। গতিকে প্রয়োজনীয় পুঁজিৰ অভাৱৰ কাৰণে ২০১২-১৩ চনৰ বিত্তীয় বর্ষত ট্রেন্সফর্মাৰ প্রদান কৰিব পৰা হোৱা নাই। এইবাৰ বিধায়ক সকলক ১৫ টাকৈ ট্রেন্সফর্মাৰ দিয়াৰ কথা আছে। তাৰ ভিতৰত ২৫ কেভিৰ ৬ টা, ৬৩ কেভিৰ ৮ টা, ১০০ কেভিৰ ৪ টা। ইয়াত কেৱল ট্রেন্সফর্মাৰ দিলেই নহ'ব। চুইচকে ধৰি অন্যান্য সা-সামগ্রীৰে সৈতে চাব ষ্টেচন একোটাৰ ব্যৱস্থা কৰা হয়। আগতে কেৱল ট্রেন্সফর্মাৰ দিয়া হৈছিল। এতিয়া কিন্তু সকলো বস্তু সংলগ্ন কৰি দিয়া হৈছে। ২০১৩-১৪ অনুমোদন পালে যোগান

* Speech not corrected

ধৰিব পৰা হ'ব।

* **ডাঃ ভূমিধৰ বর্মন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰ নিচিনাকৈ ২০ টাকৈ কৰিলে ভাল হয়।

* **শ্রীজয়ন্ত মল্ল বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, শক্তি খণ্ডত ৬২ নং মঞ্জুৰীত যিখিনি কোৱা হৈছে সেইখিনি পৰিস্কাৰ হোৱা নাই। বহু সময়ত আমি সমষ্টিত জবাব দিব লগা হয়। গতিকে এই বিষয়টো স্পষ্ট কৰিলে ভাল হয়।

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা চাৰিটা বছৰত ৩৫০০ টা ট্রেন্সফর্মাৰ ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ জৰিয়তে বিতৰণ কৰা হৈছে। আৰু আসাম পাৱাৰ ডিষ্ট্রিবিউচন কোম্পানীয়ে বিভিন্ন শক্তি সম্পন্ন ট্রেন্সফর্মাৰ ১৬ শ টা দিছে। তাৰোপৰি ২২ হাজাৰ টা ট্রেন্সফর্মাৰ দিছে। ৮৫০০ নতুন ট্রেন্সফর্মাৰ দিয়া হৈছে। এই বৃহৎ সংখ্যক নতুন ট্রেন্সফর্মাৰ ইতিমধ্যে দিয়া হৈছে। মাননীয় বিধায়ক গৰাকীয়ে কোৱাৰ দৰে যদি আৰু অতিৰিক্ত প্রয়োজন হয় সেইটো চাব পৰা হ'ব।

* **শ্রীজয়ন্ত মল্ল বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমি বাজেটত স্পষ্টকৈ দেখা নাই।

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রীয়ে যিহেতু বাজেটত ঘোষণা কৰিছে, সেইটো প্রায়োৰিটি হিচাবে ল'বই লাগিব আৰু সেইমতে যোগান দিয়াত বেছি অসুবিধা নহ'ব।

* **শ্রীকেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ট্রেন্সফর্মাৰ বিলাক কেতিয়াবা বেয়া হ'লে তাক ৰিপেয়াৰ কৰোতে যথেষ্ট সময় লাগে। কেতিয়াবা কেতিয়াবা ২-৩ মাহ লাগি যায়। সেই সময়ত ট্রেন্সফর্মাৰ বেয়া হৈ থকা অঞ্চলত অন্ধকাৰ হৈ থাকে। ট্রেন্সফর্মাৰ বিলাক মেৰামতি কৰাৰ ক্ষেত্রত তীব্র অশান্তিৰ সৃষ্টি হয়। গতিকে যেতিয়া ট্রেন্সফর্মাৰ বেয়া হয়, সেইবিলাক

---

* Speech not corrected

অতি সোনকালে ৰিপেয়াৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। নতুবা ৰিপ্লেচ কৰাৰ ব্যৱস্থা কৰিব লাগে। ধৰক ৰুৰপেটা, গোৱালপাৰা আওহতীয়া অঞ্চলত ট্ৰেন্সফৰ্মাৰ বেয়া হ'ল, সেইবিলাক আকৌ গুৱাহাটীলৈ লৈ আহোতে যথেষ্ট সময় লয়। ফলত, ৰাইজে জিয়াতু ভুগিবলগা হয়। গতিকে স্থানীয়ভাৱে ৰিপেয়াৰ কৰা ব্যৱস্থা হ'লে ভাল হয়।

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ট্ৰেন্সফৰ্মাৰ অচল হোৱা আৰু তাক মেৰামতি কৰা সম্পৰ্কত যিখিনি কথা কৈছে তাত মই একমত। এই ট্ৰেন্সফৰ্মাৰ বিলাক ৰিপেয়াৰ কৰাৰ ক্ষেত্ৰত ৰাজ্যখনৰ কিছুমান অঞ্চলত অথৰাইজ চাৰ্ভিচ চেণ্টাৰ কিছুমান গঠন কৰা আছে। গুৱাহাটী, তিনিচুকীয়া, যোৰহাট, শিলচৰ, তেজপুৰ ইত্যাদিও আছে। আজি ধৰক ধুবুৰীত এটা ট্ৰেন্সফৰ্মাৰ বেয়া হ'ল সেইটো গুৱাহাটীলৈ আনিব লগা হয়। গতিকে তাক ৰিপেয়াৰ কৰিবলৈ যাওঁতে দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। চেণ্ট্ৰেলষ্টোৰলৈ আনিব লাগে তাক ৰেকৰ্ড কৰি আকৌ জিলালৈ পঠাব লাগে, পুনৰ আকৌ চেণ্ট্ৰেল ষ্টোৰলৈ আহে। কেতিয়াবা পেমেণ্ট কৰোতে দেৰি হয়। আউট ষ্পেণ্ডিং হৈ থাকে। গতিকে এই বিলাক বিষয় চাই-চিতি পৰ্য্যালোচনা কৰি ব্যৱস্থা লোৱা হ'ব। পাৱাৰ গ্ৰীড কৰ্পৰেচন এ,এচ,ই,বি আৰু ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি আৰু অথৰাইজ চাৰ্ভিচ চেণ্টাৰৰ জৰিয়তে ৰিপেয়াৰিং আৰু ৰিপ্লেচমেণ্টৰ ব্যৱস্থা কৰা হয়। কোনো কোনো সময়ত পলম হ'ব পাৰে। সেইটো চাই-চিতি ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীহেমন্ত তালুকদাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰিছোঁ যে যোৱা বছৰ আমাৰ মন্ত্ৰী মহোদয়ে মোক পাঁচটা ট্ৰেন্সফৰ্মাৰ দিয়াৰ কথা আছিল, কিন্তু মই এটাও নাপালো। মই এম এল এ ফাণ্ডৰ পৰাও নাপালো তেতিয়া মই পকেটৰ পইচাৰে কিনি আনিলোঁ। মই আনকি পুৰণি এটাকে বিচাৰিছিলোঁ সেইটোও নিদিলে। মই নাপালোঁ।

---

* Speech not corrected

আজি মন্ত্রী মহোদয়ে এইবাৰ অৱশ্যে দিয়াৰ কথা কৈছে যদিও মই পাম নে নাপাম তাত সন্দেহ হৈছে। আমাৰ মন্ত্রী মহোদয়ে ধুনীয়াকৈ উত্তৰ দিয়ে। গতিকে ধুনীয়াকে সুন্দৰভাৱে উত্তৰ দিছে আৰু কৈছে এইবাৰ পাম বুলি, পাও নে নাপাও নাজানো। মোৰ একমাত্র কথাটো হ'ল আমাক অলপ মন্ত্রী মহোদয়ে চায় যেন।

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে আগৰ বাৰ যিটো ট্রেন্সফর্মাৰ ৰাহি হোৱাৰ মানে পাৱাৰ চেভিং ট্রেন্সফর্মাৰ ৰাহি হৈছিল। এই ৰাহি হোৱা ট্রেন্সফৰ্মাৰ পৰা তেখেতক দিবলৈ মই লিখি দিছিলো, কিন্তু দুর্ভাগ্যবশতঃ এই ৰাহি হোৱা ট্রেন্সফর্মাৰ তেতিয়া নাছিল; ইতিমধ্যেই আন ঠাইলৈ পঠোৱা হৈছিল। এইবাৰ বাজেটত টকা ধৰা হৈছে, গতিকে এইবাৰ তেখেতে পাব।

* **শ্রীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে প্রত্যেক বিধায়কৰ সমষ্টিৰ বাবে ২০ টাকৈ ট্রেন্সফর্মাৰ যোগান ধৰাৰ আঁচনি আছিল। কিন্তু আমাৰ বৰপেটাত আমি ২০ টাৰ এটাও নাপালো। এটাও দিয়া হোৱা নাছিল। মই কেইটামান লিষ্টও দিছিলো। কিন্তু তাৰ বিপৰীতে এটাও ট্রেন্সফর্মাৰ দিয়া নাছিল। এতিয়া কথা হ'ল মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ এই ট্রেন্সফর্মাৰবোৰ কিয় দিয়া হোৱা নাছিল? ট্রেন্সফর্মাৰবোৰ ক'লৈ গ'ল আৰু কি কৰিলে এইবিলাক পাব পাৰি?

* **শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আচনিটো ২০০৭ চনত আৰম্ভ কৰা হৈছিল। কিন্তু তাৰ পিছত পুঁজিৰ অভাৱত যোগান দিব পৰা হোৱা নাছিল। তথাপি মাননীয় সদস্যজনে যিটো কথা জানিব বিচাৰিছে সেইটো মোক লিখিতভাৱে দিলে মই নিশ্চয় কথাটো চাই ব্যৱস্থা লম।

* Speech not corrected

Mr. Speaker : Starred Question No. 146, Hon'ble Member, Shri Mazibur Rahman.

বিষয় ঃ সমবায় নিৰ্বাচন।

শ্ৰীমজিবুৰ ৰহমানে সুধিছে ঃ

* ১৪৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে অসম সমবায় সমিতি আইন ২০০৭ ধাৰা ৩১ ৰ সংশোধন কৰাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছিল?

(খ) যদি জ্ঞাত, তেন্তে উক্ত ধাৰাটো সংশোধন কৰা হ'লনে? যদি হোৱা নাই, তেন্তে কেতিয়া হ'ব?

(গ) ৰূপহী সমষ্টিত কিমানখন সমবায় সমিতি আছে আৰু ইয়াৰে কিমানখন সমিতিৰ "অসম সমবায় সমিতি আইন, ২০০৭" মতে ম্যাদ উকলিছে?

(ঘ) ৰূপহী সমষ্টিৰ শিঙাৰী সমবায় সমিতি, বৰ্ত্তমান কমিটিৰ ম্যাদ উকলি যোৱাৰ কথাটো চৰকাৰৰ জ্ঞাতনে?

(ঙ) যদি জ্ঞাত, তেন্তে নতুনকৈ নিৰ্বাচন কিয় অনুষ্ঠিত কৰা হোৱা নাই?

(চ) এই সমিতিখনত বৰ্ত্তমান কিমান টকা জমা ধন হিচাপে আছে?

(ছ) প্ৰতি বছৰে Audit হয়নে, যদি হয় তেন্তে Audit Report সদনৰ মজিয়াত দাখিল কৰিবনে?

(জ) উক্ত সমবায় সমিতিখনৰ অন্তৰ্গত কিমানখন সুলভ মূল্যৰ দোকান আছে? প্ৰত্যেকৰে পঞ্জীয়ণ আছেনে? যদি আছে, তেন্তে প্ৰত্যেকৰে পঞ্জীয়নৰ কপি সদনত দাখিল কৰিবনে?

শ্ৰীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম সমবায় সমিতি আইন, ২০০৭ ধাৰা ৩১ ৰ সংশোধন ইতিমধ্যে কৰা হৈছে।

(খ) অসম সমবায় সমিতি আইন, ২০০৭ ধাৰা ৩১ ৰ সংশোধন ইংৰাজী ৫ ফেব্রুৱাৰী, ২০১৩ তাৰিখৰ পৰা বলবৎ হৈছে।

(গ) ৰূপহী সমষ্টিত বিভিন্ন প্রকাৰৰ মুঠ ৫২ খন সমবায় সমিতি আছে আৰু ইয়াৰ ভিতৰত ২০ খন সমবায় সমিতিৰ (২ খন গাঁও পঞ্চায়ত সমবায় সমিতি তথা ১৮খন অন্যান্য সমবায়) ম্যাদ, অসম সমবায় সমিতি সমূহৰ আইন, ২০০৭ ৰ মতে উকলিছে।

দুয়োখন গাওঁ পঞ্চায়ত সমবায় সমিতি ক্রমে শিঙিয়া সমবায় সমিতি, তথা ছাইদোৱীয়া সমবায় সমিতিৰ কার্য্যকৰী সমবায় কমিটি ভংগ কৰি নির্দেশ নং GPSS.9/2013/1 dtd.06-03-2013 ৰ যোগেদি এজনীয়া তদর্থ কমিটি গঠন কৰি ৯০ দিনৰ ভিতৰত নির্বাচন অনুষ্ঠিত কৰাৰ বাবে নির্দেশ দিয়া হৈছে। বাকী ১৮ খন অন্যান্য সমবায় সমিতিৰ ক্ষেত্রত আদেশ নং GPSS.9/2013/7 dtd.08-03-2013 ৰ যোগেদি কমিটি ভংগ কৰি বিষয়া নিযুক্তি দিবলৈ স্থানীয় মাণ্ডলিক পঞ্জীয়ককৰ নির্দেশ জাৰি কৰা হৈছে।

(ঘ) ৰূপহী সমষ্টিত শিঙাৰী সমবায় সমিতি নামেৰে কোনো সমবায় সমিতি নাই, শিঙিয়া সমবায় সমিতিহে আছে।

ৰূপহী সমষ্টিত শিঙিয়া সমবায় সমিতিৰ বর্ত্তমান কমিটিৰ ম্যাদ উকলি যোৱাৰ কথাটো চৰকাৰৰ জ্ঞাত।

(ঙ) শিঙিয়া সমবায় সমিতিখনৰ কার্য্যকাল শেষ হোৱাৰ বাবে ইয়াৰ কার্য্যকৰী সমিতিখন ভঙ্গ কৰি GPSS.9/2013/1 dtd.06-03-2013 ৰ মতে তাত বিভাগীয় তদর্থ কমিটি গঠন কৰা হৈছে। উক্ত এজনীয়া তদর্থ কমিটি খনক সমবায় আইন, ২০০৭ ৰ অধীনত ৯০ দিনৰ ভিতৰত সাধাৰণ সভা অনুষ্ঠিত কৰি নতুন কমিটি গঠন কৰিবলৈ নির্দেশ দিয়া হৈছে।

(চ) শিঙিয়া সমবায় সমিতিখনৰ ২০১১-২০১২ বর্ষৰ উদ্ধৃত পত্র মতে ০১/০৩/২০১২ তাৰিখত সমিতিখনৰ জমা ধনৰ পৰিমাণ ৫,৬৪,১৮০.৯৪ টকা।

(ছ) প্রতি বছৰে Audit হয়। ২০১১-১২ বর্ষৰ Audit Report পৰিশিষ্ট 'ক' সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-V)

(জ) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্ৰাপ্ত তথ্যমতে জনা যায় শিঙিয়া সমবায় সমিতিখনৰ অধীনত ৩৭খন সুলভ মূল্যৰ দোকান আছে। প্ৰতিখন সুলভ মূল্যৰ দোকান পঞ্জীয়নভুক্ত। পঞ্জীয়নৰ প্ৰতিলিপি দাখিল কৰিব পৰা নগ'ল। শিঙিয়া সমবায় সমিতিৰ পঞ্জীকৃত এজেণ্টৰ লাইচেন্স নং আৰু ঠিকনাৰ তালিকা পৰিশিষ্ট 'খ' সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-VI)

* **শ্ৰীমজিবুৰ ৰহমান** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত নিয়মমতে সমিতি গঠন কৰা বুলি কৈছে। কিন্তু শিঙিয়া সমবায় সমিতিখনৰ ম্যাদ কেতিয়া উকলি গ'ল বুলি মই প্ৰশ্ন কৰিছিলোঁ। অসম সমবায় আইন, ২০০৭ মতে তিনি বছৰ পাৰ হোৱাৰ পিচত আকৌ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। কিন্তু এই সমবায় সমিতিখনে ৫-৬ মাহ উকলি যোৱাৰ পিচতো আৰু মহামান্য আদালতে ৰায় দিয়াৰ স্বত্বেও নিৰ্বাচন অনুষ্ঠিত কৰা নাছিল। তাৰ সলনি এজনীয়া কমিটি এখন কৰি দিলে। অৰ্থাৎ আদালতৰ ৰায়কো অৱমাননা কৰা হ'ল। গতিকে ছয় সাতমাহ কেনেকৈ কি পদ্ধতিৰে চলাবলৈ পালে তাৰ এটা সুস্পষ্ট উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছোঁ।

* **শ্ৰীছিদ্দেক আহমেদ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন কৰিছে সেইটো সঁচা। আমাৰ আইনখন সংশোধন হোৱাৰ আগতে কমিটিৰ টাৰ্ম তিনি বছৰেই আছিল, টাৰ্ম শেষ হ'লে নিৰ্বাচন পাতিব লাগে। পাচত যে সমবায় সমিতি সমূহৰ টাৰ্ম পাছ বছৰীয়া হ'ল তেওঁলোকে গম পোৱাই নাছিল। বহু দেৰিকৈহে এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে। আৰু দৃষ্টিগোচৰ হোৱাৰ লগে লগে আমি সকলোবোৰ সমবায় সমিতিকে ভঙ্গ কৰাৰ জাননী দিছো আৰু নব্বে দিনৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ

---

* Speech not corrected

দিছোঁ। তদর্থে কমিটিৰ এজনীয়া কমিটি গঠন কৰা হৈছিল।

নৰ্ব্বে দিনৰ ভিতৰত নিৰ্বাচন নপতা কাৰণে এজন বিষয়াক এই ক্ষেত্ৰত নিলম্বিত কৰাও হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্যজনে যিখিনি কথা ক'লে সেইখিনিৰ ওপৰত মই তৎক্ষণাত একশ্যন লৈছোঁ।

* **শ্ৰীমজিবুৰ ৰহমান** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কলে যে তেখেত সকলৰ দৃষ্টি গোচৰ হোৱা নাছিল, সেইটো বৰ দুৰ্ভাগ্যজনক। কাৰণ মহামান্য আদালতৰ ৰায় কপি নিশ্চয় তেখেত সকলৰ অফিচলৈ আহিছিল। বিভাগে নিশ্চয় পাইছিল। গতিকে মই এই ক্ষেত্ৰত বৰ আস্বস্ত হ'ব পৰা নাই। ইয়াৰ পিচতো সমবায় সমিতি খনে নিৰ্বাচন অনুষ্ঠিত নকৰিলে। ইমানবিলাক কেচ চলিল সেই ঠাইত হাহাকাৰ হ'ল আমি জনোৱাৰ পিছতো মন্ত্ৰী মহোদয়ে কলে যে তেখেত অৱগত হোৱা নাছিল। এই যে মন্ত্ৰী মহোদয়ে আমাক অৱহেলা কৰিলে ইচ্ছাকৃতভাৱে সমবায় সমিতিখন নিৰ্বাচন অনুষ্ঠিত নকৰিলে তাৰ কাৰণসমূহ মন্ত্ৰী মহোদয়ে জনাবনে ? আচলতে সদস্যসকলৰ নিৰ্বাচন হব নে সভাপতি সকলৰ নিৰ্বাচন হ'ব, সেইটো আমাক জনাব লাগে।

* **শ্ৰীছিদ্দেক আহমেদ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ২০০৭ চনৰ আমাৰ এই আইনখনৰ যি সংশোধনী হ'ল তাৰ আগতে সাধাৰণ নিৰ্বাচন হৈছিল সভাপতি, উপসভাপতিৰ। এতিয়া সদস্য সকলৰ নিৰ্বাচন আগতে হ'ব আৰু তেখেসকলেহে সভাপতি, উপ-সভাপতি নিৰ্বাচন কৰিব। আৰু যদি সমান হয়, টচৰ দ্বাৰা সভাপতি, উপ-সভাপতি নিৰ্বাচন কৰা হ'ব।

* Speech not corrected

Mr. Speaker : Starred Question No. 147, Hon'ble Member, Shri Sirajuddin Ajmal.

Sub. : Waqf Properties.

Shri Sirajuddin Ajmal asked

*147. Will the Minister of Minorities Welfare & Development be pleased to state :

(a) How many Waqf Properties are there in Assam? (Please give in detail District wise)

(b) Does Waqf Board get any revenue or rent out of all these properties? (If yes, how much)

(c) Are these all well protected/secured? Is there any disputed property?

(d) Please give list of the Waqf Properties in Greater Guwahati.

Dr. Nazrul Islam (Minister of Welfare of Minorities & Dev. Department) replied :

a) There are 179 Wakf properties so far registered with the Assam Board of Wakfs.

The district-wise list of Wakf properties is enclosed herewith as"Annexure A".

(See Annexure-VII)

b) Yes, The Assam Board of Wakfs gets 7% contribution from those registered Wakf properties whose net annual income is more than Rs. 5,000/- Under Section 46 and 72 of the Wakf Act, 1995. The Wakfs having net annual income of less than Rs. 5,000/- are exempted from payment of the contribution to the Board. The average revenue received

by the Assam Board of Wakfs from the Wakf Estates is about Rs. 1,00,000/- (Rupees one lakh) only per month.

c) All the Wakf properties are not well protected. Yes, there are disputed properties.

d) The list of Wakf properties in the Greater Guwahati is enclosed herewith as "Annexure-B"

(See Annexure-VIII)

* **Shri Sirajuddin Ajmal :** Respected Sir, I would like to know from the Hon'ble Minister that income of Assam Board of Wakf is Rs. 1.00 lac per month. So, if the income is Rs. 1.00 lac per month, that means the Government is receiving Rs. 12.00 lac per year. Now, will the Hon'ble Minister let us know where the money is being spent.

* **ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে ওৱান টাইমেই দিয়ে। বছেৰেকীয়া আয় পাচ হাজাৰৰ কম হ'লে কণ্ট্রিবিউশ্যন দিব নালাগে, তাৰো ব্যৱস্থা আছে।

* **Shri Sirajuddin Ajmal :** Hon'ble Speaker Sir, actually what I wanted to know the income from the waqf properties are not properly expand. The minority people, most backward class people they require financial help. If you see most of the waqf properties are situated in city or town. These properties are not well protected. These properties are insecured and what actions are taken by the Government to regain these properties. Lot of money are required for welfare of the minority community. Crores of rupees can be earn if the Government protected the waqf properties. Is the Government is taking any steps to protect these

properties? First of all these properties should be wellprotected. What about the disputed properties and what measures are taken by the Government.

* **ডাঃ নজৰুল ইচলাম (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ওৱাকফ সম্পত্তি সমূহ সুৰক্ষিত নোহোৱাৰ কাৰণ বিলাক হৈছে যিসকল জীৱিত থাকে তেওঁলোকৰ সম্পত্তিখিনি সুৰক্ষিত আৰু যিসকলৰ মৃত্যু হয় তেওঁলোকৰ আঙহী-বঙহীয়ে হাত কৰি লয়। ফলত সুৰক্ষিত কৰিব পৰা নাযায়। আৰু তেওঁলোকৰ তাত স্বার্থ জৰিত হৈ আছে। বহুতে আকৌ মৃত্যু নোহোৱাতেই লং টার্ম লীজত দি থৈ দিছে ফলত, বেদখল বেছি হৈছে। লং টার্ম লীজ বন্ধ কৰিবলৈ হ'লে বর্ডৰ সিদ্ধান্ত লাগিব। এবছৰলৈ লীজ দিব পাৰে, কিন্তু তিনি বছৰ বা তাতকৈ বেছিকৈ দিবলগীয়া হ'লে বর্ডৰ অনুমতি সাপেক্ষে দিয়াৰ নিয়ম আছে। কিন্তু ওৱাক্‌ফ সম্পত্তিৰ যিখন আইন আছে সেইখনৰ ধাৰা সমূহ ইমান শক্তিশালী নহয়। এই আইনখন আকৌ আমি সংশোধন কৰিব নোৱাৰো। আইনখন হৈছে চেণ্ট্রেল ওৱাকফ বর্ডৰ। আমি আইনখন সংশোধনৰ কাৰণে লাগি আছোঁ। আইনখন সংশোধন হ'লে সম্পত্তিখিনি সুৰক্ষিত হ'ব। উপায়ুক্ত সকলে উচ্ছেদ কৰে, উচ্ছেদ কৰাৰ পিছত আকৌ বেদখল হয়। আইনখন সংশোধন নোহোৱাৰ কাৰণে এইটো সুবিধা পাইছে। কিছুমান আকৌ ডিচপুটেড প্রপার্টি আছে। আমাৰ গুৱাহাটীৰে কেন্দ্রীয় ঠাই ফাচী বজাৰত নার্ভ চেণ্টাৰত ১৪ বিঘামাটি আছে। গোটেইখিনি বেদখল হৈছে। গোটেই খিনি কর্টত ফচী আছে। ২০০১ চনতে গুৱাহাটী হাইকর্টত কেচ হ'ল। ওৱাকফ বর্ডে চেষ্টা চলাই আছে, ক'র্টে আকৌ নাল এণ্ড ভইড কৰে, তেওঁলোকে এটা ষ্টেটাচ কো মেইণ্টেইন কৰি আছে। কেচ চলি আছে আমি উদ্ধাৰ কৰিব পৰা নাই। ঠিক তেনেকৈ কাটিগড়াটো তেনে এটা কেচ আছে। গোটেই বিলাক কর্টৰ চাবজুডিচ হৈ আছে। সেই কাৰণে আমি ব্যৱস্থা ল'ব পৰা নাই।

---

* Speech not corrected

* **শ্রীৰফিকুল ইচলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আইনখন সংশোধন নোহোৱাৰ কাৰণে কিছুমান লোকে সুবিধা লৈ আছে বুজিলো। ব'ৰ্ডেও সেই সা সুবিধা দি আছে। মন্ত্রী মহোদয়ে কোৱা মতে গুৱাহাটী, শিলচৰ, কৰিমগঞ্জত থকা ওৱাকফ সম্পত্তি সমূহ ক'ৰ্টৰ চাৰজুড়িচ হৈ আছে। এইটো বোৰ্ডৰ চেয়াৰমেন জনে কি ব্যৱস্থা লৈছে? আইনখন সংশোধন কৰিবৰ কাৰণে চেয়াৰমেনে চৰকাৰক দাবী কৰি আছেনে? এই বৰ্ডখনত এম এল এ, এম পি সদস্য হৈ থকাৰ উপৰিও বিভিন্ন ধৰ্মীয় সংগঠনৰ মানুহো এই বৰ্ডৰ সদস্য হৈ আছে। কিন্তু মই জানিব বিচাৰিছোঁ যে বৰ্ত্তমানৰ যিজন চেয়াৰমেন মোৰ সমষ্টিৰে, ইমান এম এল এ, এম পি সদস্য হোৱাৰ পিছতো তেওঁৰ এনে কি উল্লেখযোগ্য পদবী আছে। যাৰ কাৰণে তেওঁ চেয়াৰমেন হ'ল বা কোন উল্লেখযোগ্য ধৰ্মীয় সংগঠনৰ তেওঁ সদস্য? যাৰ কাৰণে তেওঁ এনে এখন সমিতিৰ চেয়াৰমেন হ'বলৈ পালে?

* **ডাঃ নজৰুল ইছলাম (মন্ত্রী) ঃ** মই আগতে কৈছো আমি আইনখন সংশোধন কৰিব নোৱাৰো। কিবা কৰিব লাগিলে কেন্দ্রীয় ওৱাকফ বৰ্ডেহে কৰিব লাগিব।

কেন্দ্রীয় ওৱাকফ বৰ্ড সংশোধন কৰিবলৈ হ'লে সংসদলৈ যাব লাগিব। সংসদে পাছ কৰাৰ পিছতহে আমাৰ বিধান সভালৈ আহিব। ইতিমধ্যে সংশোধনী কৰিবলৈ চেণ্ট্রেল ওৱাকফ বৰ্ডে সিদ্ধান্ত লৈছে। অৰ্থাৎ এইটো আগুৱাই প্রচেছ। আমাৰ ৰাজ্যৰ ব'ৰ্ডখন হৈছে নিৰ্বাচিত ব'ৰ্ড। ইয়াৰ চেয়াৰমেনজনো নিৰ্বাচিত। এম এল এ, এম পি সকলটো আছেই। দুটা ধৰ্মীয় সংগঠনৰো সদস্য থাকে। বৰ্ত্তমানৰ সভাপতি গৰাকী তেনে এটা ধৰ্মীয় সংগঠনৰো সদস্য।

Mr. Speaker : Question Hour is over.

---

* Speech not corrected

(Starred Question No. 148 to 160 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ ষ্টেডিয়াম নির্মাণ।

শ্রীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

* ১৪৮। মাননীয় ক্রীড়া আৰু যুৱ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কলাইগাওঁ সমষ্টিত ষ্টেডিয়াম আছে নে? যদি আছে, বর্ত্তমান কি পর্যায়ত আছে?

(খ) নতুনকৈ ষ্টেডিয়াম নির্মাণৰ বাবে ৰাজ্য চৰকাৰে আঁচনি লৈছে নেকি?

(গ) যদি লৈছে, কলাইগাওঁ সমষ্টিত এখন ষ্টেডিয়াম নির্মাণ কৰাৰ ব্যৱস্থা ল'বনে?

শ্রীঅজিত সিং (ক্রীড়া আৰু যুৱকল্যান বিভাগৰ (স্বতন্ত্র) মন্ত্রী) উত্তৰ দিছে ঃ

(ক) কলাইগাওঁ সমষ্টিত পূর্ণাঙ্গ ষ্টেডিয়াম নাই যদিও এখন মিনি ষ্টেডিয়াম আছে। মিনি ষ্টেডিয়ামখন কেবা বছৰ আগতে নির্মাণ কৰা বাবে উন্নয়নৰ প্রয়োজন হৈছে।

(খ) ষ্টেডিয়াম নির্মাণৰ বাবে ৰাজ্যিক পৰিকল্পনাৰ অধীনত পর্য্যাপ্ত পুঁজিৰ অভাৱৰ বাবে এতিয়ালৈকে আঁচনি ল'ব পৰা হোৱা নাই।

(গ) পুঁজি সাপেক্ষে কলাইগাঁও স্থিত মিনি ষ্টেডিয়ামখন পূর্ণাঙ্গ ষ্টেডিয়ামলৈ ৰূপান্তৰ কৰিব পৰা যাব।

বিষয় ঃ গোৱালপাৰা জিলাত সীমান্ত পথ নির্মাণ।

শ্রীমনোৱাৰ হুছেইনে সুধিছে ঃ

* ১৪৯। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ অর্থ বছৰত গোৱালপাৰা জিলাত মুঠ কিমানটা সীমান্ত পথ নির্মাণ কৰা হ'ল? (দৈর্ঘ্য, নাম আৰু অর্থৰ পৰিমাণৰে সৈতে বিতং তথ্য দাখিল কৰিব।)

(খ) পথ নির্মাণৰ বাহিৰে গোৱালপাৰা জিলাত সীমান্ত অঞ্চলৰ উন্নতিৰ বাবে আন কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (বিতং তথ্য দাখিল কৰিব)

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র)মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বছৰত গোৱালপাৰা জিলাত সীমান্ত পথ নির্মাণ আঁচনিত অনুমোদন জনোৱাৰ সংখ্যা এনেধৰণৰ ঃ

বছৰ	সংখ্যা
২০১০-১১	৮
২০১১-১২	২
২০১২-১৩	৪

ইয়াৰ ভিতৰত ২০১২-১৩ বর্ষত অনুমোদন জনোৱা ৪ টা সীমান্ত পথ আঁচনিত এতিয়াও Administrative Approval হোৱা নাই। সবিশেষ তথ্য পৰিশিষ্ট 'ক'ত দিয়া হ'ল। (See Annexure-IX)

(খ) পথ নির্মাণৰ বাহিৰে গোৱালপাৰা জিলাত সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বর্ষত আন কোনো আঁচনি

সীমান্ত অঞ্চল বিভাগে লোৱা নাই।

Sub: Selection Commitee for Alopati Char Area Dev. Project.

Shri Sherman Ali Ahmed asked :

* 150. Will the Minister of Welfare & Dev. of Minorities be pleased to state:

(a) Is it true that as per notification No. WMD.121/2010/127, dated 23.5.2012, 3 Nos. PRI representative and 2 Nos. Social workers are to be nominated by the In-charge Minister of the District for constitution of the Selection of beneficiaries under Char Development Project?

(b) Is it also true that 3 Nos. of PRI Representative and 2 Nos. of Social Workers were selected by the local MLA and the same were endorsed by the in-cherge Minister of Barpeta District for inclusion in the selection Committee for distribution of Hands Sprayer/Power Tiller/ Power pump under Alopati Development Project and were Communicated to the Director, Char Areas Development vide D.O letter No.45/D-15(i)-2/2012-13 dated 15.5.2012?

(c) Is it true that the said recommendation of the local MLA and the In-charge Minister of the District was totally ignored?

(d) If yes, why?

Dr. Nazrul Islsm (Minister of Welfare of Minorities & Dev. Department replied :

(a) Yes.

(b) Yes, Hon'ble MLA approached the Director with a list of

3 PRI Members and 2 Social Workers, but the Govt. notification vide WMD.121/2010/127, Dated 23.05.2012 authorized the Minister in-charge of the District to nominate 3 PRI Members and 2 Social Workers.

(c) Yes, as the list submitted by the local MLA was not in accordance with Govt. of Assam's notification stated above, it could not be implemented.

(d) As stated above in (c)

বিষয় ঃ সংখ্যালঘু উন্নয়নৰ কেন্দ্রীয় ধন।

শ্রীআলি হুছেইনে সুধিছে ঃ

* ১৫১। মাননীয় সংখ্যালঘু কল্যান আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত কেন্দ্রীয় চৰকাৰে সংখ্যালঘু উন্নয়নৰ নামত আৰম্ভনিৰে পৰা আজিলৈকে কিমান টকা MSDP ত মুঠ কিমান টকা আবণ্টন দিছে?

(খ) উক্ত আবণ্টিত ধনেৰে বৰপেটাত কি কি আঁচনি গ্রহণ কৰা হ'ল? (সবিশেষ তথ্য সদনত প্রকাশ কৰিব)

(গ) MSDP ৰ কিমান টকা বর্তমান জমা আছে? (সদনত প্রকাশ কৰিব)

(ঘ) MSDP ৰ টকা ব্যয় কৰাৰ সময়সীমা আছেনে? যদি আছে, সদনত প্রকাশ কৰিবনে?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যান ও উন্নয়ন বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাত কেন্দ্রীয় চৰকাৰে সংখ্যালঘু উন্নয়নৰ নামত আৰম্ভনিৰে পৰা আজিলৈকে MSDP ত মুঠ ৭৩০০.০০ লাখ টকা আবণ্টন দিয়ে।

(খ) উক্ত আবণ্টিত ধনেৰে তলত উল্লেখ কৰা আঁচনি সমূহ গ্রহণ কৰা হয় ঃ

১। ইন্দিৰা আৱাস যোজনা (IAY)

২। তাৰা হেণ্ড পাম্প (Tara Hand Pump)

৩। এ, চি, আৰ (Additional Class Room)

৪। চাইঞ্চ লেৱৰেটৰী (Science Laboratory)

৫। বিদ্যালয়ত শৌচাগাৰ নিৰ্মান (Toilet)

৬। ল'ৰা আৰু ছোৱালীৰ (Hostel) নিৰ্মান (ITI বৰপেটাত)

(গ) MSDP ৰ ৪৪০৩৩.০০ লাখ টকা বৰ্তমান জমা আছে।

(ঘ) MSDP ৰ টকা ব্যয় কৰাৰ সাধাৰণতে কোনো সময়সীমা নাই।

বিষয় ঃ খাদ্য সুৰক্ষা আইন ২০১১।

শ্রীৰনজিত কুমাৰ দাসে সুধিছে ঃ

* ১৫২। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) খাদ্য সুৰক্ষা আইন, ২০১১ সংশোধনী বিধেয়কখনে উপভোক্তা সকলক কি কি সুবিধা প্রদান কৰিব জনাবনে?

(খ) উক্ত সংশোধনী বিধেয়কখনে সুলভ মূল্যৰ দোকানী সকলৰ ব্যৱসায়ত ব্যাঘাত জন্মাব নেকি?

(গ) বৰ্তমান অসমত কিমানজন সুলভ মূল্যৰ ব্যৱসায়ী আছে?

(ঘ) চৰকাৰে কৰ্ণাটকৰ ব্যৱসায়ীৰ সামগ্রী অসমৰ সুলভ মূল্যৰ দোকানীৰ জৰিয়তে উপভোক্তা সকলক যোগান ধৰাৰ কিবা পৰিকল্পনা আছে নেকি?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যান ও উন্নয়ন বিভাগৰ মন্ত্রী) উত্তৰ দিছে ঃ

(ক) খাদ্য সুৰক্ষা বিধেয়ক, ২০১১ যোগে উপভোক্তা/হিতাধিকাৰী সকলক খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব বিচাৰিছে।

(খ) খাদ্য সুৰক্ষা আইন, ২০১১ সংশোধনী বিধেয়কখন গৃহীত হ'লে ভাৰত চৰকাৰৰ আদেশ অনুযায়ী বিহীত ব্যৱস্থা লোৱা হ'ব।

(গ) বর্তমান অসমত ৩৭,১২৬ জন সুলভ মূল্যৰ স্বত্বাধিকাৰী আছে।

(ঘ) বর্তমানলৈকে তেনে কোনো পৰিকল্পনা অসম চৰকাৰৰ ফালৰ পৰা লোৱা হোৱা নাই।

বিষয়- ইণ্ডোৰ ষ্টেডিয়াম স্থাপন।

শ্রীশিৰচৰণ বসুমতাৰীয়ে সুধিছে ঃ

* ১৫৩। মাননীয় ক্রীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে ৩৬ নং দুধনৈ জনজাতি বিধান সভা সমষ্টিৰ বহুত ল'ৰা-ছোৱালীয়ে আর্চাৰী, খো-খো, কাবাডী ইত্যাদি খেল ধেমালিত ৰাষ্ট্রীয় পর্যায়ৰ খেলুৰে হিচাপে স্বীকৃতি পাইছে?

(খ) এইটোও অৱগতনে বর্তমানলৈকে সমষ্টিৰ অন্তর্গত এখনো ঠাইত ভাল ইণ্ডোৰ ষ্টেডিয়াম নাই?

(গ) যদি অৱগত, তেন্তে চৰকাৰী প্রশিক্ষকৰ লগতে ইণ্ডোৰ ষ্টেডিয়াম স্থাপনৰ বাবে বিহীত ব্যৱস্থা ল'বলৈ বিভাগীয় কৰ্তৃপক্ষৰ কিবা ব্যৱস্থা আছেনে?

শ্রীঅজিত সিং(ক্রীড়া আৰু যুৱকল্যান বিভাগৰ ৰাজ্যিক (স্বতন্ত্র)মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) অৱগত।

(গ) উপযুক্ত ভূমি অধিগ্রহণ প্রাপ্তি সাপেক্ষে ৩৫নং দুধনৈ বিধানসভা (জনজাতি) সমষ্টিৰ অন্তর্গত কোনো ঠাইত ইণ্ডোৰ ষ্টেডিয়াম নির্মাণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ লগতে ক্রীড়া আৰু যুৱকল্যান বিভাগৰ প্রশিক্ষকৰ দ্বাৰা প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

বিষয় ঃ দক্ষিণ ভোলা গাঁও পঞ্চায়তৰ ১৮ খন গাঁও মেঘালয়লৈ যোৱা সম্পর্কত।

শ্রীমেন্থৰ গগৈয়ে সুধিছে ঃ

* ১৫৪। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ দক্ষিণ ভোলাগাঁও পঞ্চায়তৰ অধীনস্থ প্রায় ১৮ খন গাঁও মেঘালয়লৈ যোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, চৰকাৰে এই ক্ষেত্রত কিবা নিহিত ব্যৱস্থা লৈছে নেকি?

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র)মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়। এই সম্পর্কে চৰকাৰ অৱগত।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ ৰাজীৰ গান্ধী বৈদ্যুতিকৰণ আঁচনি।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

* ১৫৫। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৫/০৩/২০১২ তাৰিখে তৰাবিহিন প্রশ্ন নং ৩৪৬ ৰ (গ) প্রশ্ন আছিল (গ) ডুমডুমা বিধান সভা সমষ্টিৰ সকলোবোৰ গাঁৱত এই আঁচনি (ৰাজীৱ

গান্ধী বৈদ্যুতিকৰণ আঁচনি) ৰূপায়ণ কৰিবলৈ চলিত বিত্তীয় বৰ্ষত কাম আৰম্ভ কৰিব পৰাকৈ প্ৰশাসনিক মঞ্জুৰী মঞ্জুৰ কৰিবনে? উত্তৰ আছিল, ডুমডুমা ৰাজহ চক্ৰৰ বৈদ্যুতিকৰণ নোহোৱা আংশিক ভাৱে বৈদ্যুতিকৰণ হোৱা গাওঁবোৰ সম্পূৰ্ণৰূপে বৈদ্যুতিকৰণ কৰিবৰ বাবে দ্বিতীয় পৰ্য্যায়ৰ বিতং প্ৰকল্প প্ৰতিবেদন (Detailed Project Report) ইতিমধ্যে REC Limited ক দাখিল কৰা হৈছে। ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ পৰা অনুমোদন পালেই গাওঁ সমূহ বৈদ্যুতিকৰণ কৰিব পৰা যায়।

ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ পৰা অসম চৰকাৰে অনুমোদন পালনে ? যদি পালে, তেন্তে কেতিয়াৰ পৰা কাৰ্য্যকৰী হব জনাৰনে ?

(খ) যদি নাই পোৱা, তেন্তে ১ বছৰ হ'ল প্ৰকল্প প্ৰতিবেদন পঠোৱা; কিমানদিন লাগিব জনাৰনে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিশেষ কাৰিকৰী সীমাবদ্ধতাৰ বাবে ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ পৰা অনুমোদন পোৱা হোৱা নাই।

(খ) দ্বিতীয় পৰ্য্যায়ৰ কামবোৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত অনুমোদন হ'লে আৰম্ভ কৰা হ'ব।

বিষয় ঃ কামপুৰ চেনী কল (অসম সমবায় কামপুৰ চেনী কল)।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

* ১৫৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম সমবায় কামপুৰ চেনী কলটো বহু বছৰ ধৰি অকাৰ্য্যক্ষম হৈ থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) ২০০১ চনৰ পিছত সমবায় মন্ত্ৰীসকলে উক্ত চেনী কল পৰিদৰ্শন কৰি

তাৰ কর্মচাৰী সকলক কার্য্যক্ষম কৰা হ'ব বুলি প্রতিশ্রুতি দিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) বিষয়া/কর্মচাৰী সকলক VRS দিয়াৰ প্রতিশ্রুতি চৰকাৰে কার্য্যকৰী কৰিবনে? যদি কৰে, কেতিয়াৰ পৰা কৰিব? যদি নকৰে, কিয় নকৰে জনাবনে?

(ঘ) উক্ত চেনী কলটো লিজত বা বিক্রী কৰাৰ বিষয়ে চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি?

(ঙ) যদি উপযুক্ত ব্যক্তি আগবাঢ়ি আহে তেতিয়াহ'লে উক্ত কোনটো বিষয়ত সিদ্ধান্ত ল'ব পাৰে জনাবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জ্ঞাত।

(খ) কামপুৰ সমবায় চেনী কলটো পুনৰ কার্য্যক্ষম কৰা বিষয়টো বিবেচনা কৰি দেখা গ'ল যে বিভিন্ন ব্যৱস্থা লোৱাৰ পিচতো মিলটো লাভজনক হিচাবে চলাৰ সম্ভাৱনা নোহোৱাত পঞ্জীয়কৰ চিঠি নং CMP.8/99/Pt.I/146 dtd. 01-11-2011 মর্মে মিলৰ পঞ্জীয়ন খাৰিজ কৰি অৱসায়ক (Liquidator) নিযুক্তি দিয়ে।

(গ) ইতিমধ্যে, কামপুৰ সমবায় চেনী কলৰ কর্মচাৰী সকলক VRS ৰ বাবদ ২০১১-১২ চনত ৫০.০০ লাখ টকা মুকলি কৰি দিয়া হৈছে। বাকী থকা অংশ দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

(ঘ) লোৱা নাই।

(ঙ) সময়ত প্রয়োজনীয় ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ যাতায়তী খৰচ।

শ্রীউৎপল দত্তই সুধিছে ঃ

* ১৫৭। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ সমবায় সমিতি সমূহে দুখীয়া ৰাইজক বিতৰণ কৰা অন্তোদয়া আৰু মধ্যাহ্ন ভোজনৰ বাবদ পাবলগীয়া যাতায়তী খৰচ সমূহ সমগ্র ৰাজ্যখনত কিমান টকা দিয়া হৈছে?

(খ) বিশেষকৈ লক্ষীমপুৰ জিলাৰ সমবায় সমিতি সমূহে কিমান চনৰ পৰা কিমান টকা আদায় দিবলৈ বাকী আছে?

(গ) যদি দিয়া নাই, তেন্তে কেতিয়া দিব তথ্য সহকাৰে জনাবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অন্তোদয় অন্নযোজনা আঁচনিৰ চাউল পৰিবহন ব্যয়ৰ বাবদ মুঠ ৩৪৯৫.৮৩ লাখ টকা নৱেম্বৰ/২০০১ ৰ পৰা ০৭-০৬-২০০৮ চনলৈ ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। ২০০৯-২০১০ বিত্তীয় বর্ষত খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগে ০৮-০৬-২০০৮ চনৰ পৰা ২৭-০৫-২০০৯ চনলৈ মুঠ ৮৭০.৪৩ লাখ টকা মঞ্জুৰী দিছে। উক্ত ধনৰাশি ৰাজহ শিতানত জমা ৰখা হৈছে।

চলিত ২০১২-১৩ বছৰত ১৫.০০ কোটি টকা বাজেটত ধার্য্য কৰিছে। চলিত বিত্তীয় বর্ষত চৰকাৰী নিয়ম-নীতি অনুসৰি পৰিবহন খৰচ সমবায় সমিতি সমূহে পাবলগীয়া যাতায়তী খৰচ মোকলাই দিব পৰা হ'ব।

মধ্যাহ্ন ভোজনৰ বাবদ পাবলগীয়া যাতায়তী খৰচ যোগান বিভাগৰ লগত জড়িত নহয়।

(খ) লক্ষীমপুৰ জিলাৰ সমবায় সমিতি সমূহে পাবলগীয়া যাতায়তী খৰচ ০৮/০৬/২০০৮ চনৰ পৰা ফেব্রুৱাৰী, ২০১৩লৈ তলত উল্লেখ কৰা হ'ল।

১। অন্তোদয়া ১,১২,২০,৩১৪.০০ টকা।

(গ) চলিত বিত্তীয় বৰ্ষতে সমবায় সমিতি সমূহে পাবলগীয়া যাতায়তী খৰচ চৰকাৰী নিয়ম-নীতি অনুসৰি মোকলাই দিয়াৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ পৰিবহন ব্যয়।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

* ১৫৮। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ প্রায়বোৰ সমবায় সমিতি লিমিটেডে, অন্নপূর্ণা, অন্তোদয়া আদি আঁচনিৰ চাউল পৰিবহনৰ বাবদ চৰকাৰৰ পৰা পাবলগীয়া লক্ষ লক্ষ টকা পৰিবহন ব্যয় এতিয়াও অনাদায় হৈ থকাটো চৰকাৰ অৱগতনে?

(খ) সমবায় সমিতি সমূহক চৰকাৰে বর্তমান কিমান টকা পৰিবহন ব্যয় আদায় দিবলৈ বাকী আছে?

(গ) কি কাৰণত আদায় দিয়া হোৱা নাই? (জিলা ভিত্তিত সবিশেষ জনাব)

(ঘ) সোনকালেই পৰিবহন ব্যয় আদায় দিয়াৰ ব্যৱস্থা কৰিবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত। মাত্র অন্তোদয়া অন্নযোজনাৰ চাউলৰ ক্ষেত্রতহে। অন্নপূর্ণা আঁচনি যোগান বিভাগৰ লগত জড়িত নহয়।

(খ) সমবায় সমিতি সমূহক চৰকাৰে বর্তমান অন্তোদয়া অন্নযোজনাৰ অধীনৰ পৰিবহনৰ বাবদ ২৪,২২,৯৭,২৬৮.৯০ টকা পৰিবহন ব্যয় আদায় দিবলৈ

বাকী আছে।

(গ) বিত্ত বিভাগৰ অনুমোদন নোপোৱাৰ বাবে আদায় দিয়া হোৱা নাই। (জিলা ভিত্তিত সবিশেষ সংলগ্ন কৰা হ'ল) (See Annexure-X)

(ঘ) বিত্ত বিভাগৰ পৰা অনুমোদন আহিলে দিব পৰা যাব।

বিষয় ঃ কার্য্যালয় স্থানান্তৰ।

শ্রীগোপীনাথ দাসে সুধিছে ঃ

* ১৫৯। মাননীয় উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) জিলা উদ্যোগ আৰু বাণিজ্যকেন্দ্রৰ বামুণীমৈদামত থকা কার্য্যালয়ৰ পৰা কামৰূপ আৰু কামৰূপ (মেট্রো) জিলা দুখনৰ কাম কাজ পৰিচালনা হোৱা কথাটো সঁচানে?

(খ) যদি সঁচা, তেন্তে কামৰূপ জিলাক ভাগ কৰি কামৰূপ আৰু কামৰূপ (মেট্রো) জিলা দুখন গঠন হোৱাৰ বহু বছৰ পিছতো আজিলৈকে কিয় কামৰূপ জিলাৰ কার্য্যালয়টো বামুণীমৈদামত আছে জনাবনে?

(গ) এই কার্য্যালয়টো সোনকালে কামৰূপ জিলাৰ সদৰ আমিনগাওঁলৈ নিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) জিলা উদ্যোগ আৰু বাণিজ্যকেন্দ্রৰ বামুণীমৈদামত থকা কার্য্যালয়ৰ পৰা যৌথভাৱে কামৰূপ আৰু কামৰূপ (মেট্রো) জিলা দুখনৰ কাম কাজ পৰিচালনা হোৱা কথাটো সঁচা।

(খ) জিলা উদ্যোগ আৰু বাণিজ্যকেন্দ্রৰ কামৰূপ জিলাৰ কার্য্যালয়টো আমিনগাঁৱত প্রতিষ্ঠা কৰাৰ বাবে মাটি বিচাৰি ইতিমধ্যে কামৰূপ জিলাৰ উপায়ুক্তক আবেদন জনোৱা হৈছে। মাটি নোপোৱা পর্য্যন্ত কার্য্যালয় আমিনগাঁৱলৈ স্থানান্তৰ কৰিবৰ বাবে ভাড়াঘৰ বিচাৰি থকা হৈছে। ভাড়াঘৰৰ

ব্যৱস্থা হ'লেই বামুণীমৈদাম স্থিত কার্য্যালয়ৰ পৰা প্ৰয়োজনীয় বিষয়া কৰ্মচাৰী সহ কামৰূপ জিলাৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ আমিনগাঁৱৰ পৰা পৰিচালনা কৰা হ'ব।

(গ) হয়। যথাসম্ভৱ চেষ্টা কৰি থকা হৈছে।

বিষয় ঃ চাহবাগান মজদুৰৰ বিজুলী সমস্যা।

শ্ৰীপল্লৱ লোচন দাসে সুধিছে ঃ

* ১৬০। মাননীয় শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ বাগিছাৰ শ্ৰমিকৰ ঘৰ সমূহত বিজুলী চাকিৰ ব্যৱস্থা অসম চৰকাৰে কৰিছেনে?

(খ) যদি কৰিছে, কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কিমান সংখ্যক শ্ৰমিকৰ বিজুলী সংযোগৰ ব্যৱস্থা কৰা হৈছে? (জিলা ভিত্তিত তথ্য দিব)

(গ) বিজুলী ব্যৱহাৰ কৰাৰ বিনিময়ত এজন শ্ৰমিকৰ বিল আদায় ল'বলগীয়া হয়নে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) Plantation Labour Act অনুযায়ী চাহবাগিছাৰ চাহ মজদুৰ পৰিয়ালৰ আবাস গৃহ সমূহ বাগিছাৰ মাটি হোৱা বাবে চাহ বাগিছাৰ শ্ৰমিকৰ ঘৰ সমূহত বিজুলী চাকিৰ ব্যৱস্থাৰ দায়িত্ব চাহ বাগিছ কৰ্ত্তৃপক্ষৰ। অৱশ্যে বাগানৰ লাইনত থকা অতি দুখীয়া আৰু BPL বুলি গণ্য কৰা শ্ৰমিকৰ ঘৰত বিশেষভাৱে RGGVY আঁচনিৰ তলত প্ৰথম বিনামূলীয়া বিজুলী সংযোগ দিবলৈ অসম চৰকাৰৰ পৰা এটা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

(খ) যিবোৰ চাহ বাগানৰ কৰ্ত্তৃপক্ষই পৰিষদৰ ওচৰত চাহবাগানৰ চাহ শ্ৰমিকৰ বাসগৃহত বিদ্যুৎ যোগানৰ বাবে আবেদন কৰিছে আৰু বিদ্যুৎ মিটাৰ যোগান

ধৰিছে, সেই সকলোবোৰ চাহ বাগানৰ চাহ শ্ৰমিকৰ বাসগৃহত বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হৈছে। এক বিশেষ আঁচনিৰ জৰিয়তে।

(গ) বিল আদায় দিবলগীয়া কথাটো বাগিছা কৰ্ত্তৃপক্ষৰ ওপৰত নিৰ্ভৰ কৰে। বাগিছা কৰ্ত্তৃপক্ষই ইচ্ছা কৰিলে বিনামূলীয়াকৈও শ্ৰমিকৰ বিদ্যুৎ যোগান ধৰিব পাৰে। সচৰাচৰ সৰহসংখ্যক বাগানেই Assam Power Distribution Company Ltd. (APDCL) ৰ পৰা বাগানৰ পৰিসীমালৈকে বিজুলী সংযোগ লৈ এই বিজুলী বাগানৰ অন্যান্য ব্যৱহাৰৰ লগতে শ্ৰমিকৰ বাসগৃহতো নিজাববীয়াকৈ যোগান ধৰে আৰু Assam Power Distribution Company Ltd. (APDCL) এ বাগন কৰ্ত্তৃপক্ষৰ পৰা বাগানত যোগান ধৰা সমুদায় বিজুলীৰ বাবে প্ৰাপ্য ধন আদায় পায়।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ গেছ চিলিণ্ডাৰ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

২৭৫। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানে এল, পি, জি গেছ চিলিণ্ডাৰ ব্যৱহাৰকাৰী গ্ৰাহকৰ সংখ্যা কিমান?

(খ) এল, পি, জি গেছ ব্যৱহাৰকাৰী গ্ৰাহকক বছৰেকীয়া হিচাপত কেইটা ৰাজসাহায্য প্ৰাপ্ত গেছ চিলিণ্ডাৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে?

(গ) ভৱিষ্যতে এই ৰাজসাহায্য প্ৰাপ্ত চিলিণ্ডাৰ যোগানৰ সংখ্যা বৃদ্ধিৰ কিবা

ব্যৱস্থা কৰাৰ পৰিকল্পনা আছে নেকি?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সমগ্ৰ অসমত ২০১২ চনলৈকে ২৭১ টা Distributor ত থকা Domestic L.P.G. গ্ৰাহকৰ সংখ্যা ২৩,৯৯,২২১ (IOCL-২১,৮০,৩৩৩, BPCL-১,৫৭,৬৭৮, HPCL- ৬১,২১০) আৰু Commercial L.P.G. গ্ৰাহকৰ সংখ্যা ১৮,৮৩২,(IOCL -১৭,০১৫, BPCL -১,৪৫৩, HPCL -৩৬৪)।

(খ) কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া নিৰ্দেশক্ৰমে এল, পি,জি ব্যৱহাৰকাৰীক বছৰেকীয়া হিচাপত ৯ টাকৈ ৰাজ সাহৰ্য্য প্ৰাপ্ত চিলিণ্ডাৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ) বৰ্তমান ৰাজসাহায্য প্ৰাপ্ত চিলিণ্ডাৰ যোগানৰ সংখ্যা বৃদ্ধিৰ কোনো পৰিকল্পনা নাই।

বিষয় ঃ BADPৰ পুঁজি সম্পৰ্কে।

শ্ৰীআবুল কালাম আজাদে সুধিছে ঃ

২৭৬। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন জিলা সীমান্ত অঞ্চল বুলি চিহ্নিত হৈছে?
(জিলা সমূহৰ নাম সদনৰ মেজত দাখিল কৰিব)

(খ) সীমান্ত অঞ্চল উন্নয়নৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে?
(আঁচনি সমূহৰ নাম সদনৰ মেজত দাখিল কৰিব)

(গ) ভৱানীপুৰ সমষ্টিৰ কোন কোন গাওঁ সীমান্ত অঞ্চল বুলি চিহ্নিত হৈছে?
(গাওঁ সমূহৰ নামৰ তালিকা সদনৰ মেজত দিব)

(ঘ) সীমান্ত অঞ্চল উন্নয়নৰ বাবে বাক্চা জিলাত যোৱা ২০১২-১৩ বিত্তীয়

বর্ষত কিমানটা আঁচনি ৰূপায়ন কৰিছে?

(আঁচনি সমূহৰ নাম, স্থান আৰু আৱণ্টিত ধনৰ পৰিমান সদনৰ মেজত দাখিল কৰিব)

(ঙ) বাক্‌চা জিলাৰ ২০১২-১৩ ইং বর্ষত ৰূপায়িত হোৱা আঁচনি সমূহৰ ঠিকাদাৰ সকলক কামৰ বিপৰীতে ধন মোকলাই দিছেনে?

(চ) যদি দিছে, কোন আঁচনিৰ বিপৰীতে কোন ঠিকাদাৰক কিমান ধন মোকলাই দিছে তথ্য সহকাৰে সদনৰ মজিয়াত দাখিল কৰিবনে?

(ছ) যদি মোকলাই দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই আৰু যদি দিয়ে, কিমান দিনৰ ভিতৰত দিব?

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) তলত উল্লেখ কৰা জিলা সমূহ সীমান্ত অঞ্চল বুলি চিহ্নিত হৈছে ঃ

ভাৰত-বাংলাদেশ সীমান্ত ঃ

(১) ধুবুৰী জিলা।

(২) কাছাৰ জিলা।

(৩) কৰিমগঞ্জ জিলা।

ভাৰত-ভুটান সীমান্ত ঃ

(১) কোকৰাঝাৰ জিলা।

(২) চিৰাং জিলা।

(৩) বাক্‌ছা জিলা।

(৪) ওডালগুৰি জিলা।

(জিলা সমূহৰ নাম পৰিশিষ্ট "চ" সদনৰ মেজত দাখিল কৰা হ'ল)

(See Annexure-XI)

(খ) চৰকাৰে সীমান্ত অঞ্চল উন্নয়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় সীমান্ত উন্নয়ন পুঁজিৰ আঁচনিৰ অধীনত নিম্নলিখিত আঁচনি সমূহ গ্ৰহণ কৰিছে—

(১) পথ, দলং নিৰ্মান আৰু উন্নয়ন।

(২) বিশুদ্ধ পানী যোগান আঁচনি।

(৩) বিজুলী যোগান।

(৪) বিদ্যালয় ভৱন নিৰ্মান।

(৫) সমূহীয়া ভৱন নিৰ্মান।

(৬) বজাৰ-হাট নিৰ্মান।

(৭) সীমান্ত নিৰীক্ষণ চকী নিৰ্মান।

(৮) খহনীয়া প্ৰতিৰোধ।

(আঁচনি সমূহৰ নাম পৰিশিষ্ট "ছ" সদনৰ মেজত দাখিল কৰা হ'ল)

(See Annexure-XII)

(গ) ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত সীমান্ত অঞ্চল বুলি চিহ্নিত হোৱা গাওঁ সমূহৰ নাম পৰিশিষ্ট 'ক'ত উল্লেখ কৰা হ'ল)

(See Annexure-XIII)

(ঘ) ২০১২-১৩ বৰ্ষত বাকছা জিলাৰ উন্নয়নৰ বাবে ২৯ খন আঁচনি গ্ৰহণ কৰা হৈছে। আঁচনি সমূহৰ নাম, স্থান আৰু আৱণ্টিত ধনৰ পৰিমান পৰিশিষ্ট 'খ' সদনৰ মেজত দাখিল কৰা হ'ল।

(See Annexure-XIV)

(ঙ) দিয়া হোৱা নাই।

(চ) প্রশ্ন নুঠে।

(ছ) ধন মোকলাই দিয়াৰ প্রক্রিয়া চলি আছে।

বিষয় ঃ বিজুলী যোগান ব্যৱস্থা।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

২৭৭। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভাৰ ১৯/৭/২০১২ তাৰিখে প্রশ্নকর্তাৰ তৰাবিহীন প্রশ্ন নং ১৬১ (ঙ) ত উল্লেখিত "পুনৰীক্ষণ মূল্য নির্দ্ধাৰণ প্রাক্ কলন (Revised Cost Estimate) ত পাত্রপুৰ গাঁৱৰ বাবে এটি লাইন আৰু ট্রেন্সফর্মাৰ অনুমোদন REC ৰ পৰা পোৱা আৰু কাম কৰিবৰ বাবে ব্যৱস্থা কৰা হৈছে" বুলি দিয়া উত্তৰৰ পৰিপ্রেক্ষিতত কাম সম্পূর্ণ হ'লনে?

(খ) যদি হোৱা নাই, তেনেহ'লে মার্চ, ২০১৩ চনৰ ভিতৰত সম্পূর্ণ কৰি বিজুলী যোগানৰ ব্যৱস্থা কৰিবনে?

(গ) গাওঁ সমূহৰ অতিৰিক্ত কাম (Revised Cost Estimate) ৰ ভিত্তিত ২০১২ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত (একেটা প্রশ্নৰ 'চ') কৰিবলৈ লক্ষ্য নির্দ্ধাৰণ কৰা কামখিনি সম্পূর্ণ হ'লনে?

(ঘ) যদি হোৱা নাই, কেতিয়া হ'ব?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) এই কাম কৰিবৰ বাবে সংশ্লিষ্ট ঠিকাদাৰৰ আদেশ নামা জাৰি কৰা হৈছে আৰু বৈদ্যুতিকৰণৰ কাম দ্রুতগতিত চলি আছে।

(খ) পাত্রপুৰ গাওঁত ২০১৩ চনৰ মার্চ মাহৰ ভিতৰত কাম সম্পূর্ণ হ'ব।

(গ) সকলো গাওঁত কাম সম্পূর্ণ হোৱা নাই। অনুমোদন সাপেক্ষে বৈদ্যুতিকৰণৰ

কাম চলি আছে।

(ঘ) ২০১৩ চনৰ মে মাহৰ ভিতৰত সম্পূর্ণ কাম কৰাৰ লক্ষ্য নির্দ্ধাৰণ কৰা হৈছে।

বিষয় ঃ ৰন্ধন গেছ।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

২৭৮। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বজালী মহকুমাত কিমানখন LPG (ৰন্ধন গেছ) ৰ এজেঞ্চী আছে? এজেঞ্চী আৰু স্বত্বাধিকাৰীৰ নাম কি কি?

(খ) বজালী মহকুমাৰ ৰন্ধন গেছৰ গ্রাহক সকলক ৰন্ধন গেছ ঘৰত যোগান ধৰাৰ (Home Delivery) ব্যৱস্থা আছে নেকি?

(গ) যদি আছে, কোন গেছ এজেঞ্চীয়ে ২০১১-১২ আৰু ২০১২-১৩ চনত প্রতি মাহত কিমানটা গেছ গ্রাহকৰ ওচৰত যোগান ধৰিছে?

(সদনত গেছ গ্রাহকৰ নাম সহ তালিকা দাখিল কৰিব।)

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বজালী মহকুমাত ২ খন LPG (ৰন্ধন গেছ) ৰ এজেঞ্চী আছে।

এজেন্সীৰ নাম		স্বত্বাধিকাৰীৰ নাম
১। প্রজ্বলক গেছ এজেন্সী, পাঠশালা	-	শ্রীমতী লাৱন্য দেৱী।
২। শ্বহীদ উদ্ধৰ গেছ এজেন্সী, পাঠশালা	-	শ্রীমতী থগেশ্বৰী দাস।

(খ) হয়, বজালী মহকুমাৰ ৰন্ধন গেছৰ গ্রাহক সকলক ৰন্ধন গেছ ঘৰত যোগান

ধৰাৰ (Home Delivery) ব্যৱস্থা আছে।

(গ) প্ৰজ্জ্বলক গেছ এজেন্সী, পাঠশালাই ২০১১-১২ বৰ্ষত ১,১৬,৩৩২ টা আৰু ২০১২-১৩ বৰ্ষত ৯৩,৩৭৭ টা ঘৰুৱা চিলিণ্ডাৰ গ্ৰাহকক যোগান ধৰিছিল। আনহাতে, শ্বহীদ উদ্ধৰ গেছ এজেন্সী, পাঠশালাই ২০১১-১২ বৰ্ষত ২৬,০০৮ টা আৰু ২০১২-১৩ বৰ্ষত ১৬,১৬০ টা ঘৰুৱা চিলিণ্ডাৰ গ্ৰাহকক ঘৰত যোগান ধৰে।

শ্বহীদ উদ্ধৰ গেছ এজেন্সী, পাঠশালাই ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত যিসকল গ্ৰাহকৰ ঘৰত বন্ধন গেছ যোগান ধৰিছে সেইসকল গ্ৰাহকৰ সংখ্যা সংলগ্ন 'ক'ত দিয়া হ'ল। (See Annexure-XV)

প্ৰজ্জ্বলক গেছ এজেন্সীয়ে লিখিত ভাৱে জনোৱামতে ২০১১-১২ বৰ্ষত সেই এজেন্সীয়ে যিসকল গ্ৰাহকৰ ঘৰত বন্ধন গেছ যোগান ধৰিছিল সেই সকল গ্ৰাহকৰ নাম আৰু ঠিকনা তেওঁলোকৰ কম্পিউটাৰৰ INDSOFT ব্যৱস্থাৰ পৰা IOC ৰ নিয়ম অনুযায়ী Archive কৰা হৈছে। গতিকে এই তালিকা সদ্যহতে দাখিল কৰিব পৰা হোৱা নাই। এই সংক্ৰান্তত IOC Corporate কাৰ্য্যালয়, মুম্বাইৰ পৰা তথ্য বিচাৰা হৈছে। কিন্তু এই এজেন্সীয়ে ২০১২-১৩ চনত যিসকল গ্ৰাহকৰ ঘৰত বন্ধন গেছ যোগান ধৰিছিল সেইসকল গ্ৰাহকৰ সংখ্যা সংলগ্ন 'খ'ত দিয়া হ'ল।

(See Annexure-XVI)

গ্ৰাহকৰ নাম সহ তালিকা পৰিশিষ্ট 'গ' তাৰিখৰ মেজত দাখিল কৰা হ'ল।

বিষয়ঃ ক্ষুদ্ৰ কলঘৰ।

শ্ৰীএটোৱা মুণ্ডাই সুধিছে ঃ

২৭৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সেউজ বিপ্লৱৰ সূচনাকাৰী অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে প্ৰতিষ্ঠা কৰিব

বিচৰা ক্ষুদ্ৰ চাহ কলঘৰ বৰ্তমানলৈকে কিমানখনৰ বাবে অনুমোদন দিয়া হৈছে আৰু কিমানখন এতিয়াও দিয়া হোৱা নাই জনাবনে?

(খ) ক্ষুদ্ৰ চাহ কলঘৰ নিৰ্মাণৰ ক্ষেত্ৰত খেতিয়ক সকলে কি কি বাধাৰ সন্মুখীন হ'বলগীয়া হৈছে জনাবনে? এই বাধাসমূহ দূৰীকৰণৰ কি কি ব্যৱস্থা বিভাগে গ্ৰহণ কৰিছে জনাবনে?

(গ) অসমত মুঠ কিমান গৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক আছে জনাবনে? (জিলা ভিত্তিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

(ঘ) ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সন্মুখীন হৈ অহা কেঁচা চাহপাতৰ মূল্য নিৰ্দ্ধাৰণৰ স্থায়ী সমাধানৰ কি ব্যৱস্থা লৈছে জনাবনে?

(ঙ) প্ৰতি কিলোগ্ৰাম কেঁচা চাহপাতৰ বিনিময়ত বিভাগে কাটি ৰখা ২৫ পইচা চেছৰ আজিৰ তাৰিখলৈকে মুঠ কিমান টকা জমা আছে জনাবনে?

(চ) এই চেছৰ টকাৰে কি কি চাহ খেতিয়কৰ বাবে খৰচ কৰা হয় জনাবনে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়া নতুনকৈ লোৱা নীতি অনুযায়ী ৫০ জন বা ততোধিক সদস্যৰে (ক্ষুদ্ৰ চাহ খেতিয়ক) গঠিত ৯ টা আত্মসহায়ক গোটক চাহ কলঘৰ প্ৰতিষ্ঠা কৰিবলৈ "ভাৰতীয় চাহ বোৰ্ড" এ আপত্তি বিহীন প্ৰমান পত্ৰ প্ৰদান কৰিছে আৰু অন্য ১০ খন আবেদন বিবেচনাধীন হৈ আছে।

(খ) চাহ কলঘৰ প্ৰতিষ্ঠা সম্পৰ্কীয় বিষয়টো ভাৰতীয় চাহ বোৰ্ডৰ অধীনৰ বিষয়। ক্ষুদ্ৰ চাহ কলঘৰ নিৰ্মাণৰ ক্ষেত্ৰত অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সন্মুখীন হোৱা প্ৰধান সমস্যাটো হ'ল বিণিয়োগৰ বাবে প্ৰয়োজনীয় ধনৰ অভাৱ। বিত্তীয় অনুষ্ঠান সমূহে ক্ষুদ্ৰ চাহ খেতিয়ক সকলক চাহ কলঘৰ নিৰ্মানৰ বাবে সাধাৰণতে ঋণ দিবলৈ আগ্ৰহ প্ৰকাশ নকৰে। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত যোগ্য খেতিয়কক ঋণ দিবৰ বাবে বিত্তীয় প্ৰতিষ্ঠান বিলাকক হেঁচা দি আহিছে।

(গ) উদ্যোগ ও বাণিজ্য বিভাগে কৰা প্ৰাথমিক জৰীপৰ তথ্য অনুসৰি অসমত মুঠ ৬৮,৪৬৫ গাইগুটিয়া ক্ষুদ্ৰ চাহ খেতিয়ক আছে। অৱশ্যে এই জৰীপত ৰাজ্যখনৰ ১৪ খন জিলাকহে সামৰি লোৱা হৈছিল। এইকেইখনৰ নাম তথা ক্ষুদ্ৰ খেতিয়কৰ জিলাভিত্তিক সংখ্যা পৰিশিষ্ট 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-XVII) ৰাজ্যখনৰ বাকী জিলাত এই জৰীপৰ কাম চলোৱা সম্পূৰ্ণ হৈছে।

(ঘ) কেঁচা চাহপাতৰ উচিত/নিৰ্দ্ধাৰিত মূল্য ক্ষুদ্ৰ চাহ খেতিয়ক সকলে পোৱাটো নিশ্চিত কৰিবলৈ তলত দিয়া ব্যৱস্থা সমূহ লোৱা হৈছে।

১। ভাৰতীয় চাহ বোৰ্ডে কেঁচা চাহপাত কিনা কল ঘৰ সমূহ নিয়মীয়াকৈ আৰু হঠাৎ পৰিদৰ্শন কৰি 'প্ৰাইছ শ্বেয়াৰিং ফৰ্মূলা' কাৰ্য্যকৰীকৰণ নিশ্চিত কৰে।

২। কেঁচা চাহপাত কিনা কলঘৰ সমূহক কেচা চাহপাতৰ গড় হিচাপত কিনা দাম ও বজাৰৰ গড় দামৰ তালিকা আঁৰি থবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

৩। চাহ খেতিয়ক, ভাৰতীয় চাহ বোৰ্ড আৰু জিলা প্ৰশাসনৰ প্ৰতিনিধিৰে সৈতে সময়ে সময়ে জিলা উপায়ুক্তই সভাৰ আয়োজন কৰি কেঁচা চাহপাতৰ দামৰ পূনৰীক্ষন কৰাৰ ব্যৱস্থা কৰা হৈছে।

ঙ) বছৰ অনুসৰি জমা হোৱা টি চেছৰ (Tea Cess) পৰিমান তলত দিয়া হ'ল ঃ

২০০৯-১০ = ১২.৯৭ কোটি টকা,

২০১০-১১ = ১৯.৩৩ কোটি টকা

২০১১-১২ = ২২.৬৬ কোটি টকা

মুঠ = ৫৪.৯৬ কোটি টকা

বিত্ত বিভাগে এই চেছৰ টকাৰ ১৫ কোটি টকা ইতিমধ্যে মোকলাই দিছে। তাৰে ১৩.২ কোটি টকা ২০১১-১২ বৰ্ষত তলত উল্লেখ কৰা ১২ খন জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ উন্নয়নৰ হিতাৰ্থে খৰচ কৰিবলৈ মাণ্ডলিক আয়ুক্তৰ নেতৃত্বাধীন জিলা সমিতি সমূহলৈ মুকলি কৰি দিয়া হৈছে। তদুপৰি ১.৮ কোটি টকা ক্ষুদ্ৰ চাহ খেতিয়ক সকলক প্ৰশিক্ষণ আৰু প্ৰশাসনিক খৰচৰ বাবে নিৰ্দ্ধৰণ কৰা হৈছে। প্ৰশিক্ষণৰ বাবদ সোনকালে এই ধন ব্যয় কৰা হব। জিলা সমূহ হ'ল ঃ ধেমাজি, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, শোনিতপুৰ, তিনিচুকীয়া আৰু ওদালগুৰি।

বিষয় ঃ সমবায় বিশ্ববিদ্যালয় সম্পৰ্কত।

শ্ৰী অঞ্জন দত্তই সুধিছে ঃ

২৮০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৮-২০০৯ চনত শিৱসাগৰ জিলাৰ অন্তৰ্গত জয়সাগৰত প্ৰতিষ্ঠা কৰিবলৈ লোৱা সমবায় বিশ্ববিদ্যালয় খনৰ আধাৰশিলা স্থাপন কৰিছিল প্ৰধান মন্ত্ৰী ড° মনমোহন সিং দেৱে। আজি প্ৰায় ৫ বছৰ সম্পূৰ্ণ হোৱাৰ পিছতো নিৰ্মাণৰ নামত উক্ত স্থানত মাটি এচপৰাও পৰা নাই, ইয়াৰ কাৰণ কি ?

(খ) সমবায় বিশ্ববিদ্যালয়ৰ নামত এই সময়ছোৱাত বিভাগীয়ভাৱে কিমান টকাৰ অনুমোদন জনোৱা হ'ল আৰু উক্ত টকা কেনে ধৰণৰ কামত খৰছ কৰা হ'ল ?

(গ) দেশৰ প্ৰধান মন্ত্ৰীয়ে আধাৰ শিলা স্থাপন কৰা দেশৰ ভিতৰতে দ্বিতীয়খন সমবায় বিশ্ববিদ্যালয় সম্পূৰ্ণ হৈ উঠিবলৈ আৰু কিমান সময়ৰ প্ৰয়োজন হ'ব ?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মাননীয় প্রধান মন্ত্রী ড° মনমোহন সিং দেৱে ২০০৮-২০০৯ চনত শিৱসাগৰ জিলাৰ অন্তর্গত জয়সাগৰত অসম ৰাজীৱ গান্ধী সমবায় বিশ্ববিদ্যালয় খনৰ আধাৰশিলা স্থাপন কৰা নাছিল। ২০১০ চনৰ ২৮ ডিচেম্বৰ দিনা অসমৰ মাননীয় মুখ্যমন্ত্রী শ্রীযুত তৰুণ গগৈ দেৱে শিৱসাগৰ জিলাৰ অন্তর্গত জয়সাগৰত প্রতিষ্ঠা কৰিবলৈ অসম ৰাজীৱ গান্ধী সমবায় বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল। উচ্চ ন্যায়ালয়ত তৰা গোচৰ নং WP(C) 2746/2012 নির্দ্দেশ মর্মে চাৰি সীমাৰ বেৰ আৰু মাটি পেলোৱা কাম বন্ধ ৰখা হৈছে।

(খ) অসম চৰকাৰৰ পৰা তলত দিয়া ধৰণে অনুদান পোৱা হৈছে ঃ

২০১০-২০১১	-	১০০ লাখ
২০১১-২০১২	-	৭৫ লাখ

খৰছৰ খতিয়ানৰ প্রতিলিপি (পৰিশিষ্ট 'ক'ত)
(See Annexure-XVIII)

(গ) অসম ৰাজীৱ গান্ধী সমবায় ব্যৱস্থাপনা বিশ্ববিদ্যালয়খন ভাৰতৰ ভিতৰত প্রথম সমবায় বিশ্ব বিদ্যালয়। বিশ্ববিদ্যালয়খন সম্পূর্ণ হৈ উঠিবলৈ কিছু সময়ৰ প্রয়োজন হোৱাটো স্বাভাৱিক।

বিষয় ঃ ৰাজ সাহায্যৰ পৰিমাণ।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

২৮১। মাননীয় আবকাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম-নাগালেণ্ড সীমান্তৰ খট্‌খটীত সুৰাৰ কাৰণে ব্যৱহৃত স্পিৰিট নির্মাণৰ কাৰখানা তথা বটলিং প্লাণ্ট স্থাপন কৰা হৈছে নেকি?

(খ) এই কাৰখানাৰ বাবে কেঁচামাল ক'ৰ পৰা আহে? ইয়াঁৰ বাবে দৈনিক কিমান কেঁচামালৰ প্ৰয়োজন? ৰাজহুৱা বিতৰণৰ চাউল-ঘেঁহু ইয়াত কেঁচামাল হিচাপে ব্যৱহৃত হৈছে নেকি?

(গ) যদি বাহিৰৰ পৰা কেঁচামাল আহিছে, তেন্তে যোৱা তিনিমাহৰ কেঁচামাল পৰিবহন কৰা ট্ৰাকৰ নম্বৰ আৰু চালানৰ কপি সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) এই কাৰখানাৰ বাবে চৰকাৰে ৰাজসাহায্য হিচাপে কিমান ধন আদায় দিছে বা দিয়াৰ ব্যৱস্থা কৰিছে?

(ঙ) ছয়গাঁও বিধানসভা সমষ্টিতো অনুৰূপ এক কাৰখানা নিৰ্মাণৰ প্ৰস্তুতি চলিছে নেকি?

শ্ৰীঅজিত সিং (আবকাৰী বিভাগৰ (স্বতন্ত্ৰ)মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম-নাগালেণ্ড সীমান্তৰ কাৰ্বি আংলং জিলাৰ খট্‌খটীত এক্কোটাকৈ সুৰাৰ কাৰণে ব্যৱহৃত স্পিৰিট নিৰ্মাণৰ কাৰখানা তথা বটলিং প্লাণ্ট স্থাপন কৰা হৈছে।

(খ) এই কাৰখানাৰ বাবে কেঁচামাল অসম আৰু বাহিৰৰ ৰাজ্যৰ পৰা আমদানি কৰা হয়। উক্ত কাৰখানাত যেতিয়া উৎপাদনৰ কাম চলি থাকে তেন্তে দৈনিক ৬০(ষাঠি) ৰ পৰা ১২০(এশ বিশ) টনৰ কেঁচামালৰ প্ৰয়োজন হয়। ৰাজহুৱা বিতৰণৰ চাউল-ঘেঁহু উক্ত উৎপাদনত কেঁচামাল হিচাপে ব্যৱহৃত কৰা হোৱা নাই।

(গ) উক্ত কাৰখানাত ব্যৱহৃত বাহিৰৰ পৰা অনা কেঁচামাল পৰিবহন কৰা ট্ৰাকৰ নম্বৰ আৰু চালানৰ কপি তালিকা 'ক' ত সংলগ্ন কৰা হ'ল।

(See Annexure-XIX)

(ঘ) এই কাৰখানা স্থাপনত কোনো চৰকাৰী ৰাজসাহায্য হিচাপে ধন আদায় দিয়াৰ তথ্য নাই।

(ঙ) ছয়গাঁও বিধানসভা সমষ্টিতো এক অনুৰূপ কাৰখানাৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে।

বিষয় ঃ বাঘবৰ সমষ্টিৰ চৰাঞ্চলত বৈদ্যুতিকৰণ।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

২৮২। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২৩/১২/২০১১ ইং তাৰিখৰ তাকৰীয়া সময়ৰ প্রশ্ন নং ৮৪ ৰ উত্তৰত দিয়া আশ্বাসমতে বাঘবৰ সমষ্টিৰ চৰাঞ্চলত বৈদ্যুতিকৰণৰ বাবে প্রকল্প অনুমোদন হ'লনে?

(খ) যদি হৈছে, কেতিয়ালৈ ৰূপায়ণ কৰা হ'ব? (অনুমোদিত প্রকল্পৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব।)

(গ) যদি হোৱা নাই, অতি সোনকালে অনুমোদনৰ ব্যৱস্থা কৰি এটা নির্দিষ্ট সময় সীমাৰ ভিতৰত চৰাঞ্চলৰ বৈদ্যুতিকৰণ সম্পূর্ণ কৰিবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রথম পর্য্যায়ৰ অনুমোদন সাপেক্ষে বাঘবৰ সমষ্টিৰ চৰাঞ্চল (১) No.1 Baghmara N.C, (২) No.2 Baghmara N.C, (৩) No.3 Baghmara N.C, (৪) No.4 Baghmara N.C, (৫) Bhaitinapaity Char N.C, (৬) Nichinir Char N.C, (৭) Kalardia N.C, (৮) 3 No.Alupati N.C, (৯) Major Char N.C, গাঁৱত বৈদ্যুতিকৰণৰ কাম কৰিবৰ বাবে সংশ্লিষ্ট ঠিকাদাৰক আদেশ নামা জাৰি কৰা হৈছে।

(খ) বাঘবৰ সমষ্টিৰ চৰাঞ্চলত উচ্চ ক্ষমতা সম্পন্ন ১১ কেভি লাইন সম্প্রসাৰণৰ অসুবিধাৰ বাবে প্রথম পর্য্যায়ৰ কাম সময় সীমাৰ ভিতৰত কৰিব পৰা

নগ'ল। শেহতীয়াকৈ জলজলী নদীত pile foundation কৰি উচ্চ ক্ষমতা সম্পন্ন ১১ কেভি লাইন সম্প্রসাৰণৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে সংশ্লিষ্ট ঠিকাদাৰক আদেশ নামা জাৰি কৰা হৈছে। আদেশনামাৰ প্ৰতিলিপি সদনৰ মজিয়াত দিয়া হ'ল।

(গ) এই কাম নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত অৰ্থাৎ ২০১৩ চনৰ মে মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে।

বিষয় ঃ উপভোক্তা Census বিভাজিত ৰেচন কার্ড আৰু FCI ৰ গুদাম।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৮৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিগত কিমান বছৰত ধৰি PDS সামগ্রীৰ বিতৰণ ব্যৱস্থাত Population Census হোৱা নাই?

(খ) Population Census নোহোৱাৰ কাৰণ কি?

(গ) অনতি পলমে Population Census জিলা ভিত্তিক আৰম্ভ কৰিবনে?

(ঘ) এই Population Census and survey নকৰাৰ বাবে প্রায় বিগত ২০ বছৰ ধৰি বিভাজিত পৰিয়াল সমূহ জনসংখ্যা অনুপাতে বিভাজিত পৰিয়ালৰ ৰেচন কার্ড নোহোৱাত প্রয়োজনীয় সামগ্রীৰ পৰা বঞ্চিত হৈ থকা নাইনে?

(ঙ) যদি হৈছে, বিভাজিত পৰিয়ালৰ ৰেচন কার্ড বিতৰণৰ ব্যৱস্থা কেতিয়া আৰম্ভ কৰিব?

(চ) PDS সামগ্রী উঠোৱাৰ RO ৰ ব্যৱস্থা বৰপেটা জিলাৰ অন্তর্গত সমবায় সমিতি সমূহৰ বাবে বঙাইগাওঁৰ পৰিবর্তে জনস্বার্থৰ খাতিৰত বৰপেটা ৰোডত চৰকাৰে ব্যৱস্থা কৰিব পাৰিবনে?

(ছ) যদি পাৰে, কেতিয়া কৰিব?

(ঙ) FCI ৰ স্থায়ী গুদাম ৰৱপেটা জিলাৰ অন্তৰ্গত সমবায় সমিতি সমূহৰ জনস্বাৰ্থৰ খাতিৰত বঙাইগাৱঁৰ পৰিৱৰ্তে ৰৱপেটা ৰোডত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(ঝ) যদি কৰে, কেতিয়া কৰিব?

ডাঃ নজৰুল ইচলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) PDS সামগ্রীৰ বিতৰণ ব্যৱস্থাৰ বাবে সুকীয়াকৈ Population Census কৰাৰ কোনো বিধান নাই। পৰিয়াল পৰিচয় পত্রৰ গৰাকী সকলৰ নথিভুক্ত সদস্যৰ সংখ্যাৰ ওপৰতহে সামগ্রী আৱণ্টন কৰা হয়।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) যিসকল বিভাজিত পৰিয়ালে মুল পৰিয়ালৰ পৰিচয় পত্রৰ পৰা পৃথকীকৰণ হোৱা বাবে পৃথক পৰিয়াল পৰিচয় পত্রৰ বাবে প্রয়োজনীয় তথ্য সহ আবেদন কৰিছে তেনে পৰিয়ালক পৰিয়াল পৰিচয় পত্র দিয়া হৈছে। গতিকে তেনে পৰিয়ালক পৰিচয় পত্র দিয়া হৈছে। গতিকে তেনে স্থলত কোনো বিভাজিত পৰিয়ালে ৰাজহুৱা সামগ্রীৰ পৰা ৰঞ্চিত হোৱা নাই।

(ঙ) চলি আছে।

(চ) PDS সামগ্রী উঠোৱাৰ বাবে প্রয়োজনীয় Release Order পূর্বে ৰৱপেটা জিলাৰ বাবে ভাৰতীয় খাদ্য নিগমে ৰৱপেটাৰোডৰ ডিপো অফিচৰ পৰা প্রদান কৰিছিল।

কিন্তু FCI আঞ্চলিক অফিচৰ ২০/০৩/২০১২ তাৰিখৰ নির্দেশ অনুযায়ী হিচাপ পৰিপাটী কৰাৰ স্বার্থত ৰৱপেটা ৰোডৰ পৰিৱৰ্তে বঙাইগাওঁ Divisional Manager Officer ৰ পৰা Release Order দিয়াৰ ব্যৱস্থা কৰিছে। FCI ৰ এই সিদ্ধান্তৰ বিৰুদ্ধে গৌহাটী উচ্চ ন্যায়ালয়ত গোচৰ

নং WP(C) 1673/2012 দাখিল হৈছে আৰু উক্ত গোচৰ ন্যায়ালয়ত বিবেচনাধীন হৈ আছে।

(ছ) গৌহাটী উচ্চ ন্যায়লয়ৰ হুকুম অনুযায়ী ব্যৱস্থা লোৱা হ'ব।

(জ) ভাৰতীয় খাদ্য নিগমৰ লগত ব্যৱস্থাৰ বাবে যোগাযোগ কৰি থকা হৈছে।

(ঝ) উত্তৰ (জ) ৰ সৈতে একে।

বিষয় ঃ বিভাগীয় আঁচনি।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

২৮৪। মাননীয় ক্রীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গ্রাম্যাঞ্চলৰ যুৱকসকলৰ বিকাশ আৰু ক্রীড়া ক্ষেত্রৰ উন্নয়নৰ বাবে গ্রাম্য যুৱক-যুৱতী আৰু ছাত্র-ছাত্রী সকলৰ প্রশিক্ষণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(খ) উন্নয়ন খণ্ডৰ জৰিয়তে ক্রীড়াৰ ক্ষেত্রত বিকাশৰ বাবে কি কি আঁচনি ৰূপায়ন কৰি থকা হৈছে?

(গ) মৈৰাবাৰী, বটদ্রৱা, বাজিয়াগাওঁ, জুৰীয়া আৰু লাহৰীঘাট ব্লকৰ জৰিয়তে যোৱা দুটা বিত্তীয় বছৰত ক্রীড়াখণ্ডৰ কিমান টকা খৰচ কৰা হৈছিল? (কামৰ বিৱৰণ আৰু খৰচৰ পৰিমাণসহ বিতং তথ্য দিব।)

শ্রীঅজিত সিং (ক্রীড়া আৰু যুৱকল্যান বিভাগৰ (স্বতন্ত্র)মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গ্রাম্যাঞ্চলৰ ক্রীড়া ক্ষেত্রৰ উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰৰ পঞ্চায়ত যুৱ ক্রীড়া আৰু খেল অভিযান আঁচনিৰ (PYKKA) জৰিয়তে অসমত One time Capital Grant- ৰ অধীনত গাঁও পঞ্চায়ত আৰু উন্নয়ন খণ্ড পর্যায়ত খেলপথাৰ উন্নয়নৰ বাবে প্রথম বর্ষ (২০০৮-০৯) ৰ বাবে ২০১০-

১১ বর্ষত কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা ৩১৮.৯৬ লাখ টকা আৰু ৰাজ্যিক চৰকাৰৰ অংশ ৪৪.৩০ লাখ টকাৰে ২০১১-১২ বর্ষত উন্নয়ন খণ্ড পর্যায়ত ২২ খন আৰু গাওঁ পঞ্চায়ত পর্যায়ত ৩৩৩ খন খেলপথাৰৰ উন্নয়ন কৰাৰ লগতে Annual Acquisition Grant-ৰ অধীনত ২০১০-১১ বর্ষত পোৱা ৩০.১৬ লাখ টকাৰে ২০১১-১২ বর্ষত ৩৩৩ টা গাওঁ পঞ্চায়ত আৰু ২২ টা উন্নয়ন খণ্ড পর্যায়ত খেলৰ সামগ্রী ক্রয় কৰা হয়। ইয়াৰ বাহিৰেও যুৱক-যুৱতী আৰু ছাত্র-ছাত্রী সকলক ক্রীড়া ক্ষেত্রত প্রশিক্ষণৰ বাবে গাওঁ আৰু উন্নয়ন খণ্ড পর্যায়ত Annual Operational Grant-ৰ অধীনত ২০১০-১১ বর্ষত পোৱা ৩৬.১৯২ লাখ টকাৰে ২০১১-১২ বর্ষত ৩৫৫ জন ক্রীড়াশ্রী উন্নয়ন খণ্ড আৰু গাওঁ পঞ্চায়ত পর্যায়ত নিয়োগ কৰা হয়।

(খ) - ঐ -

(গ) One time Capital Grant-ৰ অধীনত জুৰীয়া উন্নয়ন খণ্ডত খেলপথাৰ উন্নয়নৰ বাবে ৪.১০ লাখ টকা, Annual Acquisition Grant- আৰু Annual Operational Grant ৰ অধীনত ১৬,০০০ টকাকৈ ২০১১-১২ বর্ষত মুকলি কৰি দিয়া হৈছে। ইয়াৰ উপৰিও গ্রাম্য ক্রীড়া অনুষ্ঠিত কৰাৰ বাবে ৯৫,০০০.০০ টকাকৈ মৈৰাবাৰী, ৰটদ্রৱা, বাজিয়াগাওঁ, জুৰীয়া আৰু লাহৰীঘাট উন্নয়ন খণ্ডলৈ ২০১১-১২ বর্ষত দিয়া হৈছে।

উক্ত উন্নয়ন খণ্ড সমূহলৈ দিয়া অনুদানৰ তালিকা 'ক'-ত সন্নিৱিষ্ট কৰা হ'ল। (See Annexure-XX)

বিষয় ঃ পি ডি এচৰ সামগ্রী পরিবহণ ব্যয়।

শ্রীফনী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

২৮৫। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পি ডি এচৰ কি কি সামগ্রী সমবায় সমিতি সমূহৰ দ্বাৰা বিতৰণ কৰা হয়।

এই সামগ্রী সমূহৰ পৰিবহণ ব্যয়ৰ বাবে ৰাজ্যৰ সমবায় সমূহে বৰ্ত্তমানলৈ কিমান টকা পাবলৈ বাকী আছে। সমবায় সমূহক কোন বিভাগে এই টকা দিয়ে আৰু কিয় এই পৰিবহণ ব্যয় অনাদায় হৈ আছে?

(জিলা ভিত্তিত তথ্য সদনত দিব)

(খ) ৰাজ্যৰ বৰ্তমান কিমানখন সমবায় সমিতি আছে? ইয়াৰ কিমানখন সক্রিয় আৰু কিমানখন নিস্ক্রিয়? কিমানখন সমবায় সমিতি লাভত আছে আৰু কিমানখন সমবায় সমিতি লোকচানত আছে?

(গ) সমবায় সমিতি সমূহে ৰাজ্যৰ কিমান পৰিয়ালক অন্ন সুৰক্ষা যোজনাৰ অধীনত চাউল বিতৰণ কৰি আছে আৰু অন্ন সুৰক্ষা যোজনাৰ অধীনত সমবায় সমূহে কিমান দিন ধৰি পৰিবহণ ব্যয় চৰকাৰৰ পৰা পোৱা নাই ? এই আঁচনিৰ বাবদ সমবায় সমূহে কিমান পৰিবহণ ব্যয় চৰকাৰৰ পৰা পাবলৈ আছে?

(জিলা ভিত্তিত তথ্য সদনত দিব)

(ঘ) ৰাজ্যৰ সমবায় সমিতি সমূহে ৰাইজক নিমখ যোগান ধৰেনে? যদি ধৰে, তেন্তে বিগত পাঁচটা বৰ্ষত পি ডি এচৰ কিমান নিমখ সমবায় সমূহে পাইছিল আৰু কিমান নিমখ সমবায় সমূহে বিতৰণ কৰিলে? যদি নকৰে, কিয় নকৰে?

(ঙ) সমবায় সমিতি সমূহে কি কি সামগ্রী কিমান দৰত ৰাইজক বিক্রী কৰে?

(চ) পি ডি এচৰ কি কি সামগ্রী কিমান পৰিমাণত সমবায় সমিতি সমূহে বিগত পাঁচ বছৰত লাভ কৰিছিল? প্রকৃততে কিমান পৰিমাণৰ সামগ্রী সমবায় সমূহে লাভ কৰিব লাগিছিল? সামগ্রী সমূহ কিয় কমকৈ পোৱা হৈছে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্রাপ্ত তথ্যমতে জনা যায় যে পি ডি এচৰ জৰিয়তে চাউল, চেনি, কেৰাচিন তেল, আটা, নিমখ ইত্যাদি

সামগ্রী সমবায় সমিতি সমূহৰ দ্বাৰা বিতৰণ কৰা হয়। সমবায় সমিতি সমূহক বৰ্তমান চৰকাৰে অন্তোদয়া অন্ন যোজনা আঁচনিৰ পৰিবহণ ব্যয়ৰ বাবদ ২৪,২২,৯৭,২৬৮.৯০ টকা আৰু মুখ্যমন্ত্রীৰ অন্নসুৰক্ষা যোজনা আঁচনিৰ পৰিবহণ ব্যয়ৰ বাবদ ৩,৮৮,৯৬,২৭৭.০০ টকা আদায় দিবলৈ বাকী আছে। বিত্ত বিভাগৰ অনুমোদন ক্রমে খাদ্য আৰু অসামৰিক যোগান বিভাগে এই টকা আদায় দিয়ে। চৰকাৰৰ পৰা যাৱতীয় ধনৰ অনুমোদন নোপোৱাৰ বাবে সমবায় সমূহক পৰিবহণ ব্যয় আদায় দিব পৰা হোৱা নাই। (জিলা মহকুমাৰ ভিত্তিত তালিকা সংলগ্ন 'ক' আৰু 'খ'ত দিয়া হ'ল। (See Annexure-XXI)

(খ) অসমত বৰ্তমান বিভিন্ন ধৰণৰ ৭৯৫০খন সমবায় সমিতি আছে। ইয়াৰে ৩৫৪১খন সমবায় সমিতি সক্রিয় আৰু ৪৪০৯খন নিস্ক্রিয় হৈ আছে। ইয়াৰে ৭৭৭খন গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতিৰ ভিতৰত ৫১০খন লাভত আৰু বাকী ২৬৭খন লোকচানত চলি আছে। (নিস্ক্রিয় হৈ থকা সমবায় সমূহলৈ অসম সমবায় আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত কাৰণ দর্শাই জাননী জাৰী কৰা হৈছে।)

(গ) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্রাপ্ত তথ্যমতে জনা যায় যে ৰাজ্যখনত বৰ্তমান মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনাৰ অধীনত ১৯,৭৩,৪২৫ টা পৰিয়ালক চাউল বিতৰণ কৰি থকা হৈছে।

এই আঁচনিৰ অধীনত আৰম্ভনীৰে পৰা (October, 2010) এতিয়ালৈকে কোনো পৰিবহণ ব্যয় আদায় দিয়া হোৱা নাই। বৰ্তমানলৈকে সকলো জিলা/মহকুমাৰ পৰা পৰিবহণ ব্যয়ৰ বিল পোৱা হোৱা নাই। যিসমূহ জিলা আৰু মহকুমাই পৰিবহণ ব্যয়ৰ বাবদ বিল দাখিল কৰিছে সেই তথ্যৰ ভিত্তিত বৰ্তমানলৈকে ৩,৮৮,৯৬.২৭৭.০০ টকা পৰিবহণ ব্যয়ৰ বাবদ আদায় দিবলৈ বাকী আছে। (জিলা/মহকুমাৰ ভিত্তিত তালিকা সংলগ্ন 'খ'ত দিয়া হ'ল।) (See Annexure-XXI)

(ঘ) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি নিম্নখকে আদি কৰি সকলো সামগ্ৰী জিলা উপায়ুক্ত আৰু মহকুমাধিপতিৰ নামত আৱন্টন দিয়া হয়। জনসংখ্যা অনুযায়ী উক্ত সামগ্ৰী সমূহ জিলা উপায়ুক্ত আৰু মহকুমাধিপতি সকলে সুলভ মূল্যৰ দোকান আৰু সমবায় সমিতিৰ নামত আৱণ্টন দিয়ে।

বিগত পাঁচ বছৰত আৱণ্টিত নিমখৰ পৰিমান সংলগ্ন 'ঘ'ত দিয়া হ'ল। (See Annexure-XXII)

সাধাৰণতে সমবায় সমিতি সমূহে নিমখ উত্তোলন নকৰে কাৰণ মুকলি বজাৰ আৰু পি ডি এচৰ নিমখৰ মূল্য প্ৰায় একে আৰু মুকলি বজাৰত বিভিন্ন ব্ৰেণ্ডৰ নিমখ পোৱা যায়। সেই গতিকে গ্ৰাহক সকলে মুকলি বজাৰৰ নিমখেৰে অগ্ৰাধিকাৰ দিয়ে।

(ঙ) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি পি ডি এচৰ যোগেদি যোগান ধৰা সামগ্ৰী সমূহৰ খুচৰা বিক্ৰী মূল্য তলত উল্লেখ কৰা হ'ল ঃ

১। এ. পি. এল চাউল	—	৯.৫০ টকাৰ পৰা ১৩.০০ টকা (প্ৰ. কি.)
২। বি. পি. এল চাউল	—	৬.৫০ টকাৰ পৰা ৭.০০ টকা (প্ৰ. কি.)
৩। এ এ ৱাই চাউল	—	৩.০০ টকা (প্ৰ. কি.)
৪। মুখ্যমন্ত্ৰীৰ অন্নসুৰক্ষা চাউল	—	৬.০০ টকাৰ পৰা ৭.০০ টকা (প্ৰ. কি.)
৫। চেনি	—	১৩.০০ টকা (প্ৰ. কি.)
৬। কেৰাচিন তেল	—	১৪.০০ টকাৰ পৰা ১৫.০০ টকা (প্ৰ. লি.)
৭। আটা	---	৮.০০ টকা (প্ৰ. কি.)

৮। নিমখ (পেকেট) — ৭.০০ টকা (প্র. কি.)

৯। নিমখ (খোলা) — ৬.২৫ টকা (প্র. কি.)

(চ) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা প্রাপ্ত তথ্য অনুসৰি পি ডি এচৰ সামগ্রী সমূহ জিলা আৰু মহকুমাধিপতিৰ নামত আৱণ্টন দিয়া হয়। বিগত পাঁচ বছৰত ভাৰত চৰকাৰৰ পৰা পোৱা সামগ্রী সমূহৰ আৱণ্টিত পৰিমাণৰ তালিকা সংলগ্ন 'ঙ'ত দিয়া হ'ল। (See Annexure-XXIII)

বর্তমান কেন্দ্রীয় চৰকাৰ পৰা প্রতিমাহে পাই থকা সামগ্রী সমূহ পৰিমান তলত উল্লেখ কৰা হ'ল ঃ

সামগ্রীৰ নাম	বর্ত্তমান আৱণ্টন (প্রতিমাহে)	প্রকৃততে প্রয়োজনীয় (প্রতিমাহে)
১। এ. পি এল চাউল	৩৮,২৪৮ মে.ট.	১,০২,৮৫০ মে.ট.
২। এডিচনেল এ. পি এল চাউল	২৫,৯০৭ মে.ট.	---
৩। এ. পি. এল ঘেঁহু	১৮,৬৯৭ মে.ট.	৪৬,১৩৭ মে.ট.
৪। এডিচনেল এ. পি এল ঘেঁহু	১৪,১৪৩ মে.ট.	---
৫। এ. এ. ওৱাই চাউল	২৪,৬৪১ মে.ট.	২৪,৬৪১ মে.ট.
৬। বি. পি এল চাউল	৩৯,৬০২ মে.ট.	৪২,০৭০ মে.ট.
৭। চেনি	১৮,৩৩৭ মে.ট.	২৪,০৮০ মে.ট.
৮। কেৰাচিন তেল	২৭,৩৪৪ মে.ট.	৫৬,১০৪ কি.লি.

কেন্দ্রীয় চৰকাৰৰ পৰা আৱণ্টন কম পোৱাৰ বাবে সামগ্রী সমূহ কমকৈ দিয়া হৈছে।

বিষয়ঃ মন্দিয়াত মিনি ষ্টেডিয়াম স্থাপন সম্পর্কে।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

২৯০। মাননীয় ক্রীড়া আৰু যুৱ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) D.O. letter No. 45/D-22(i)-3/2012-13 dtd. 13-05-2012 চিঠিযোগে স্থানীয় বিধায়কে বিভাগীয় মন্ত্রীক বাঘবৰ সমষ্টিৰ মন্দিয়াত আঁচনি যোগে এটি মিনি ষ্টেডিয়াম স্থাপন কৰিবলৈ প্রস্তাৱ দিয়া কথাষাৰ সত্যনে?

(খ) বিভাগীয় মন্ত্রীয়ে ক্রীড়া বিভাগৰ সঞ্চালকক উক্ত প্রস্তাৱৰ বাবে বিহিত ব্যৱস্থা গ্রহণ কৰিবলৈ নির্দেশ দিয়া কথাষাৰ সত্যনে?

(গ) যদি সত্য, ক্রীড়া বিভাগৰ সঞ্চালকে উক্ত প্রস্তাৱৰ ওপৰত বিহিত ব্যৱস্থা গ্রহণ কৰিছেনে?

(ঘ) যদি কৰিছে, কি ব্যৱস্থা গ্রহণ কৰিছে? উক্ত মিনি ষ্টেডিয়ামৰ বিস্তৃত প্রকল্প প্রস্তুত হ'লনে?

(ঙ) যদি কৰা নাই, বিভাগীয় মন্ত্রীয়ে নির্দেশ দিয়াৰ পিছতো ক্রীড়া সঞ্চালকে বিভাগীয় মন্ত্রীৰ নির্দেশ উলাই কৰাৰ কাৰণ কি?

(চ) এই ক্ষেত্রত বিভাগে বিহিত ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীঅজিত সিং (ক্রীড়া আৰু যুৱকল্যান বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ মন্দিয়াত NLCPR আঁচনিৰ অধীনত ইণ্ডোৰ আৰু সাঁতোৰ খেলৰ সুবিধা থকাকৈ এটি মিনি ষ্টেডিয়াম নির্মাণৰ বাবে বাঘবৰ সমষ্টিৰ মাননীয় বিধায়কৰ পৰা ১১/০৫/২০১২ তাৰিখে D.O.letter No. 45/D-22(i)-2/2012-13, dtd. ১১/০৫/২০১২ জৰিয়তে ক্রীড়া আৰু যুৱ কল্যান সঞ্চালকালয়ত পোনপটীয়াকৈ এটি

প্রস্তাৱ পোৱা হৈছিল। (প্রস্তাৱৱ প্রতিলিপি তালিকা-'১'ত সন্নিবিষ্ট কৰা হ'ল) (See Annexure-XXIV)

(খ) ওপৰৰ 'ক' প্রশ্নৰ উত্তৰত উল্লেখ কৰা মাননীয় বিধায়ক মহোদয়ৰ প্রস্তাৱৰ ওপৰত বিহিত ব্যৱস্থা গ্রহণ কৰি থকা হৈছে।

(গ) উক্ত প্রস্তাৱটো বাস্তবায়িত কৰাৰ কাৰণে প্রাথমিক কাম হিচাবে ৰৰপেটা জিলা ক্রীড়া বিষয়ালৈ NLCPR আঁচনিৰ অধীনত Concept Paper দিবলৈ নির্দেশ দিয়া হৈছিল। (চিঠিৰ প্রতিলিপি তালিকা '২'ত সন্নিবিষ্ট কৰা হ'ল।) (See Annexure-XXV)

উপযুক্ত মাটিৰ অভাৱত ৰৰপেটা জিলা ক্রীড়া বিষয়াই বিহিত ব্যৱস্থা ল'ব পৰা নাই আৰু গড়কাপ্টানী বিভাগৰ সহায়ত Concept Paper প্রস্তুত কৰিব পৰা নাই। (চিঠিৰ প্রতিলিপি তালিকা '৩' সন্নিবিষ্ট কৰা হ'ল) (See Annexure-XXVI)

মন্দিয়াত মিনি ষ্টেডিয়াম স্থাপনৰ বাবে উপযুক্ত মাটি আৱণ্টন দিবলৈ ৰৰপেটা জিলাৰ উপাযুক্তক অনুৰোধ জনোৱা হৈছে। (চিঠিৰ প্রতিলিপি তালিকা- '৪' সন্নিবিষ্ট কৰা হ'ল) (See Annexure-XXVII)

উল্লেখ কৰিব পাৰি যে Concept Paper পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ পৰা কেন্দ্রীয় চৰকাৰৰ DoNER মন্ত্রালয়লৈ পঠিওৱা হয় আৰু DoNER মন্ত্রালয়ে অনুমোদন দিয়াৰ পিছতহে গড়কাপ্টানী বিভাগৰ দ্বাৰা বিস্তৃত প্রকল্প প্রতিবেদন (Detailed Project Report) প্রস্তুত কৰাৰ কথা আহে।

(ঘ) প্রশ্নৰ উত্তৰ ওপৰৰ 'গ' ত দিয়া হৈছে।

(ঙ) ওপৰৰ 'ক' প্রশ্নৰ উত্তৰত উল্লেখ কৰা মাননীয় বিধায়ক মহোদয়ৰ প্রস্তাৱৰ ওপৰত বিহিত ব্যৱস্থা গ্রহণ কৰি থকা হৈছে।

(চ) প্রশ্নৰ উত্তৰ ওপৰৰ 'গ'-ত দিয়া হৈছে।

বিষয় ঃ ভূৰা ৰেচন কার্ড।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

২৮৬। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজহুৰা বিতৰণ বিভাগত অসমৰ সমবায় সমূহত মুঠ কিমান ভূৰা ৰেচন কার্ড আছে? সদনত জনাবনে?

(খ) চৰকাৰ জ্ঞাতনে যে এই ক্ষেত্রত অসমৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে এক তদন্ত কমিটি গঠন কৰিছিল?

(গ) যদি জ্ঞাত, তেন্তে উক্ত কমিটিৰ তদন্ত সম্পূর্ণ হ'লনে।

(ঘ) যদি হ'ল, তেন্তে সেই তদন্তৰ ৰিপোর্ট সদনত দাখিল কৰিবনে?

(ঙ) অসমৰ প্রতিখন সমবায় সমিতিৰ অন্তর্গত জনসংখ্যা বা গ্রাহকৰ সংখ্যা সঠিকভাৱে নিৰূপণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

(চ) যদি লৈছে, কেনেধৰণৰ ব্যৱস্থা লৈছে সদনত জনাবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমানলৈকে ২,৩৮,৩৪৪ খন ভূৰা/অযোগ্য পৰিয়াল পৰিচয় পত্র চিনাক্তকৰণ কৰা হৈছে আৰু নাকচৰ প্রক্রিয়া চলি আছে।

(খ) জ্ঞাত।

(গ) হোৱা নাই।

(ঘ) প্রতিবেদন পোৱাৰ পিছত দাখিল কৰা হ'ব।

(ঙ) লোৱা হৈছে।

(চ) মাননীয় উচ্চতম ন্যায়ালয়ৰ নির্দেশ ক্রমে ৰাজহুৰা বিতৰণ ব্যৱস্থা

computerisation কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু তাৰে অংশ হিচাপে সকলো ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ হিতাধিকাৰী পৰিয়ালক নিৰ্দিষ্ট আবেদন প্ৰ-প্ৰত্ৰৰ যোগে আবেদন দিয়াৰ বাবে ব্যৱস্থা লৈছে। আবেদন সমূহ পোৱাৰ পাচত পৰীক্ষা কৰি ভুৱা বা অযোগ্য ৰেচন কার্ড নাকচ কৰি সকলো পৰিয়ালকে ৰেচন কার্ড যোগান ধৰাৰ ব্যৱস্থা কৰা হৈ আছে।

বিষয় ঃ সামগ্ৰী যোগান।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

২৮৭। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত চৰকাৰে ২০১১-১২, ২০১২-১৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে কিমান চেনী, কেৰাচিন তেল, ঘেঁহু, চাউল আদি খাদ্যসামগ্ৰী অসমলৈ যোগান দিছিল, জনাবনে?

(প্ৰত্যেক মাহৰ বিপৰীতে যোগান ধৰা সামগ্ৰীৰ নাম, পৰিমান সহ বিতং তথ্য দিব।)

(খ) উল্লেখিত বৰ্ষ কেইটাত কোন জিলাত কি কি সামগ্ৰী যোগান ধৰা হৈছিল? (জিলাৰ নাম, সামগ্ৰীৰ নাম, পৰিমাণ সহ বিতং তথ্য দিব)

(গ) লখিমপুৰ জিলাত উল্লেখিত বৰ্ষকেইটাত সামগ্ৰী সমূহ কোন কোন সমবায় নামত আৱণ্টন দিয়া হৈছিল?

(সমবায়ৰ নাম, ঠিকনা সহ কি কি সামগ্ৰী আৱণ্টন দিয়া হৈছিল তাৰ বিতং তথ্য দিব।)

(ঘ) লখিমপুৰ জিলাত কেৰাচিন সমূহ কাৰ জৰিয়তে হিতাধিকাৰীক যোগান ধৰা হয় আৰু প্ৰতি পৰিয়ালক কিমান পৰিমাণৰ কেৰাচিন যোগান ধৰা হয়?

(যোগানকাৰী সকলৰ নাম আৰু ঠিকনা সহ বিতং তথ্য দিব)

(ঙ) এটা পৰিয়ালৰ প্ৰত্যেক সদস্যৰ নামত প্ৰতিমাহে কিমানকৈ চেনী যোগান ধৰা হয়?

(চ) লখিমপুৰ জিলাত কোন কোন মাহত এই চেনী যোগান ধৰা হোৱা নাই আৰু যোগান নধৰা চেনী সমূহ কি কৰিলে, জনাবনে?

(মাহ অনুযায়ী বিতং তথ্য দিব)

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ভাৰত চৰকাৰে ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে অসমলৈ আৱণ্টন দিয়া সামগ্ৰী সমূহৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

২০১১-১২ বৰ্ষ

সামগ্ৰীৰ নাম		আৱণ্টন দিয়া সামগ্ৰীৰ পৰিমাণ
চাউল	-	১৮,৯৫,৯৯৫ মেঃটন
ঘেঁহু	-	৪,৪৪,২২৮ মেঃটন
চেনী	-	২২,৪৫,৬৬৭ মেঃটন
কেৰাচিন	-	৩,৩০,৭০৭ কিঃলি
নিমখ	-	৫,৭২,২৬৪ বেগ

২০১২-১৩ বৰ্ষ

চাউল	-	১৬,৫৯,৮৪৩ মেঃটন
ঘেঁহু	-	৩,৯৪,০৮০ মেঃটন
চেনী	-	২২,৩৮,৫৬১ মেঃটন

কেৰাচিন - ৩,২৮,১৫২ কিঃলি

নিমখ - ৫,৯৩৯ মেঃটন (Zone-C)

প্রত্যেক মাহৰ বিপৰীতে ভাৰত চৰকাৰে উক্ত বর্ষ দুটাত অসমলৈ যোগান ধৰা সামগ্রীৰ নাম আৰু পৰিমাণৰ বিতং তথ্য সংলগ্ন 'ক'ত সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) খাদ্য অসামৰিক যোগান আৰু গ্রাহক পৰিক্রমা বিভাগৰ অধীনত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে অসমৰ প্রতিখন জিলালৈ ২০১১-১২ আৰু ২০১২-১৩ বর্ষত যোগান ধৰা সামগ্রীৰ নাম আৰু পৰিমাণ সংলগ্ন 'খ'ত সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) লখিমপুৰ জিলাত উল্লেখিত বর্ষ কেইটাত চাউল (এ পি এল, বি, পি এল, এ, এ, ৰাই, মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনা), চেনী, আটা, কেৰাচিন তেল আৰণ্টন দিয়া সমবায় সমূহৰ নাম আৰু ঠিকনাৰ লগতে সামগ্রী সমূহৰ নাম আৰু পৰিমাণ সংলগ্ন 'গ'ত সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) সমবায় এজেণ্টৰ দ্বাৰা সুলভ মূল্যৰ দোকানী, খুচুৰা বিক্রেতা আৰু হোকাৰৰ দ্বাৰা কেৰাচিন তেল বিতৰণ কৰা হৈছে।

আৰণ্টনৰ ওপৰত ভিত্তি কৰি বিজুলীবাতি থকা ঠাইত প্রতি পৰিয়ালক ৪ লিটাৰ আৰু বিজুলীবাতি নথকা ঠাইত প্রতি পৰিয়ালক ৫ লিটাৰকৈ কেৰাচিন যোগান ধৰা হয়। (যাৰতীয় তথ্য সংলগ্ন 'ঘ' ত সদনৰ মেজত দাখিল কৰা হ'ল।)

(ঙ) আৰণ্টনৰ ওপৰত নির্ভৰ কৰি প্রতি মাহে ৪২০ গ্রামৰ পৰা ৬০৬ গ্রাম প্রতি জনমূৰি হিচাপত চেনী আৰণ্টন দিয়া হৈছে।

(চ) প্রতি মাহতে চেনী যোগান ধৰা হৈ আছে।

বিষয় ঃ দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোক।

শ্ৰীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

২৮৮। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ দৰিদ্ৰ যি সকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ অথবা দুখীয়া পৰিয়াললৈ অন্তোদয়া, অন্নপূৰ্ণা আৰু মুখ্যমন্ত্ৰী অন্ন সুৰক্ষা আঁচনিৰ কার্ডৰ জৰিয়তে ৰেহাই মূল্যৰ চাউলৰ যোগান ধৰি আহিছে, সেই সকল পৰিয়ালত যাৰ ঘৰত চৰকাৰী চাকৰি বা আন সুবিধাৰে দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উন্নীত হৈছে তেনে লোকৰ পৰা কার্ড সমূহ কৰ্ত্তন কৰা হৈছেনে?

(খ) যদি কৰা নাই, শীঘ্ৰেই সেই কার্ড সমূহ কৰ্ত্তন কৰি আন দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক সেই সুবিধা দি উপকৃত কৰিবনে?

(গ) দৰং জিলাত বিগত ছয় (৬) বছৰত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উন্নীত হোৱা পৰিয়ালৰ সংখ্যা কিমান?

(সমষ্টি ভিত্তিত ইয়াৰ পৰিসংখ্যা দাঙি ধৰিব।)

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কর্তন কৰা হৈ আছে।

(খ) অন্য উপযুক্ত পৰিয়ালক দি থকা হৈছে।

(গ) এনেধৰণৰ সমীক্ষা যোগান বিভাগে নকৰে। কিন্তু ২৯ খন বি পি এল কার্ড আৰু ১৯ খন অন্তোদয়া কার্ড কর্তন কৰা হৈছে আৰু সেই সকলৰ ঠাইত অন্য দুখীয়া পৰিয়ালক কর্তন হোৱা কার্ডখিনি বিতৰণ কৰা হৈছে।

বিষয় ঃ উদ্যোগিক এলেকা ঘোষণা।

শ্রীযাদৱ চন্দ্রই সুধিছে ঃ

২৮৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ কৃষি ভূমি ক্রয় কৰি উদ্যোগ স্থাপন কৰাৰ ফলত কৃষি এলেকাত দেখা দিয়া বিভিন্ন সমস্যা ৰোধ কৰিবলৈ চৰকাৰে প্রতিখন জিলাত সুকীয়াকৈ উদ্যোগিক এলেকা হিচাপে ঘোষণা কৰি উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰিবনে?

(খ) যদি কৰে, কেতিয়াৰ পৰা কৰিব?

(গ) যদি নকৰে, নকৰাৰ কাৰণবোৰ জনাবনে?

(ঘ) ৰাজ্যখনৰ বিভিন্ন ঠাইত উদ্যোগীসকলে নাগৰিকৰ সমস্যাৰ কথা চিন্তা নকৰি ব্যক্তিগত স্বাৰ্থত জলাশয় বিলাক পুতি পেলোৱৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঙ) চৰকাৰে নাগৰিকৰ সুস্থ জীৱন ধাৰণৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ উদ্যোগিক এলেকা ঘোষণা আৰু জলাশয় পোতা কাম দুটাৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উদ্যোগ আৰু বাণিজ্য বিভাগে ইতিমধ্যে প্রায় জিলাতেই উদ্যোগ পাম, ঔদ্যোগীক আন্তঃগাঠনি বিকাশ কেন্দ্র আৰু বাণিজ্যিক পাম স্থাপনৰ জৰিয়তে উদ্যোগ স্থাপন আৰু উন্নয়নৰ বাবে সুকীয়া এলেকা চিহ্নিত কৰিছে। ব্যক্তিগত খণ্ডৰ উদ্যোগ স্থাপনৰ উদ্দেশ্যে কৰা কৃষিভূমিৰ শ্রেণী পৰিৱর্তনৰ বিষয়টো ৰাজহ বিভাগে সকলো দিশ পর্যালোচনা কৰি সিদ্ধান্ত লয়।

(খ) প্রশ্নোত্তৰ 'ক'ত উল্লেখ কৰাৰ দৰে সুকীয়া ঔদ্যোগিক এলেকা স্থাপন কৰাৰ ব্যৱস্থা ইতিমধ্যে লৈ থকা হৈছে।

(গ) প্রশ্ন নুঠে।

(ঘ) এই সম্পর্কে নির্দিষ্ট তথ্য উদ্যোগ আৰু বাণিজ্য বিভাগৰ হাতত নাই। এই বিষয়টো ৰাজহ বিভাগৰ লগতহে জড়িত।

(ঙ) প্রয়োজনীয় আন্তঃগাঠনি ও উন্নয়নৰ সা-সুবিধা থকা উদ্যোগ ক্ষেত্র/ঔদ্যোগিক অঞ্চল স্থাপন কৰাৰ বাবে উদ্যোগ বিভাগে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্রহণ কৰি আছে। অসম চৰকাৰে ইতিমধ্যে জলাশয় পুতি পেলোৱা কার্য্যৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণ কৰিছে।

বিষয় ঃ সংখ্যালঘু ছাত্রবৃত্তি।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৯১। মাননীয় সংখ্যালঘু কল্যান আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিগত ৫ বছৰত সংখ্যালঘু ছাত্র বৃত্তিৰ বাবে চৰকাৰে কিমান পুঁজি আৱণ্টন দিছে?

(খ) উক্ত আৱণ্টিত পুঁজিৰে কিমান সংখ্যক ছাত্র-ছাত্রীক সংখ্যালঘু ছাত্র বৃত্তি প্রদান কৰা হৈছে? (ছাত্র-ছাত্রীৰ নাম ঠিকনা আৰু বিদ্যালয়ৰ নামৰ সৈতে বিত্তীয় বর্ষ অনুযায়ী জিলাভিত্তিক তালিকা সদনত দাখিল কৰিব)

(গ) এই ছাত্র বৃত্তি প্রতিটো বিত্তীয় বর্ষত নিয়মিত ভাৱে প্রদান কৰি থকা হৈছেনে?

(ঘ) যদি নিয়মিত ভাৱে হৈ থকা নাই, কি কাৰণত হোৱা নাই।

(ঙ) বৰপেটা জিলাৰ হাউলী হাইস্কুলত সংখ্যালঘু ছাত্র-ছাত্রীয়ে নিয়মিত ভাৱে ছাত্র বৃত্তি লাভ নকৰা বিষয় সন্দর্ভত চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, কি কাৰণত কিমান বছৰ ধৰি এই ছাত্র-ছাত্রী সকলক সংখ্যালঘু ছাত্র বৃত্তিৰ পৰা বঞ্চিত কৰা হৈছে?

(ছ) ৰাজ্যখনত হাউলী হাইস্কুলৰ দৰে তেনেকুৱা সংখ্যালঘু ছাত্র বৃত্তি নোপোৱা বিদ্যালয় আৰু আছেনে?

(জ) যদি আছে, বিদ্যালয় সমূহৰ নাম, ঠিকনা জিলা ভিত্তিক সদনত দাখিল কৰিব?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যান আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত ৫ বছৰত সংখ্যালঘু ছাত্র বৃত্তিৰ বাবে চৰকাৰে তলত উল্লেখ কৰা ধৰণে পুঁজি আৱণ্টন দিছে ঃ

১। প্রি-মেট্রিক স্কলাৰশ্বিপত - ৫২,৩৮,৩৬,৯৫৮.০০ টকা,

২। পোষ্ট-মেট্রিক স্কলাৰশ্বিপত - ১৯,৭২,১১,৭২৬.০০ টকা আৰু

৩। মেৰিট- কাম-মিনচ্ স্কলাৰশ্বিপত- ২১,৪৪,১৫,১৫৭.০০ টকা।

(খ) উক্ত আৱণ্টিত পুঁজিৰে তলত উল্লেখ কৰা সংখ্যাৰ ছাত্র-ছাত্রীক বৃত্তি প্রদান কৰা হৈছে ঃ

১। প্রি-মেট্রিক স্কলাৰশ্বিপত - ২,১১,৭৯৪ জন,

২। পোষ্ট-মেট্রিক স্কলাৰশ্বিপত - ২৯,০৪৮ জন আৰু

৩। মেৰিট- কাম-মিনচ্ স্কলাৰশ্বিপত - ৭,৫০৮ জন।

(সংশ্লিষ্ট কত্তৃপক্ষৰ পৰা ছাত্র-ছাত্রীৰ তালিকা বিচৰা হৈছে)

(গ) হয়, ছাত্র বৃত্তি প্রতিটো বিত্তীয় বর্ষত নিয়মিত ভাৱে প্রদান কৰি থকা হৈছে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) বৰপেটা জিলাৰ হাউলী হাইস্কুলত সংখ্যালঘু ছাত্র-ছাত্রীয়ে বৃত্তি লাভ নকৰাৰ সন্দর্ভত চৰকাৰ অৱগত নহয়। ২০১১-১২ বর্ষত উক্ত বিদ্যালয়ৰ

৫৯ জন ছাত্র-ছাত্রীয়ে প্রি-মেট্রিক বৃত্তি লাভ কৰিছেঁ। তালিকা পৰিশিষ্টক' ত গাঠি দিয়া হ'ল।

(চ) প্রশ্ন নুঠে।

(ছ) বৰ্তমানলৈকে তেনে ধৰণৰ কোনো আপত্তি বিভাগে পোৱা নাই।

(জ) প্রশ্ন নুঠে।

বিষয় ঃ **Vigilance and Monitoring Committee**

শ্রীআমিনুল ইছলামে সুধিছে ঃ

২৯২। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঁ ঃ

(ক) ধিং সমষ্টিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ তদাৰকী কৰিবলৈ Vigilance and Monitoring Committee গঠন কৰা হৈছেনে?

(খ) যদি হৈছে, তেনেহ'লে ইয়াৰ সদস্যসকলৰ নাম কি?

(গ) যদি হোৱা নাই, কিয় আৰু কেতিয়া গঠন কৰা হ'ব?

(ঘ) Vigilance and Monitoring Committeeৰ বৈঠক কিমান দিনৰ মূৰে মূৰে বহাটো নিয়ম?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ জিলাৰ ধিং সমষ্টিৰ সমষ্টি ভিত্তিক তদাৰক আৰু পৰ্য্যালোচনা কমিটি, নগাওঁ জিলাৰ উপায়ুক্ত মহোদয়ৰ অধিসূচনা নং- এন, এছ, জি, ৪০/২০১১/৩০, তাং ০৪/০২/২০১২ যোগে ধিং সমষ্টিৰ মাননীয় বিধায়ক মহোদয়ৰ নেতৃত্বত গঠন কৰা হৈছে। উক্ত অধিসূচনাৰ প্রতিলিপি সংলগ্ন 'ক'ত দিয়া হ'ল। (See Annexure-XXIX)

(খ) সদস্য সকলৰ নাম তালিকা সংলগ্ন খ'ত দিয়া হ'ল

(See Annexure-XXX)

(গ) প্রশ্নই নুঠে।

(ঘ) বিভাগীয় গাইডলাইন অনুযায়ী তদাৰক আৰু পর্য্যালোচনা কমিটিৰ বৈঠক প্রতি দুই মাহৰ মূৰে মূৰে বহাৰ নিয়ম প্রচলিত হৈ আছে।

বিষয় ঃ গাঁও পঞ্চায়ত ভিত্তিত সমবায় স্থাপন।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

২৯৩। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১২-১৩ বিত্তীয় বর্ষত বাঘবৰ সমষ্টিত মুঠতে কিমানখন গাঁও পঞ্চায়ত ভিত্তিত সমবায় সমিতি স্থাপনৰ বাবে অনুমোদন জনেৰা হৈছে?

(প্রতিটো সমবায় সমিতিৰ নাম আৰু ইয়াৰ কার্য্যকৰী সমিতিৰ বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) উক্ত সমবায় সমিতি সমূহৰ কার্য্যকৰী সমিতি কি নিয়মৰ আধাৰত গঠন কৰা হৈছে?

(নিয়মৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত সমবায় সমিতি সমূহ গঠন কৰোতে স্থানীয় বিধায়ক সম্পূর্ণৰূপে উপেক্ষা কৰাৰ কাৰণ কি?

(ঘ) ইয়াৰ বাবে কোন দায়ী আৰু এই ক্ষেত্রত উপযুক্ত তদন্ত সাপেক্ষে বিহিত ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১২-১৩ বিত্তীয় বর্ষত বাঘবৰ সমষ্টিত মুঠ ১২খন গাঁও পঞ্চায়ত পর্য্যায়িৰ সমবায় সমিতি গঠন কৰা হৈছে। গাঁও পঞ্চায়ত ভিত্তিত নতুনকৈ

গঠন কৰা গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতি সমূহৰ নাম আৰু ইয়াৰ কার্য্যকৰী সমিতিৰ তালিকা পৰিশিষ্ট 'ক' সদনত দাখিল কৰা হ'ল। (See Annexure-XXXI)

(খ) বাঘৰৰ সমষ্টিত গাঁও পঞ্চায়ত ভিত্তিত নতুনকৈ পঞ্জীয়নভুক্ত হোৱা গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতি সমূহৰ কার্য্যকৰী সমিতি অসম সমবায় সমিতি আইন, ২০০৭ ৰ ধাৰা ৩৫ (১) আৰু ৩৫ (২) মতে গঠন কৰা হৈছে।

আইনৰ সংশ্লিষ্ট ধাৰাৰ প্ৰতিলিপি পৰিশিষ্ট 'খ' সদনত দাখিল কৰা হ'ল। (See Annexure-XXXII)

(গ) সমবায় সমিতি সমূহ অংশীদাৰ সকলৰ দ্বাৰা গঠিত, স্ব-শাসিত, গণতান্ত্রিক অনুষ্ঠান। ইয়াত বিধায়ক সকলক উপেক্ষা কৰাৰ কোনো কাৰণ থাকিব নোৱাৰে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনি।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

২৯৪। মাননীয় শক্তি (বিদুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত ধিং সমষ্টিত এতিয়ালৈকে কোন কোন গাঁৱত কিমান দৈর্ঘ্যৰ বিদ্যুৎ লাইনৰ সংযোগ দিয়া হৈছে?

(খ) কোন কোন গাঁৱত বৈদ্যুতিকৰণ কৰিবলৈ এতিয়াও বাকী আছে? (প্রতিটো চুবুৰীক অর্ন্তভূক্ত কৰি)

(গ) চলিত বছৰত কোন কোন গাঁৱত কিমান দৈর্ঘ্যৰ বিদ্যুৎ সংযোগ প্রদান কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু কোন কোন ঠাইত নতুন ট্রেন্সফর্মাৰ যোগান ধৰাৰ প্রস্তাৱ আছে?

(ঘ) ধিং সমষ্টিৰ প্ৰস্তাৱিত জনবসতি বিদ্যুৎ যোগান ধৰিবলৈ আৰু কিমান দিনৰ প্ৰয়োজন হ'ব?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধিং সমষ্টিৰ সম্পূৰ্ণ গাঁৱৰ তালিকা আৰু লাইনৰ দৈর্ঘ্য সংলগ্ন 'ক'ত দিয়া হৈছে। (See Annexure-XXXIII)

(খ) সংলগ্ন 'ক'ত দিয়া তালিকাৰ ক্ৰমিক নং 65,66,67 & 68 ৰ গাঁৱত এতিয়াও কাম কৰিবলৈ বাকী আছে। বৈদ্যুতিকৰণ কৰাৰ পিছতো বৈ যোৱা অংশ বা বাকী থকা চুবুৰীৰ তালিকা সংলগ্ন 'খ'ত দিয়া হৈছে। (See Annexure-XXXIV) এই কাম একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত সামৰি লোৱা হৈছে অতিৰিক্ত ভাৱে। বাকী বৈ যোৱা চুবুৰীসমূহ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত সামৰি লোৱা হ'ব আৰু ইতিমধ্যে প্ৰাথমিক জৰীপৰ কাম আৰম্ভ হৈছে।

(গ) ধিং ৰাজহ চক্ৰৰ অধীনৰ অতিৰিক্ত কামৰ দৈর্ঘ্য, ট্ৰেন্সফৰ্মাৰ আৰু গাঁৱৰ তালিকা ওপৰোক্ত সংলগ্ন 'খ'ত দিয়া হৈছে। (See Annexure-XXXIV)

(ঘ) দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত অতিৰিক্ত কামৰ প্ৰকল্প প্ৰতিবেদন অনুমোদন দিয়াৰ পাচতহে ৰূপায়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

বিষয় ঃ প্ৰধানমন্ত্ৰীৰ ১৫-দফীয়া কাৰ্য্যসূচী।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

২৯৫। মাননীয় সংখ্যালঘু কল্যান ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া কাৰ্য্যসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে কিমান টকাৰ আৱণ্টন দিছিল? ৰাজ্য চৰকাৰে নিজৰ অংশ হিচাপে কিমান মোকলাই

দিছিল ?

(খ) উক্ত টকাৰে কি কি কাম কৰা হ'ল ? (বিভাগ, জিলা আৰু ব্লকভিত্তিত পৃথক তালিকা খৰচৰ পৰিমান সহ দিব)

(গ) সংখ্যালঘু কল্যানৰ বাবে আগন্তুক বিত্তীয় বছৰত প্ৰধান মন্ত্ৰীৰ ১৫ দফীয়া আঁচনিৰ অধীনত অগ্ৰাধিকাৰ ভিত্তিক কি কি কাম কৰাৰ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে ?

(ঘ) চৰ অঞ্চলৰ লোকৰ যাতায়ত, শিক্ষা, স্বাস্থ্য, কৃষি, বৈদ্যুতিকৰণ আৰু পৰিবহণৰ উন্নয়নৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

ডাঃ নজৰুল ইছলামে (সংখ্যালঘু কল্যান ও উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰধানমন্ত্ৰীৰ ১৫ দফীয়া কাৰ্য্যসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু কল্যান ও উন্নয়ন বিভাগক কোনো ধন বিশেষভাৱে (Specifically) আৱণ্টন দিয়া নাই।

কিন্তু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদানৰ Pre-Matric, Post Matric আৰু Merit-cum-Means আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ২০০৭-০৮ বৰ্ষৰ পৰা ২০১১-১২ বৰ্ষলৈকে মুঠ ৯৩,৫৪,৬৩,৮৪১.০০ টকা ২,৪৮,৩৫০ জন ছাত্ৰ-ছাত্ৰীৰ বাবে মোকলাই দিছে।

(খ) ওপৰৰ 'ক' ত দিয়া হৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰধান মন্ত্ৰীৰ ১৫ দফীয়া কাৰ্য্যসূচীৰ অধীনত চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ত যাতায়ত, শিক্ষা, স্বাস্থ্য, কৃষি, বৈদ্যুতিকৰণ আৰু পৰিবহন উন্নয়নৰ বাবে কোনো আঁচনি গ্ৰহণ কৰা নাই।

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকলৰ পৰা সৰ্বমুঠ ৩ খন শূন্যকালীন ঘণ্টাৰ জাননী প্ৰাপ্তি হৈছে। ১। শ্ৰীঅঞ্জন দত্ত, ২। শ্ৰীআমিনুল ইছলাম, ৩। শ্ৰীকেশৱ মহন্ত। জাননী সমূহৰ পৰা নিয়মানুসৰী মই ৩ খন শূন্যকালীন ঘণ্টাৰ জাননী উৎথাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলো।

এতিয়া, মই মাননীয় সদস্য, শ্ৰীঅঞ্জন দত্তক ইং ১৩ মাৰ্চ, ২০১৩ তাৰিখৰ "আজিৰ দৈনিক বাতৰি" কাকতত প্ৰকাশিত "বিষয়াৰ গাফিলতিত বৰ্ধিত পেঞ্চনৰ পৰা বঞ্চিত ৪৯৫ শিল্পী" শীৰ্ষক বিষয়টো উৎথাপন কৰিবলৈ অনুৰোধ জনালোঁ।

শ্ৰীঅঞ্জন দত্ত ঃ মাননীয় অসম বিধান সভাৰ অধ্যক্ষ মহোদয়, সদনৰ এই শূন্যকালীন ঘণ্টাত, যোৱা১৩ মাৰ্চ, ২০১৩ তাৰিখে "আজিৰ দৈনিক বাতৰি" কাকতত প্ৰকাশিত "বিষয়াৰ গাফিলতিত বৰ্ধিত পেঞ্চনৰ পৰা বঞ্চিত ৪৯৫ শিল্পী" শীৰ্ষক বাতৰিটোৰ প্ৰতি আপোনাৰ জৰিয়তে মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ১৯৮৭ ৰ পৰা ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ৬০ ৰ উৰ্দ্ধৰ যোগ্য শিল্পীসকলক শিল্পী পেঞ্চন দি আহিছে। বৰ্তমানলৈ শিল্পী পেঞ্চন লাভ কৰা অসমৰ মুঠ শিল্পীৰ সংখ্যা হ'ল ৫১৪ জন। প্ৰথম অৱস্থাত চৰকাৰে শিল্পীসকললৈ ৬০০ টকাকৈ আগবঢ়াইছিল। পৰৱৰ্তী সময়ত এই হাৰ বৃদ্ধি কৰি ১,০০০ টকা, তাৰ পিছত ১,৫০০ টকা আৰু তাৰ পিছত ২,০০০ টকা কৰিছিল। এজন শিল্পীৰ বাবে আজিৰ দিনটোত ২,০০০ টকা একেবাৰে নূন্যতম হোৱা বুলি দীৰ্ঘদিন ধৰি শিল্পীসকলে বিভাগক দাবী জনাই অহাত বিভাগে উক্ত ধনৰ পৰিমান ২,০০০ টকাৰ পৰা ৪,০০০ টকালৈ বৃদ্ধি কৰে। পিছে এইখিনিতে প্ৰশ্ন হয় শিল্পী পেঞ্চন লাভ কৰা সকলো শিল্পীয়ে এই বৰ্ধিত হাৰত পেঞ্চন লাভ কৰিছেনে? ২০১২ চনৰ ২৭ নবেম্বৰত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ প্ৰধান সচিব, কুমাৰ সঞ্জই কৃষ্ণই চি এ ডি-৬৬/২০০৪/পি

টি.III/ ৩১ নং চিঠিৰ জৰিয়তে শিল্পী পেঞ্চনাৰ সকলক ২০১১ চনৰ ১ ছেপ্তেম্বৰৰ পৰা কার্যকৰী হোৱাকৈ পেঞ্চনৰ ধন ২,০০০ টকাৰ পৰা ৪,০০০ টকালৈ বৃদ্ধিৰ নির্দেশ দিয়ে। একাংশ শিল্পী পেঞ্চনাৰৈ অভিযোগ কৰা মতে সাংস্কৃতিক পৰিক্রমা বিভাগৰ গাফিলতিৰ বাবেই মূখ্য সচিবে জাৰি কৰা নির্দেশৰ পিছতো শিল্পীসকলে ২০১১ চনৰ ১ ছেপ্তেম্বৰৰ পৰা ৪,০০০ টকাকৈ পেঞ্চন লাভ কৰাৰ সলনি ২০১২ চনৰ জুন মাহৰ পৰাহে উক্তধন লাভ কৰিছে। অৱশ্যে ২০১২ চনত বিভাগে শিল্পী পেঞ্চন প্রদান কৰা ১৯ গৰাকী শিল্পীয়ে ৪,০০০ টকাকৈয়ে লাভ কৰিছে। আমোলা বিষয়াৰ অৱজ্ঞাৰ বাবেই চৰকাৰে আগবঢ়োৱা বর্ধিত পেঞ্চনৰ ধন লাভৰ পৰা বঞ্চিত হয় ৰাজ্যৰ ৪৯৫ জন বর্ষীয়ান শিল্পী। প্রশ্ন হয় বিভাগে ২০১১ চনৰ ১ ছেপ্তেম্বৰৰ পৰা কার্যকৰী কৰা উক্ত নির্দেশাৱলী পালন নকৰি কিয় ২০১২ চনৰ ২৬ জুনৰ পৰাহে কার্যকৰী কৰা হ'ল ? কিয় ৰাজ্যৰ মুঠ ৫১৪ গৰাকী শিল্পী পেন্সনাৰৰ ভিতৰৰ ৪৯৫ গৰাকী শিল্পী পেঞ্চনাৰক দহ মাহৰ বর্ধিত ধন আঁদায় দিয়া নহ'ল ? বর্তমান বছৰি ২০ গৰাকী যোগ্য শিল্পীলৈ শিল্পী পেঞ্চন প্রদান কৰা হয়। আমাৰ বোধেৰে সাংস্কৃতিকভাৱে চহকী অসমৰ দৰে এখন ৰাজ্যত এই সংখ্যা মুঠেও সন্তোষজনক নহয়। কিয়নো অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ শিল্পী আছে। ইয়াৰে বহুসংখ্যক প্রচাৰবিমূখ। গাঁৱে-ভূঞে সিঁচৰিত হৈ থকা এই প্রতিভাৱান শিল্পী সকলে গুৱাহাটীলৈ আহি শিল্পী পেঞ্চনৰ বাবে আবেদন-নিবেদন কৰাটো একপ্রকাৰ অসম্ভৱৰ দৰে। এনে পৰিপ্রেক্ষিততে পেঞ্চনৰ বাবে শিল্পী নির্বাচনৰ ক্ষেত্রত নির্বাচন কমিটি বিশেষ সচেতন হোৱা দৰকাৰ। নানা জাতি-জনগোষ্ঠীৰ মিলনভূমি, ৰাৰেৱহনীয়া সংস্কৃতিৰ ভঁৰাল অসমৰ পৰা বছৰি মাত্র ১৯-২০ গৰাকী শিল্পীকহে পেঞ্চনৰ বাবে নির্বাচন কৰিলে বহু প্রতিভাৱান শিল্পী বাদ পৰি যোৱাৰ সম্ভাৱনাই অধিক। সেয়ে এই সংখ্যা ৪০-৫০ গৰাকীলৈ বৃদ্ধি কৰাৰ বাবে মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালো। নির্বাচন কমিটিয়ে শিল্পী নির্বাচন কৰোতে পাবলগীয়াজনেও নোপোৱা আৰু নাপাবলগীয়া জনেও পোৱাৰ অভিযোগ

পুৰণি। এনে অভিযোগৰ পৰা মুক্ত হোৱা আৰু নিৰ্বাচন প্ৰক্ৰিয়াটো স্বচ্ছ তথা নিকা কৰাৰ স্বাৰ্থতে মহকুমা আৰু জিলা ভিত্তিত শিল্পী পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিনে? এনে কৰিলে যোগ্য শিল্পীসকল বাদ পৰি যোৱাৰ সম্ভাৱনা কম। এই দিশটোও গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। সেইদৰেই সাহিত্যিক পেঞ্চনৰ ক্ষেত্ৰতো ২০ গৰাকীৰ পৰা ৪০-৫০ গৰাকীলৈ বৃদ্ধি কৰাৰ প্ৰয়োজন আছে বুলি আমি অনুভৱ কৰো। আশা কৰিছো, এই দিশটোও চৰকাৰে গুৰুত্ব সহকাৰে ল'ব। শেষত, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে পুনৰবাৰ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি ক'বলৈ বিচাৰিছো যে আমোলা-বিষয়াৰ অৱজ্ঞাৰ বাবেই চৰকাৰে আগবঢ়োৱা বৰ্ধিত পেঞ্চনৰ ধন লাভৰ পৰা ৰাজ্যৰ যি ৪৯৫জন বৰ্ষীয়ান শিল্পী বঞ্চিত হ'বলগীয়া হৈছে, তেওঁলোকক যেন অনতিপলমে প্ৰাপ্য ধনখিনি দিয়াৰ ব্যৱস্থা কৰা হয়। ইয়াকে কৈ আমাৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক শ্ৰীঅঞ্জন দত্ত ডাঙৰীয়াই আজি এটা গুৰুত্বপূৰ্ণ বিষয় উৎথাপন কৰিছে। এই সম্পৰ্কত মই ক'ব বিচাৰিছো যে বাতৰি কাকতত প্ৰকাশিত অভিযোগটো ভিত্তিহীন। কিয়নো শিল্পী পেঞ্চন মহাগণনিকৰ জৰিয়তে দিয়া হয় আৰু পেঞ্চনৰ সকলো কৰিবলগীয়া কাম কাজ, মহাগণনিকৰ কাৰ্য্যালয়ৰ পৰা কৰা হয়। আৰু যি কোষাগাৰৰ পৰা পেঞ্চনাৰজনে পেঞ্চন মোকলাই, সেই কোষাগাৰক প্ৰয়োজনীয় নিৰ্দেশ দিয়ে। তেনে নিৰ্দেশৰ প্ৰতিলিপিহে সাংস্কৃতিক পৰিক্ৰমা বিভাগলৈ পঠোৱা হয়। বৰ্ত্তমান কোন কোন শিল্পীয়ে পেঞ্চন নিয়মীয়াকৈ কোষাগাৰৰ পৰা লৈ আছে, সেই তথ্য কেৱল মহাগণনিক তথা সংশ্লিষ্ট কোষাগাৰেহে জানে। বাতৰিত উল্লেখ কৰা মতে, শিল্পী পেঞ্চনৰ নিৰিখ আৰু প্ৰযোজ্য তাৰিখটোহে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আওতাত পৰে আৰু সেইমতে শেহতীয়া নিৰ্দেশনা চি এ ডি ৬৬/২০০৪/পার্ট III/৩১ ২৭-১১-২০১৩ তাৰিখে প্ৰধান সচিবে জাৰি কৰিছিল আৰু মহাগণনিকক

অনুৰোধ কৰিছিল যাতে শিল্পী পেঞ্চন পোৱা সকলক সেই নিৰিখত, সেই তাৰিখৰ পৰা নতুন হাৰত, নতুন পি পি ও ইচ্ছু কৰে। মহাগাণনিকে ইতিমধ্যে বৰ্দ্ধিত হাৰত ১ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হোৱাকৈ প্ৰেৰণ কৰা নতুন আদেশৰ প্ৰতিলিপি আমাৰ হাতত পৰিছেহি। এই নতুন নিৰিখৰ পেঞ্চন নোপোৱা শিল্পীসকলক মহাগাণনিকৰ কাৰ্য্যালয়ৰ লগত যোগাযোগ কৰিবলৈ তেখেত সকলক আৰু তেখেত সকলৰ প্ৰতিনিধিৰ জৰিয়তে সময়ে সময়ে অনুৰোধ কৰা হৈছে।

মাননীয় সদস্যজনে আৰু এটা জৰুৰী কথা কৈছে যে আমাৰ অসম ৰাজ্যখন সাংস্কৃতিক ৰাজ্য। এই অসমখনত বিভিন্ন জাতি-জনজাতিৰ লোক বসবাস কৰে আৰু তেওঁলোকৰ সুকীয়া সুকীয়া নিজস্ব সংস্কৃতি আছে। এই আটাইখিনি কলা সংস্কৃতিকে আমি সামৰি ল'ব লাগিব। গোটেই সংস্কৃতি খিনিকে আমি গুৰুত্ব দিবই লাগিব। মাননীয় সদস্য গৰাকীয়ে ইতিমধ্যে চিলেকচন কমিটিৰ কথা কৈছেই। তাত কোন কোন আছে সেইটোও কৈছে। সেই মতে চিলেকচন কমিটি হৈছে। মই সাংস্কৃতিক মন্ত্ৰী হিচাপেও দুখ পাইছো যে আমাৰ বহুটো ৬০ বছৰৰ ওপৰৰ লোক আছে। যিসকলে ঢোল-পেপা আদি বজায়, তেওঁলোকৰো কিছুমানে সাংস্কৃতিক পেঞ্চন পোৱা নাই। কিয়নো ২০ জনৰ ভিতৰত নিৰ্বাচিত কৰাটো বৰ কষ্টকৰ কাম। তথাপি যিবিলাক নিৰ্বাচিত হৈছে তাত বিভাগীয় গাফিলতি বা স্বজন-তোষণ হোৱা নাই। সেইটো বিধিমতে কৰা হৈছে।

অধ্যক্ষ মহোদয়, প্ৰত্যেক জিলাৰ পৰা ক্ৰাইটেৰীয়া মতে শিল্পী পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছো। মাজুলীৰ সত্ৰীয়া নৃত্য, ভাওনা আৰু মুখা শিল্পীও ইয়াৰ ভিতৰত আছে। ইয়াৰ উপৰিও মৰাণ চুটিয়াও আছে। এই সকলো বিলাক চালিজাৰি চাইহে তালিকা প্ৰস্তুত কৰিব লাগে। ইয়াত বয়সৰ সীমা নাথাকে। ৯০ বছৰীয়া লোকো থাকিব পাৰে। ৯০ বছৰীয়া লোকক আমি অগ্ৰাধিকাৰ দিওঁ। সেইকাৰণে সেইবিলাক চালি-জাৰি চাওতে আমাৰ সদস্য সকলে বহুটো কষ্ট কৰিবলগীয়া হয়। ২০ জনৰ উপৰিও আৰু

কেইজনমানক দিব পাৰিলে আমিও ভাল পালোহেতেন। বহুটো পুৰণি শিল্পী আছে যিবিলাকে ৰাভা সংগীত আৰু জ্যোতি সংগীত গাই আহিছে। তাৰোপৰি তবলা বাদক আৰু বাঁহীবাদকো আছে। সেই সকলোকো শিল্পী পেঞ্চন দিবলগীয়া হয়। কিন্তু এইৰিলাক আমাৰ দৃষ্টিগোচৰলৈ আহিব লাগিব। সেই কাৰণে আমি বিজ্ঞাপন দিওঁ আৰু সেই হিচাবে দৰ্খাস্ত কৰিব কৰিব লাগে। যদি কোনোবাই দৰ্খাস্তই নকৰে তেতিয়াহ'লে নিৰ্বাচনৰ আওটালৈয়ে নাহে। সেইকাৰণে কোনোবা জ্যেষ্ঠ শিল্পী থাকিলেও আমি তেনেলোকক বাচনি কৰিব নোৱাৰো। আমি আমাৰ মাননীয় মুখ্যমন্ত্রীৰ লগতো আলোচনা কৰিছো এই শিল্পী পেঞ্চন ৪০-৫০ টালৈ বৃদ্ধি কৰিব পাৰি নেকি? শিল্পী বুলিলে অকল নৃত্যকেঁ নুবুজায়। গায়ক, বাদক সকলো বিলাকে শিল্পী। কিছুমানৰ গান গোৱাটো এটা ব্যৱসায়। কিয়নো তেওঁলোকে গানৰ জৰিয়তে পৰিয়াল পোহপাল দিয়ে। সেই কাৰণে আমিও ভাবো যে ২০ জন যথেষ্ট নহয়। এই সম্পৰ্কত মাননীয় মুখ্যমন্ত্রীৰ লগত আলোচনা কৰিছো কেনেকৈ ২০ জনৰ পৰা ৪০-৫০ জন কৰিব পাৰি। মাননীয় মুখ্যমন্ত্রীয়ে এই বিষয়ত আশ্বাস দিছে। শ্রীঅঞ্জন দত্ত ডাঙৰীয়াৰ প্রশ্নৰ উত্তৰ দিবলৈ পাই মই সুখী হৈছো। অহা বছৰত শিল্পী পেঞ্চন বঢ়োৱাৰ কাৰণে আমি চেষ্টা কৰিম। গতিকে বাতৰি কাকতত প্রকাশিত অভিযোগটো ভিত্তিহীন। কিয়নো শিল্পী পেঞ্চন মহাগাণনিকৰ জৰিয়তেহে দিয়া হয়। বিভাগৰ যদি কৰ্ৱৰাত গাফিলতি আছে মই চোৱা চিতা কৰিম।

* **শ্রীঅঞ্জন দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া মন্ত্রীৰ উত্তৰত সন্তুষ্ট। যি আবেদন কৰাৰ কথা কৈছে যদি ৪০ জন নিৰ্বাচিত কৰে তাৰ ৩০ জন আবেদনকাৰী আৰু ১০ জন চৰকাৰে নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো কিছুমান শিল্পীয়ে আবেদন দিবলৈ টান পায়, সন্মানৰ কথা আহি পৰে।

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পেঞ্চনাৰ সকলক

---

* Speech not corrected

এটা আর্থিক সাহার্য্যহে দিয়া হয়। কোনোবাই যদি আবেদন কৰিলে সন্মান হানি হয় বুলি ভাৱে তেতিয়াহ'লে আর্থিক সাহার্য্য নল'লে হ'ল। শিল্পী পেঞ্চন মূলতঃ দুখীয়া শিল্পী সকলৰ কাৰণে আর্থিক সাহার্য্যহে।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় বিধায়ক, শ্রী আমিনুল ইছলামে যোৱা ১১ মার্চ, ২০১৩ তাৰিখৰ 'নিয়মীয়া বার্ত্তাত' প্রকাশিত "সোনাই বিলৰ ওপৰত দলং নির্মানৰ দাবী" এই সংক্রান্তত কেন্দ্রীয় গড়কাপ্তানী মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব।

শ্রীআমিনুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ১১ মার্চত নিয়মীয়া বার্ত্তাত প্রকাশ হোৱা "সোনাই বিলৰ ওপৰত দলং নির্মানৰ দাবী" বাতৰিটোৰ ক্ষেত্রত মাননীয় গড়কাপ্তানী মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। ধিং সমষ্টিত যিবিলাক গড়কাপ্তানী বিভাগৰ ৰাস্তা আছে সেই বিলাক অতি শোচনীয় অৱস্থাত আছে। এই ৰাস্তাবিলাক যোৱা ৩০ বছৰৰ আগতে নির্মাণ কৰা। সোনাই বিলৰ দগাঁৰৰ পৰা বইটামাৰীলৈ যোৱা যি ৰাস্তা আছে, তাত এখন দলঙৰ বৰ প্রয়োজন আছে। এইটো আমাৰ আলিটাঙন মৌজাৰ অন্তর্গত। এই ৰাস্তাৰে আমাৰ ঐতিহ্যমণ্ডিত থান বটদ্রবালৈ অহা-যোৱা কৰিব পাৰে। এই ৰাস্তাটো মাত্র ১০ কিলোমিটাৰ দৈর্ঘ্যৰ। ইয়াৰ দলং বিলাক মেৰামতি নকৰাকৈ থকাৰ কাৰণে মানুহৰ বিশেষ অসুবিধা হৈছে। ৰাইজে কাঠৰ দলংবিলাক মেৰামতি কৰিবৰ বাবে চহী সংগ্রহ কৰি আবেদন-নিবেদন বহু দিনৰ পৰাই কৰি আহিছে। বাতৰি কাকতত প্রকাশ হোৱাৰ দৰে সোনাই বিলৰ ওপৰত যদি এখন পকী দলং নির্মাণৰ ব্যৱস্থা হাতত লয়, তেতিয়াহ'লে আমাৰ সেই অঞ্চলৰ ৰাইজে দুখ-দুর্গতিৰ পৰা হাত সাৰিব পাৰিব। এইটো মই মাননীয়া মন্ত্রী মহোদয়াৰ দৃষ্টিগোচৰ কৰিলো আৰু সোনকালে এখন পকী দলং বনোৱাৰ বাবে অনুৰোধ জনালো।

* **শ্রীমতী অজন্তা নেওঁগ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় সদস্য শ্রীআমিনুল ইছলাম ডাঙৰীয়াই যিটো প্রশ্ন উৎত্থাপন কৰিছে সেই সংক্রান্তত মই এইখিনি কথা জনাবলৈ বিচাৰিছো। আমাৰ গড়কাপ্তানী বিভাগত দলং

* Speech not corrected

নির্মানৰ বাবে ৫ হেজাৰখন দলং পঞ্চায়িনভুক্ত হৈ আছে। পৰিকল্পনা মতে তাত খৰচ হ'ব ২০ হেজাৰ কোটি টকা। আৰু আমাৰ বিভিন্ন ধৰণৰ আঁচনি আছে, তাৰ ভিতৰত এন এল চি পি আৰ, পি এম জি এচ ওৰাই আৰু মুখ্যমন্ত্রীৰ আঁচনিও আছে. আমি ৫ হেজাৰখন দলং পকীকৰণ কৰাৰ কাৰণে সিদ্ধান্ত লৈছো। তাৰ পিছতো দেখা গৈছে ৪ হেজাৰখন দলং বাকী থাকিব। আমাৰ এইটো এটা ডাঙৰ সমস্যা। গাওঁবিলাকত সৰু সৰু নদী, জান-জুৰি আছে। তাত তাৰ স্থানীয় মানুহে সোনকালে পাৰ হ'বৰ কাৰণে সাঁকো বা সৰু দলং সাজি লয়। সেইবিলাক বাতৰি কাকত বা ইলেক্ট্রনিক মাধ্যমত আপোনালোকে দেখা পাই আহিছে। কিছু কিছু ক্ষেত্রত পঞ্চায়তৰ পৰাও তেনে দলং নির্মাণ কৰিব লগা হয়। আমাৰ পলিচিমতে ৫ হেজাৰখন দলং পকী কৰা হ'ব। এইবাৰ আৰু ৫০০ খন অন্তর্ভূক্ত কৰা হৈছে। মাননীয় মুখ্যমন্ত্রী এই ক্ষেত্রত অৱগত। মাননীয় মুখ্যমন্ত্রীয়ে এইবিলাক কাৰণতে নতুন আঁচনিৰ ব্যৱস্থা কৰিবলৈ কৈছে। মাননীয় সদস্য গুৱাকীয়ে উল্লেখ কৰা সোনাই বিলৰ যিখন দলঙৰ কথা কৈছে সেই বিষয়ে মই অনুসন্ধান কৰিছো। সেই বিলখনত দলং নির্মান কৰিবৰ বাবে ফিজিবিলিটি আছে নে নাই সেইটো চাব লগা হৈছে। সেই ঠাইত দলং নির্মান কৰিলে যোগাযোগৰ অসুবিধা হ'ব। কিন্তু সেই বিলখন ৫০০ মিটাৰ দূৰত্ব প্রায় আধা কিলোমিটাৰ হয়। তাত তাৰ স্থানীয় মানুহ খিনিৰ সুবিধাৰ কাৰণে বর্তমান এখন কাঠৰ দলং দিব পৰা যাব নেকি তাৰ ব্যৱস্থা লোৱা হ'ব।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় বিধায়ক, শ্রীকেশৰ মহন্তই যোৱা ১১ মার্চ, ২০১৩ তাৰিখৰ দৈনিক জনমভূমিত প্রকাশ হোৱা তুহতকৈও কম মূল্যত বিক্রী হয় ধান-যোৱহাটত কমিছে উৎপাদন "খেতি কৰিবলৈ নিবিচাৰে যুৱ প্রজন্মই" শীর্ষক বাতৰিৰ ক্ষেত্রত মাননীয় বিভাগীয় মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব।

* **শ্রীকেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ১১ মার্চ, ২০১৩ তাৰিখৰ দৈনিক জনমভূমি কাকতত প্রকাশিত বাতৰি তুহতকৈও কম মূল্যত বিক্রী

---

* Speech not corrected

ধান-যোৱহাটত কমিছে উৎপাদন- "খেতি কৰিবলৈ নিবিচাৰে যুৱ প্ৰজন্মই" সংক্ৰান্তত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত অসমক পুৰস্কৃত কৰিছে তাৰ বাবে আমি গৌৰৱবোধ কৰিছো। মাননীয়া সদস্যা, শ্ৰীমতী প্ৰমীলাৰাণী বাইদেৱে এই বিষয়ে বহুত কথা উল্লেখ কৰিছে। মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে কথাটো হ'ল কৃষিৰ ক্ষেত্ৰত বহু লোক আঁতৰি আহিছে। বিশেষকৈ নতুন প্ৰজন্ম এই ক্ষেত্ৰত আঁতৰি অহা দেখা পাইছো। উজনী অসমৰ প্ৰজন্মই বেচিকৈ আঁতৰি আহিছে। এই নতুন প্ৰজন্মক আত্ম নিয়োগ কৰাৰ কাৰণে চৰকাৰে আগবাঢ়িব লাগে। আমাৰ কৃষক সকলে কৃষক বুলি পৰিচয় দিবলৈ লাজ কৰে। পঞ্জাৱ আদি প্ৰদেশৰ কৃষক বুলি ক'বলৈ গৌৰৱ কৰে। সেইটো আমাৰ কৃষিখণ্ডই আনিব লাগিব আৰু চৰকাৰে বাজেটতো এইটোত আমূল পৰিৱৰ্তন আনিব লাগিব। এতিয়া প্ৰশ্ন হৈছে আমাৰ ১১-১২ বৰ্ষত আমাৰ ধান উৎপাদন হয় ৫৪.৪৭ লাখ মেট্ৰিক টন। আমাৰ চৰকাৰে ধান কিনাৰ কথা আছিল। কিন্তু দেখা গ'ল চৰকাৰে ১৪ হেজাৰ ৬০০ মেট্ৰিক টন ধানহে কিনিব পাৰিলে। উচিৎ মূল্য নোপোৱাৰ কাৰণে কৃষি খণ্ডত নৱ প্ৰজন্ম আগবাঢ়ি আহিব পৰা নাই। এতিয়া দেখা গ'ল .০২ শতাংশহে চৰকাৰে ধান কিনিলে। জলসিঞ্চনৰ ক্ষেত্ৰতো আমি দেখা পাইছো ১,২৯,৬২৬ হেক্টৰ মাটিত পানী যোগান দিয়াৰ ঠাইত ২৫,০৭১ হেক্টৰ মাটিতহে পানী দিব পাৰিলে। আমাৰ ইয়াত কৃষি খণ্ডক নাচাই। অন্যবিলাক ৰাজ্যত কৃষিখণ্ড বিলাক চায়। কৃষি খণ্ডলৈ চালেহে কৃষিৰ উৎপাদন বেছি হ'ব। আমাৰ কৃষিত যিমান ব্যয় হয় তাতকৈ কৃষিৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰি কম মূল্য পায়। আমাৰ কৃষিত শাৰীৰিক ব্যয় বেছি হয় আৰু ধন খৰছো বেছি হয়।

মাননীয় অধ্যক্ষ মহোদয়, তিতাবৰত আৰু যোৱহাটত ধান খেতি ভাল হয়। তাত ধান উৎপাদন হয় ২০০৯-১০ বৰ্ষত ১,৮৮,১৯৭ মেট্ৰিক টন। কিন্তু ২০১০-১১ বৰ্ষত উৎপাদন হয় ১,৮১,৮৭৯ মেট্ৰিক টন। ধানৰ

উৎপাদন কমি আহিছে। তাতু মানুহে আজিকালি নিজৰ খাবৰ জোখাৰেহে খেতি কৰে। বিক্রী কৰিবৰ কাৰণে বা ব্যৱসায়িক দৃষ্টিভংগীৰে নকৰে। বস্তুৰ বজাৰত মূল্য বাঢ়িছে। চৰকাৰে ধান ক্রয় কৰে বহুতো কম মূল্যত। এইবিলাক কথা যাতে মাননীয় মন্ত্রী ডাঙৰীয়াই মানি লয় আৰু ইয়াৰ ব্যৱস্থা লয় তাৰ কাৰণে অনুৰোধ জনালো।

* **শ্রীনীলমনি সেন ডেকা** (কৃষি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো প্রশ্ন মাননীয় কেশৰ মহন্ত ডাঙৰীয়াই উৎথাপন কৰিছে সেইটো গুৰুত্বপূর্ণ প্রশ্ন। আজিকালি আমাৰ ডেকা ল'ৰাবিলাকে খেতি কৰিবলৈ এৰিছে, কাৰণ তেওঁলোকে লাভৱান নহয়। আজি পাঞ্জাৰ, হাৰিয়ানাত খেতি কৰে তাত তেওঁলোকৰ ইনভেষ্টমেণ্ট আছে। সেইকাৰণে খেতি কৰিবলৈ আগবাঢ়ি আহে। আমাৰ ইয়াত মাটিৰ উৰ্ব্বৰতা এটা বান্ধি দিয়া আছে। চিলিং কৰি থোৱা আছে। ৫০ বিঘাতকৈ বেচি থাকিব নোৱাৰে। আগতে ১৫ জনৰ এটা পৰিয়াল আছিল যদিও সেয়া এতিয়া ৫০ টা পৰিয়াল হ'লগৈ। আজিকালি আমি বহুতো সুবিধা দিছো। পথাৰ পৰিচালনা সমিতি কৰি দিছো, ইয়াৰ জৰিয়তে পাৱাৰ টিলাৰ, পাৱাৰ পাম্প দিয়া হৈছে। এইবিলাকৰ দ্বাৰাই খেতিৰ উৎপাদন বৃদ্ধি পাইছে নিশ্চয়। কিন্তু ১০ বিঘা মাটি থকা সকলে টেক্টৰ ব্যৱহাৰ নকৰে। খেতি কৰি তেওঁলোকে লাভৱান নহয় কাৰণে নকৰে। পথাৰ পৰিচালনা সমিতিয়ে সৰিয়হ খেতি কৰিছে, তেওঁলোকে ৩ শ বিঘা মাটিত সৰিয়হ খেতি কৰিছে। যোৰহাটত ২ হাজাৰ মেট্রিক টনতকৈও অধিক ধান উৎপাদন হৈছে। আজিকালি হাইব্রীড খেতি কৰিবলৈ লোৱা হৈছে। এই খেতি বৰ লাভৱান। খেতিয়ক সকলো ইয়াৰ পৰা উপকৃত হৈছে। এই বিষয়টো কেন্দ্রীয় গৱেষক সকলেও স্বীকাৰ কৰিছে। এই হাইব্রীড ধান যদি ১৫/২০ দিন পর্য্যন্ত পানীৰ তলত থাকে তথাপিও বেয়া হৈ নাযায়।

মাননীয় অধ্যক্ষ মহোদয়, প্রকিউৰমেণ্টটো আমাৰ দায়িত্ব নাই। সেইটো চিভিল চাপ্লাই বিভাগৰ। তেওঁলোকে এতিয়ালৈকে ১ লাখ ৮৯৯০

---

* Speech not corrected

কুইণ্টল সংগ্রহ কৰিছে। এতিয়া তেওঁলোকে ধান ক্রয় কৰা কাম আৰম্ভ কৰিছে। ধান সংগ্রহ হ'ব। আৰু সেই হিচাবে কৃষকেও মূল্য পাব। ২০০৯-১০ বর্ষত মাজুলিত বানপানী হোৱাৰ কাৰণে ধানৰ উৎপাদন কম হৈছে। এইবাৰ যোৰহাট জিলাত ৩ লাখ ১৩,৬১৫ মেট্রিক টন উৎপাদন হৈছে, এইবাৰ ভাল হৈছে। শিৱসাগৰতো ভাল হৈছে। মই এই গুৰুত্বপূর্ণ বিষয়টো উৎথাপন কৰাৰ কাৰণে শ্রীকেশৰ মহন্ত ডাঙৰীয়াক আৰু মোক উত্তৰ দিবলৈ সুবিধা দিয়াৰ কাৰণে তেখেতক ধন্যবাদ জনাইছোঁ।

CALL ATTENTION NOTICE

মাননীয় অধ্যক্ষ ঃ আইটেম নং২। শ্রী অঞ্জন দত্তই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৩ চনৰ ৩ মার্চ তাৰিখৰ "আজিৰ দৈনিক বাতৰি" কাকতত প্রকাশিত "ভূ-তত্ত্ব আৰু খনি বিভাগত আজিও নাই সেৱা বিধি" শীর্ষক বাতৰিটোৰ প্রতি খনিজ আৰু খনিজাত সামগ্রী বিভাগৰ মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব।

শ্রী অঞ্জন দত্ত ঃ মাননীয় অসম বিধান সভাৰ অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত, ২০১৩ চনৰ ৩ মার্চ তাৰিখে 'আজিৰ দৈনিক বাতৰি' কাকতত প্রকাশিত 'ভূ-তত্ত্ব আৰু খনি বিভাগত আজিও নাই সেৱা বিধি' শীর্ষক বাতৰিটোৰ প্রতি আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, প্রথমেই মই এটা কথা উল্লেখ কৰিব খুজিছোঁ যে মাননীয় বিধায়ক সকলে যেতিয়া বিভিন্ন বিভাগৰ কাম-কাজ সম্পর্কে তেওঁলোকৰ পৰা তথ্য বিচাৰে, তেতিয়া বিভাগৰ বিষয়া সকলে যি লিখি দিয়ে তাকে বিভাগীয় মন্ত্রী গৰাকীয়ে উত্তৰ হিচাপে আগবঢ়ায়, বিষয়াই লিখি দিয়া খিনিকে বিভাগীয় মন্ত্রী গৰাকীয়ে পবিত্র সদনৰ মজিয়াত পাঠ কৰি দিয়ে। সাধাৰণতেই

নির্দিষ্ট বিষয়টোৰ গভীৰতালৈ সোমোৱাৰ চেষ্টা নকৰে বিভাগীয় মন্ত্রী সকলে। ফলত বেচিভাগ ক্ষেত্রতে কাগজে-কলমে এখন সন্তোষজনক ছবি দেখিবলৈ পোৱাৰ বিপৰীতে বাস্তৱত ইয়াৰ বিপৰীত ছবি এখনহে দেখিবলৈ পোৱা যায়। ৰাজ্য চৰকাৰৰ ভূ-তত্ত্ব আৰু খনি বিভাগৰ অৰাজক অৱস্থা সন্দর্ভত মাননীয় মন্ত্রী নীলমণিসেন ডেকাই তথ্য সহকাৰে যি উত্তৰ আগবঢ়াইছে বাস্তৱত তেনে হোৱা হ'লে আমাৰ ক'বলগীয়া একো নাছিল। পিছে বাস্তৱত আজিও আমি ইয়াৰ বিপৰীত ছবি এখনহে দেখিবলৈ পাওঁ। উৰ্ধতন কতৃপক্ষৰ চৰম অৱহেলা আৰু একাংশ কর্মচাৰীৰ প্রতি প্রদর্শন কৰা বৈষম্যমূলক আচৰণৰ পৰিণতিত একপ্রকাৰ অৰাজক অৱস্থাৰ গ্রাসত পৰিছে ৰাজ্য চৰকাৰৰ ভূতত্ত্ব আৰু খনি সঞ্চালকালয়। স্বয়ং মুখ্যমন্ত্রী তৰুণ গগৈদেৱে এবছৰৰ ভিতৰত প্রতিটো বিভাগৰ স্থায়ী চাকৰি সেৱা বিধি প্রস্তুত আৰু প্রযোজ্য কৰাৰ নির্দেশ দিয়া আজি প্রায় ৩ বছৰ হ'ল যদিও অদ্যপি ভূতত্ত্ব আৰু খনি (Geology and Mining) বিভাগত এই নির্দেশ কার্য্যকৰী হৈ উঠা নাই। ফলত জিঅ'লজি, ড্রিলিং, কেমিষ্ট্রি আৰু মাইনিং এই চাৰিটা শাখাৰে গঠিত ভূতত্ত্ব আৰু খনি সঞ্চালকালয়ৰ একাংশ কর্মচাৰীয়ে পদোন্নতিকে ধৰি বিভিন্ন ন্যায়সঙ্গত সা-সুবিধাৰ পৰা বছৰ বছৰ ধৰি বঞ্চিত হৈ আহিছে। বিশেষকৈ ভূতত্ত্ব শাখাৰ কর্মচাৰী সকলে চাকৰিত যোগদান কৰাৰে পৰা আজিলৈকে পদোন্নতিৰ মুখ দেখা নাই। আমাৰ হাতত পৰা তথ্য অনুসৰি ভূতত্ত্ব শাখাৰ বহু সংখ্যক বিষয়াই আনকি পদোন্নতিৰ মুখ নেদেখাকৈয়ে অৱসৰো গ্রহণ কৰিবলগীয়া হৈছে। ইয়াৰ বিপৰীতে কিন্তু ড্রিলিং, কেমিষ্ট্রি আৰু মাইনিং শাখাৰ বিষয়া বৃন্দই চলে-বলে কৌশলেৰে পদোন্নতিৰ জখলা বগাই সকলো সা-সুবিধা আৰু ক্ষমতা ভোগ কৰিবলৈ সক্ষম হৈছে। এনেদৰে 'খেনোক দেখি ৰান্ধে-বাঢ়ে, খেনোক দেখি দুৱাৰ বান্ধে' সদৃশ বৈষম্যমূলক নীতিৰে ভূতত্ত্ব শাখাৰ বিষয়া সকলক ন্যায্য প্রাপ্যৰ পৰা বঞ্চিত কৰি অহাত স্বাভাবিকতে তেওঁলোক হতাশাগ্রস্ত হৈ পৰিছে। অথচ ভূতত্ত্ব শাখাৰ বিষয়া সকলকৰ তৎপৰতাৰ বাবেই বিভাগটোৱে বছৰি বৃহৎ পৰিমানৰ ৰয়েল্টী

সংগ্রহ কৰি আহিছে।

অধ্যক্ষ মহোদয়, পৰিতাপৰ বিষয় এয়ে যে ১৯৬২ চনতে এই বিভাগটো এটা পূৰ্ণাঙ্গ চৰকাৰী বিভাগ হিচাপে স্বীকৃত হয় যদিও এই পৰ্য্যন্ত বিভাগটোৰ স্থায়ী চাকৰি বিধি এখন কাৰ্য্যকৰী হোৱা নাই। 'Assam Geology and Mining (Recruitment and conditions of service order 1988' শীৰ্ষক অধিসূচনা জাৰি কৰিয়েই দায়-দায়িত্ব সামৰি থোৱাৰ অভিযোগ উঠিছে। ৰাজপত্ৰত জাৰি হোৱা এই অধিসূচনা অনুসৰি ভূতত্ত্ব আৰু খনি সঞ্চালকৰ পদটি যুটীয়া সঞ্চালক আৰু মুখ্য ভূতাত্ত্বিক বিষয়াক পদোন্নতি দিহে পূৰণ কৰা হয়। ইপিনে ১৯৮৮ চনৰ এই অধিসূচনাৰ পিছৰ পৰাহে ড্ৰিলিং শাখাৰ মুখ্য ড্ৰিলিং অভিযন্তা, কেমিষ্ট্ৰি শাখাৰ ডেপুটি মুখ্য কেমিষ্ট আৰু মাইনিং শাখাৰ যুটীয়া সঞ্চালকৰ পদকেইটা সংযোজন কৰা হয়। সম্প্ৰতি উত্থাপিত অভিযোগ অনুসৰি এই পদকেইটা যিহেতু যুটীয়া সঞ্চালক অথবা ভূতাত্ত্বিক বিষয়াৰ সমপৰ্য্যায়ৰ, সেয়েহে প্ৰয়োজন সাপেক্ষে ১৯৮৮ চনৰ উক্ত নিৰ্দেশৰ সংশোধনী আনি সংশ্লিষ্ট শাখাৰ বিষয়া সকলেই সঞ্চালকৰ আসনত বহি আহিছে। এনে পৰিস্থিতিত পদোন্নতিৰ পৰা বঞ্চিত হৈ আহিছে ভূতত্ত্ব শাখাৰ বিষয়া সকল। পদোন্নতি বাধাগ্ৰস্ত হোৱাৰ বাবেই ভূতত্ত্ব শাখাত খালি হৈ থকা বহু পদো এতিয়ালেকে পূৰণ কৰিব পৰা নাই। আমাৰ হাতত পৰা তথ্য অনুসৰি ভূতত্ত্ব শাখাৰ মুঠ ৫৩টা পদৰ ৩৩টা পদেই দীৰ্ঘদিন ধৰি খালি হৈ পৰি আছে। ইয়াৰ ভিতৰত সহকাৰী ভূতাত্ত্বিক বিষয়াৰ ২৮টা পদৰ ১০টা, ভূতাত্ত্বিক বিষয়াৰ ১৬টা পদৰ ১১টা, উপ সঞ্চালকৰ এটা পদৰ এটাই জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ ৪ টা পদৰ এটা, যুটীয়া সঞ্চালকৰ ৩ টা পদৰ ২ টা মুখ্য ভূতাত্ত্বিক বিষয়াৰ এটা পদৰ এটাই খালী হৈ আছে। ইয়াৰ বিপৰীতে অন্যান্য শাখাত সহকাৰী অভিযন্তা হিচাপে যোগদান কৰা কৰ্মচাৰীয়েও পদোন্নতি লাভ কৰি সঞ্চালকৰ আসনত বহাৰ সুযোগ লাভ কৰিছে। কিন্তু ভূতত্ত্ব শাখাত সহকাৰী ভূতাত্ত্বিক বিষয়াই চাকৰিত যোগদান কৰাৰে পৰা একেটা পদতে ২৭ বছৰ পৰ্য্যন্ত চাকৰি কৰাৰ পিচতো

কোনোধৰণৰ পদোন্নতি লাভ কৰা নাই। আনকি একেটা পদতে চাকৰি কৰি অৱসৰ গ্ৰহণ কৰা এনে বিষয়াও আছে। পদোন্নতি দিয়া হলে তেঁওলোক সঞ্চালক অথবা যুটীয়া সঞ্চালক পদত অধিষ্ঠিত হ'ল হেঁতেন।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত এতিয়াও বিশ্ববিদ্যালয়ৰ পৰা Geology ৰ ডিগ্ৰীধাৰী বহু শিক্ষিত নিবনুৱা আছে। তেওঁলোকে ভূতত্ত্ব আৰু খনি বিভাগত সুবিধা নাপাই ৰাজ্যৰ বাহিৰলৈও যাবলগীয়া হৈছে। বুজন সংখ্যক পদ খালী হৈ থকা স্বত্বেও এইসমূহ পূৰণ নকৰাৰ আঁৰত গভীৰ ষড়যন্ত্ৰ লুকাই থকাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

(মাননীয় উপাধ্যক্ষই মাননীয় অধ্যক্ষৰ আসন গ্ৰহণ কৰে)

মাননীয় উপাধ্যক্ষ মহোদয়, ভূতত্ত্ব শাখাত বুজন সংখ্যক পদ দীৰ্ঘদিন ধৰি খালি হৈ পৰি ৰোৱাৰ আঁৰত গভীৰ চক্ৰান্ত আছে। এনেধৰণৰ চক্ৰান্তৰ প্ৰতি বিভাগীয় মন্ত্ৰী মহোদয়ে সজাগ দৃষ্টি ৰখা উচিত। সদনৰ মজিয়াত উত্তৰ দিয়াৰ আগতে বিভাগীয় মন্ত্ৰীয়ে বিষয়টো চালি-জাৰি চাব লাগে। আমি বিভাগীয় বিষয়া সকলৰ দিহা পৰামৰ্শ লোৱাৰ বিৰোধিতা কৰা নাই। তেওঁলোকৰ দিহা-পৰামৰ্শ লাগিব। পিছে বিষয়া সকলে লিখি দিয়া উত্তৰকে চালি-জাৰি নোচোৱাকৈ বিভাগীয় মন্ত্ৰী মহোদয়ে পাঠ কৰা উচিত নহয়। আমি ইতিমধ্যে উল্লেখ কৰা কথাখিনিৰে ভূতত্ত্ব আৰু খনিৰ মাজত বিভাজন আনিব বিচৰা নাই। আমি কেৱল ক'ব বিচাৰিছো যে, খনি শাখাত যেনেকৈ খালী পদসমূহ পূৰণ কৰিছে, সেইদৰে ভূতত্ত্ব শাখাতো পূৰণ কৰা উচিত। এটা শাখাত পূৰণ কৰি আনটো শাখাত পূৰণ নকৰাটো দুৰ্ভাগ্যজনক। বিষয়টো বিভাগীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে লয় যেন। যিহেতু ভূতত্ত্ব আৰু খনি বিভাগৰ জৰিয়তে ৰাজ্যখনত ৰাজহ সংগ্ৰহৰ যথেষ্ট থল আছে, সেয়ে সমগ্ৰ বিষয়টো মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

* **শ্রীখৰছিং ইংতি (মন্ত্রী) ঃ** বিধায়ক, শ্রী অঞ্জন দত্তই ২০১৩ চনৰ ৩ মার্চ তাৰিখে "আজিৰ দৈনিক ৰাতৰি" কাকতত প্রকাশিত "ভূতত্ত্ব আৰু খনি সঞ্চালকালয়ত আজিও নাই সেৱাবিধি" শীর্ষক সংবাদটোৰ মনোযোগ আকর্ষণ হেতু দাখিল কৰা জাননীৰ স্পষ্টীকৰণ।

ভূতত্ত্ব ও খনি সঞ্চালকালয়, অসম চাৰিটা মূখ্য শাখাৰ দ্বাৰা গঠিত। সেই কেইটা হ'ল - (১) ভূতত্ত্ব (Geology) (২) ৰসায়ণ (Chemistry) (৩) খনন (Drilling) আৰু (৪) খনি (Mining)। এই চাৰিটাশাখাৰ ওপৰত ন্যস্ত কর্মৰ দ্বাৰাই সঞ্চালকালয়ে নিজৰ কার্য ও আঁচনি সমূহ সম্পাদন কৰে।

আগতে ভূতত্ত্ব ও খনি সঞ্চালকালয়, অসমত নিযুক্তি ও পদোন্নতিৰ সন্দর্ভত কোনো নির্দিষ্ট নিয়মাৱলী নাছিল। ১৯৮৮ চনৰ ৩ ডিচেম্বৰত অসম ৰাজপত্রত 'Assam Geology and Mining (Recruitment and Conditions of Service) order, 1988 শীর্ষক এখন অধিসূচনা জাৰি কৰি এই সঞ্চালকালয়ৰ বিষয়া সকলৰ নিযুক্তি ও পদোন্নতি সম্পর্কে নির্দিষ্ট নিয়মাৱলী যেনে - শিক্ষগত অর্হতা, কোনো এটা পদত থকা কর্ম অভিজ্ঞতাৰ ম্যাদ, কর্ম দক্ষতা, আদি নির্ধাৰণ কৰা হয়।

এই Service order, 1988 আৰু লগতে সময়ে সময়ে হৈ থকা সংশোধনৰ জৰিয়তে সঞ্চালকালয়ৰ চাৰিওটা শাখাৰে বিষয়া সকলক পদোন্নতিৰ ক্ষেত্রত সামান সুবিধা প্রদান কৰা হয়। এই Service order খনত কোনো এটা শাখাৰ প্রতি কোনো প্রভেদ মূলক নীতিৰ স্থান নাই। এতিয়ালৈকে চাৰিওটা শাখাৰে বিষয়া সকলৰ পদোন্নতি সমূহ Service order, 1988 আৰু সময়ে সময়ে হৈ থকা সংশোধনৰ নীতি সমূহ সঠিক পালনেৰে হৈ আছে। খনি ও খনিজাত দ্রব্য বিভাগে পদোন্নতিৰ ক্ষেত্রত কোনো প্রভেদ মূলক নীতি গ্রহণ কৰা নাই।

ভূতত্ত্ব ও খনি সঞ্চালকালয়ত সহকাৰী ভূতাত্ত্বিক বিষয়াৰ ২৭টা

* Speech not corrected

পদ আছে। ইয়াৰ পৰবৰ্ত্তী উচ্চ পদ ভূতাত্ত্বিক বিষয়াৰ ১৬টা পদ আৰু সমপৰ্য্যায়ৰ পেট্ৰোলজিষ্টৰ ১টা পদ আছে। আনহাতে, ইয়াৰ পৰবৰ্ত্তী উচ্চ পদ জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ ৪টা পদ আৰু উপ সঞ্চালকৰ ১টা পদ আছে। গতিকে এইটো স্পষ্ট যে সকলো সহকাৰী ভূতাত্ত্বিক বিষয়া আৰু ভূতাত্ত্বিক বিষয়াক একেলগে পদোন্নতি দিব নোৱাৰি। যিহেতু ই পৰৱৰ্ত্তী উচ্চ পদ সমূহৰ খালি থকা স্থিতিৰ ওপৰত নিৰ্ভৰ কৰে।

ইতিমধ্যে সঞ্চালকালয়ৰ ভূতত্ত্ব শাখাৰ বিষয়া সকলে Assam Geology and Mining Service Association ৰ নামত অসম চৰকাৰৰ বিৰুদ্ধে ২০০০ চনত লেখ আবেদনৰ (Writ Petition (C) No.4816/2000) যোগেদি ভূতাত্ত্বিক পদৰ বাবে জ্যেষ্ঠ ৰযায়ণবিদ পদৰ সমপৰ্য্যায়ৰ বেতন দাবী কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত এক গোচৰ ৰুজু কৰিছিল। এই গোচৰত, উচ্চ ন্যায়ালয়ে দিয়া ৰায়দানৰ নিৰ্দেশমৰ্মে অসম চৰকাৰৰ বিত্ত বিভাগৰ Pay Research Unit এ No. FPC. 18/2000/154, dated 23.03.2006 জাননীৰ দ্বাৰা এখন বিশেষজ্ঞ সমিতিৰ পুনৰ গঠন কৰে আৰু ভূতাত্ত্বিক পদৰ বাবে জ্যেষ্ঠ ৰসায়ণবিদৰ পদৰ পর্য্যায়ৰ বেতন বিচৰা বিষয়টো পৰীক্ষণ কৰি সমিতিক প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়ে। বিশেষজ্ঞ সমিতিয়ে ৫/৬/২০০৬ ইং তাৰিখে চৰকাৰক ইয়াৰ প্ৰতিবেদন দাখিল কৰে। সমিতিৰ পৰামর্শ তলত উল্লেখ কৰা হ'ল।

"To solve the above problem, the cadre of 'Geologist' and the 'Senior Geologist' may be amalgamated into a single cadre of 'Senior Geologist'. As a result of the amalgamation, the 'Assistant Geologist' shall be elegible for getting the next promotion as Senior Geologist on completion of 10 years of service in the line of service condition of posts of otherwings of the Directorate."

বিশেষজ্ঞ সমিতিৰ এই পৰামৰ্শ কাৰ্য্যকৰী কৰিবৰ বাবে খনি ও খনিজাত দ্ৰব্য বিভাগে ইং ৬/১০/২০০৭ তাৰিখে Assam Geology and Mining (Recruitment and Condition of Service) Order, 1988 ৰ ৫(৩) ধাৰাৰ সংশোধন কৰি Assam Geology and Mining (Recruitment and Conditions of Service) (Amendment) Order, 2007 ৰ অধিসুচনা জাৰি কৰে যাৰ দ্বাৰা ভূতাত্ত্বিক বিষয়া আৰু জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ পদৰ লগত একত্রিকৰণ (amalgamation) আৰু সহকাৰী ভূতাত্ত্বিক বিষয়া পদৰ পৰা পোনে পোনে জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়া / উপ সঞ্চালক পদলৈ পদোন্নতিৰ পথ সুচল কৰা হয়। Service Order ৰ এই সংশোধনৰ ফল স্বৰূপে খালি থকা স্বত্বেও ভূতাত্ত্বিক বিষয়াৰ পদবোৰ সহকাৰী ভূতাত্ত্বিক বিষয়া পদৰ পৰা পদোন্নতি দি পূৰণ কৰিব পৰা নাই। ভূতাত্ত্বিক বিষয়া পদবোৰ জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ পদৰ সৈতে সম্পূৰ্ণ একত্রীকৰণ হোৱাৰ পিছতহে সহকাৰী ভূতাত্ত্বিক বিষয়া সকলক জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ পদলৈ পদোন্নতি দিব পৰা যাব।

জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ চাৰিওটা পদেই পদোন্নতিৰ যোগেদি পূৰণ কৰা হৈছে আৰু বৰ্ত্তমান ইয়াৰ খালি পদ নাই। উপ সঞ্চালকৰ এক মাত্ৰ পদটোও পদোন্নতিৰ দ্বাৰা পূৰণ কৰা হৈছে। এই পদটো অলপতে যোৱা ৩১/১/২০১৩ ইং তাৰিখে বিষয়াজনৰ অৱসৰ গ্ৰহণৰ বাবে খালি হৈছে। উচ্চতৰ পৰ্য্যায়ৰ মুখ্য ভূতাত্ত্বিক বিষয়া আৰু যুটীয়া সঞ্চালকৰ পদ সমূহ Service Order, 1988 ৰ মতে নিৰ্ধাৰিত অৰ্হতা নথকাৰ বাবে তলৰ পদৰ পৰা পদোন্নতি দি পূৰণ কৰিব পৰা নাই। একেবাৰে নিম্ন স্তৰৰ সহকাৰী ভূতাত্ত্বিক বিষয়া অথবা সহকাৰী অভিযন্তা পদৰ পৰা সঞ্চালক পদলৈ পদোন্নতি এটা ক্ৰমাগত প্ৰক্ৰিয়া। গতিকে সহকাৰী অভিযন্তা পদৰ পৰা ক্ৰমান্বয়ে পদোন্নতিৰ দ্বাৰা সঞ্চালকৰ পদত উপনীত হোৱাত একো অস্বাভাৱিকতা নাই।

খনি ও খনিজাত দ্ৰব্য বিভাগে ইতিমধ্যে অসম লোক সেৱা

আয়োগৰ দ্বাৰা পাঁচটা সহকাৰী ভূতাত্ত্বিক বিষয়াৰ পদত নিযুক্তিৰ প্ৰক্ৰিয়া চলাই আছে। নিযুক্তিৰ দ্বাৰা পূৰণ কৰিবলগীয়া বিষয়াৰ বাকী খালী পদ সমূহ অহা বিত্তীয় বৰ্ষত বাজেট আৱণ্টন হোৱাৰ পিছত পূৰণ কৰা হব।

উল্লেখ্য অসম দৰমহা আয়োগ, ২০০৮ ৰ অনুমোদন অনুযায়ী ভূতাত্ত্বিক বিষয়া/পেট্ৰলজিষ্ট এই দুই পদৰ জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়া/উপ সঞ্চালক পদৰ সৈতে একত্ৰীকৰণৰ প্ৰক্ৰিয়া খনি আৰু খনিজাত দ্ৰব্য বিভাগত চলি আছে। এই একত্ৰিকৰণে সহকাৰী ভূতাত্ত্বিক বিষয়া সকলক জ্যেষ্ঠ ভূতাত্ত্বিক বিষয়াৰ পদলৈ ত্বৰান্বিত কৰাত সহায়ক হব। আনহাতে, চৰকাৰৰ নিৰ্দেশানুযায়ী সঞ্চালকালয়ৰ বিষয়া সকলৰ সেৱাবিধি প্ৰস্তুতকৰণৰ প্ৰক্ৰিয়াও সমান্তৰাল ভাবে চলি আছে। উল্লেখ্য, এই প্ৰস্তাবিত সেৱাবিধি Assam Geology and Mining (Recruitment and Condition of Service) Order, 1988 (as amended) ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হব। ইয়াৰ দ্বাৰা স্পষ্ট কৰা হ'ল যে বাতৰি কাকতত উল্লেখ কৰাৰ দৰে সেৱাবিধিৰ অভাৱত ভূতত্ত্ব শাখাৰ বিষয়া সকলক কোনো ধৰণৰ পদোন্নতিৰ পৰা বঞ্চিত কৰা হোৱা নাই, যিহেতু বিভাগীয় সকলো পদোন্নতি Assam Geology and Mining (Recruitment and Conditions of Service) Order, 1988 ৰ ভিত্তিত কৰি থকা হৈছে।

MATTER UNDER RULE 301

মাননীয় উপাধ্যক্ষ ঃ কার্য্যসূচী নং ৪। এতিয়া মাননীয় সদস্য, শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০১৩ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ "দৈনিক জনমভূমি" কাকতত প্ৰকাশিত "মার্চ মাহত ব্যয় হ'ব ১১,০০০ কৌটি টকা" শীৰ্ষক বাতৰিটো উৎত্থাপনৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০১৩ চনৰ ২১ ফেব্রুৱাৰী তাৰিখৰ "দৈনিক জনমভূমি" কাকতত প্রকাশিত "চলিত বিত্তীয় বর্ষ শেষ হ'বলৈ মাজত মাত্র এটা মাহ, ১১ মাহে বহি থাকিল চৰকাৰী বিভাগ। মার্চ মাহত ব্যয় হ'ব ১১,০০০ কৌটি টকা"। চলিত বিত্তীয় বর্ষটো শেষ হ'বলৈ মাজত মাত্র এটা মাহ বাকী। এই বিশেষ মাহটোৰ ভিতৰতে সর্ব্বাধিক ধন ব্যয় কৰিবলৈ তৎপৰ হৈ পৰিছে ৰাজ্যৰ সকলো চৰকাৰী বিভাগ। ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ এক উচ্চ স্তৰীয় সুত্রই প্রকাশ কৰা অনুসৰি চলিত বিত্তীয় বর্ষৰ অন্তিম মাহত চৰকাৰী বিভাগ সমূহে ব্যয় কৰিব লগা ধনৰ পৰিমান ১১,০০০ কৌটি টকা হোৱাৰ পূর্ণ সম্ভাৱনা আছে। বর্ষটোৰ এঘাৰ মাহত চৰকাৰী বিভাগ সমূহে যিমান ধন ব্যয় কৰিলে সেই বিভাগ সমূহে বর্ষটোৰ অন্তিম মাহতে ততোধিক ধন ব্যয় কৰিবলৈ তৎপৰ হোৱাটো উল্লেখনীয় কথা। এই সম্পর্কে অন্যান্য বাতৰি কাকততো বিভিন্ন বাতৰি পৰিবেশিত হৈছে। ১১ মার্চৰ "দি আসাম ট্রিবুন" কাকতত এই সম্পর্কে বাতৰি পৰিবেশন হৈছে।

Official sources told Assam Tribune that in the year 2011-12, the plan allocation for Assam was Rs. 9,000 crore but the State could spent only Rs. 6,357.46 croce and the balance amount had lapsed. In the current financial year, the allocation was Rs. 10,500 crore and up to January, around 60 percent of the money was spent and it is unlikely that the entire amount would be spent within the financial year. The plan size of the State for the coming financial year is yet to be finalised and the State Government is expecting around eight to ten percent hike.

---

* Speech not corrected

Though the Chief Minister Shri Tarun Gogoi has been claiming that the financial position of Assam has improved considerably, the State has not been able to contribute from its own resources to increase its plan size as was done by several other States. At lease 13 States of the country managed to increase their plan sizes in the current financial year by contribution from their own resources.

As per the 2011 Census, Assam's population was 2.58 percent of the total population of the country and the plan outlay of the State in the current financial was Rs 10,500 crore.

But the States having smaller population have managed to increase their plan size considerably by contributing from own resources. For example the population of Chattisgarh is around 2.11 percent of the national population and the plan size of the State in the current financial year was Rs. 23,450 crore, which was more than 40% higher than the outlay of the previous year.

The population of Punjab was 2.30% of the National population and plan size of the State was Rs. 14,000 crore, the population of Hariyana was 2.09% of the country's population and the plan size was Rs. 26,485 crore which 30% higher than the previous year. The population of Delhi was 2.58% of India's total population and the plan size in the current financial year was 15,852

crore. Jharkhand which also has smaller population than Assam had a plan size of Rs. 16,300 crore which is substantially higher than that of Assam.

Plan size of the State are determined by several factors like population, backwardness, ability to contribute from their own resources etc. and the failure of Assam to contribute from own resources is affecting the State.

Failure of the State Government to spend the plan allocation in 2011-12 several factors like the Assembly election, passing the State Budget only in July etc. contributed to the delay. But over the years, no serious effort was made for capacity building and most the works department do not have the ability to spend the plan funds on time.

However, on the positive side, the State is not spending plan money for payment of salaries as was the case earlier. At one point of time, the State used to spend up to 70 percent of the plan fund in payment of salaries, but after transfer of posts from plan head to non plan head, only a negligible amount of plan fund is now spent on salaries.

তথ্য অনুসৰি ৰাজ্য খনৰ চৰকাৰী বিভাগ সমূহে ২০০৮-২০০৯ বৰ্ষত কেৱল মাৰ্চ মাহত ৪২০০.২৬ কৌটি টকা ২০০৯-২০১০ বৰ্ষৰ মাৰ্চ মাহত ৯৮৩১.০৬ কৌটি টকা ২০১০-২০১১ বৰ্ষৰ মাৰ্চ মাহত ৬১৪৯.৮২ কৌটি টকা আৰু ২০১১-২০১২ বৰ্ষৰ মাৰ্চ মাহত ৯৯৪৬.০৫

কৌটি টকা ব্যয় কৰিছিল। চলিত বিত্তীয় বৰ্ষত বিভাগ সমূহে বৰ্ষটোৰ প্ৰথম মাহ এপ্ৰিলত ১১৬৭.৮২ কৌটি টকা, মে মাহত ৮৮০.৩৯ কৌটি টকা, জুন মাহত ২১৭৮.৫২ কৌটি টকা আৰু জুলাই মাহত ১৪৩২.৯৭ কৌটি টকা ব্যয় কৰিছিল। আশ্চৰ্য্যজনক ভাৱে চৰকাৰী বিভাগ সমূহে কেৱল মাৰ্চ মাহৰ ভিতৰতে ৰেভিনিউ ব্যয় হিচাবে ৮৬০৫.৯৭ কৌটি টকা আৰু কেপিটেল ব্যয় হিচাবে ১২৫৮.৪০ কৌটি টকা ব্যয় কৰিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০১১-১২ বৰ্ষটো পৰিকল্পনা শিতানত ৬২৬০.৩৫ কোটি টকা ব্যয় হলেও কেৱল মাৰ্চ মাহতে ব্যয় হৈছিল ৩৮৬৭.৫৮ কোটি টকা। ইয়াৰ দ্বাৰাই প্ৰমাণিত হয় যে প্ৰতিটো বিত্তীয় বৰ্ষতে কেৱল মাৰ্চ মাহতে চৰকাৰী বিভাগ সমূহে সৰ্ব্বাধিক ধন ব্যয় কৰি আহিছে। আনহাতে, মাৰ্চ মাহতে ইউটিলাইজেচন চাৰ্টিফিকেট দিবলগীয়া হয়। গতিকে এইটো বন্ধ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লব লাগে। মাৰ্চ মাহত পইচা খিনি জধে-মধে আৰু বেছিকৈ খৰছ কৰিবলগীয়া হোৱাত দুৰ্নীতিও বেছিকৈ হোৱাৰ আশংকা থাকে। অৱশ্যে কিছুমান আঁচনি আছে যিবিলাক ৩১ মাৰ্চতো দিল্লীৰ পৰা আনিব পাৰি। এইবোৰ আউট দি প্লেন। আমাৰ যি প্লেন এলোকেচন আছে, সেইটো কিয় সঠিক ভাৱে খৰছ কৰিব নোৱাৰে তাৰ বাবে মই বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। কাৰণ ৰিচোৰ্চ মবিলাইজেচনৰ ক্ষেত্ৰটো অসমৰ স্কোপ বেছি। তাৰোপৰি এতিয়া ১০ শতাংশ ঋণ আৰু ৯০ শতাংশ অনুদান হৈছে। এতিয়া নন লেপচেবলৰ টাকাও আগতকৈ বাঢ়িছে। কিন্তু আমি যদি প্লেন এলোকেচনটো তুলনা কৰি চাঁও তেতিয়া হলে অসমৰ তুলনাত চট্টীশগড়, হাৰিয়ানা, দিল্লী, পঞ্জাৰ আদি ৰাজ্যই প্লেন এলোকেচন বেছিকৈ পাইছে। আমি প্লেনৰ পইচা খৰছ কৰিব নোৱাৰাৰ বাবে যথেষ্ট পইচা ঘূৰি গৈছে। যাৰ কাৰণে আমি প্লেন এলোকেচন কমকৈ পাইছো।

আজি পেট্রলৰ দাম বাঢ়িছে আৰু ইয়াৰ লগে লগে ৰয়েল্টিও বাঢ়িব। গতিকে আমি ভাবো যে চৰকাৰে যদি এই বিষয়ে ৰিথিংকিং কৰি টকাটো যাতে সময়মতে মুকলি কৰি দিব পাৰে তেতিয়াহলে দুর্নীতিও কমিব আৰু টকা জধে-মধে খৰছ কৰাটোও বন্ধ হব। উপাধ্যক্ষ মহোদয়, মই আৰু বেচি দীঘলীয়া কৰিব বিচৰা নাই। এই ক্ষেত্রত বিত্ত মন্ত্রী মহোদয়ে টকাখিনি কেনেকৈ খৰছ কৰিব এই বিষয়ে মই মন্ত্রী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

* **শ্রীনীলমণি সেন ডেকা** (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক মহন্ত ডাঙৰীয়াক মই প্রথমে ধন্যবাদ জনাইছোঁ। আমাৰ অসমীয়াত এটা প্রবচন আছে যে শুনিও নুশুনে আৰু জানিও নজনাৰ ভাও জোৰে সেই মানুহক শুনাবও নোৱাৰি আৰু বুজাবও নোৱাৰি। আচলতে এই প্রসঙ্গটো এই কাৰনেই অনা হৈছে যে মহন্ত ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্রী হৈ আছিল, তেতিয়া তেওঁ বিত্ত বিভাগৰো দায়ীত্বত আছিল। গতিকে প্লেনিং কমিচনৰ ধন কেনেকৈ আহে সেই কথাটো তেওঁ ভালকৈয়ে জানে। কিন্তু তেখেতে আমাক শলঠেকত পেলাবৰ বাবে এই বিষয়টো উত্থাপন কৰিছে। কাৰণ এটা কথা যে প্লেনিং কমিচনৰ এলোকেচনটো জনসংখ্যাৰ ভিত্তিত নহয়। যদি জনসংখ্যা ভিত্তিত হ'ল হেতেন, তেতিয়াহলে, উত্তৰ প্রদেশে বেচি পালেহেতেন। যিবিলাক ৰাজ্যৰ ইক'নমিক গ্র'থ ভাল, তেওঁলোকে বেছি পইচা পায়। কিন্তু এটা কথা যে গগৈ ডাঙৰীয়া অহাৰ পিছত আমি প্লেনিং কমিচনৰ পৰা পর্য্যাপ্ত ধন পাইছো। এইবাৰ আমি ১০ হাজাৰ ৫০০ কোটি টকা পাইছো। তথাপিও আমি যথেষ্ট পাইছো আৰু কোনো দিনে নোপোৱা ধৰণে পাইছো। মহন্ত ডাঙৰীয়াই প্লেনৰ টকা খৰচ কৰিব নোৱাৰাৰ যিটো কথা কৈছে এই সম্পর্কে কব বিচাৰিছো যে ফেব্রুৱাৰী লৈকে আমাৰ ৬০ শতাংশ খৰচ হৈছে। কিন্তু দেখা গৈছে যে শেষৰ ফালে

* Speech not corrected

প্রপোজেল বিলাক বেছিকৈ আহে। এতিয়ালৈকে ৯০ শতাংশ প্রপোজেল পি এণ্ড ডিয়ে ক্লিয়াৰ কৰিছে। উপাধ্যক্ষ মহোদয়, এতিয়ালৈকে বিত্ত বিভাগে ৬০ শতাংশ ধন মোকলাই দিছে। এইবাৰ আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে বাজেটত উল্লেখ কৰিছে যে তিনি মাহৰ ভিতৰত প্লেনৰ ধন খৰচ কৰিব লাগিব আৰু ইয়াৰ বাবে পলিচি নির্দ্ধাৰণ কৰি দিয়া হৈছে। গতিকে আমি ভাৱো যে এইবাৰ আমাৰ প্লেনৰ ধন সম্পূর্ণ খৰছ হব। গতিকে দূর্নীতি হোৱাৰ কোনো আশংকা নাই। গতিকে আমি ভাবো যে মাননীয় সদস্য জনে যিটো অভিযোগ আনিছে সেইটোৰ কোনো ভিত্তি নাই। উপাধ্যক্ষ মহোদয়, বিত্ত বিভাগ আৰু পি এণ্ড ডি বিভাগৰ কিছুমান টেক্‌নিকেল অসুবিধাৰ কাৰণে অলপ দেৰি হৈছে। ৩১ মার্চৰ ভিতৰত বিভাগ বিলাকে প্লেনৰ ধন যিনি খৰচ কৰিব লাগিব।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত** ঃ উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে অসমীয়া প্রবচনৰ কথা কৈছে। মই সেইটো বিষয়ে কবলৈ নাযাওঁ। এই বিষয়টো যিদিনা বাতৰি কাকতত ওলাইছিল তেতিয়াই এই বিষয়ে কথাটো ক্লিয়াৰ কৰি দিব লাগিছিল। ২১ ফেব্রুৱাৰীতেই নহয়, যোৱা ১১ মার্চটো 'আসাম ট্রিবিউন' বাতৰি কাকতত এইটো ওলাইছিল। তথাপিতো আপোনালোকে কোনো উত্তৰ দিব পৰা নাই। আপোনালোকে কুৰাটাৰলি ৰিভিউ কৰাৰ ব্যৱস্থা কৰক। ৩১ মার্চলৈ যাতে পইচা পৰি নাথাকে তাৰ ব্যৱস্থা কৰক। আমি সকলোৱে জানো যে উত্তৰ পূর্ব্বাঞ্চলৰ ৰাজ্য সমূহৰ ভিতৰত অসম আটাইতকৈ পিছপৰা। গতিকে আমি ভাবো যে আমি ঝাৰখণ্ডতকৈ পিচপৰা হ'ব নালাগে। হাৰিয়ানা, পঞ্জাৱ, দিল্লীতকৈ আমি কম পইছা পাব নালাগে। গতিকে যদি পি এণ্ড ডি আৰু বিত্ত বিভাগে সমন্বয় ৰাখি কাম কৰিলে আমি নিশ্চয় টকাটো সময়মতে খৰচ কৰিব পাৰিম।

শ্রী টংক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ণ মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই বছৰ আমি যি ১০,৫০০ কোটি টকা পাইছো তাৰ ভিতৰত

---

* Speech not corrected

৫,০৩৯.৯৮ কোটি টকাৰ প্লেন এপ্রোভেল লাগে। মই এই কথাটো সিদিনাখনো এজন মাননীয় সদস্যৰ প্রশ্নৰ উত্তৰত কৈছিলো। ৫ হেজাৰ ৪৬০.০২ কোটি টকাৰ টকাৰ প্লেন এপ্রোভেল নালাগে। এই খিনি ডাইৰেক্ট কেন্দ্রীয় চৰকাৰৰ পৰা অহা । উপাধ্যক্ষ মহোদয়, এতিয়া আমাৰ এনেকুৱা টেণ্ডেচি হেছে যে ফেব্রুৱাৰী আৰু মাৰ্চ মাহতহে প্রপ জেল বোৰ আহে। সেই কাৰণে আমাৰ মুখ্যমন্ত্রী মহোদয়ে এইবাৰ বাজেটত ৯.৫ত উল্লেখ কৰিছে যে 'বছৰৰ শেষৰ ফালে খৰধৰকৈ ব্যয় কৰাৰ প্রৱণতা প্রতিৰোধ কৰাৰ বাবে মই পৰিকল্পিত ব্যয়ৰ তিনিমহীয়া লক্ষ্য নির্দ্ধাৰণৰ বাবে প্রস্তাৱ দিছো। যদি কোনো বিভাগে এই তিনি মহীয়া পৰিকল্পিত ব্যয় লক্ষ্যত উপনীত হব নোৱাৰে, তেন্তে খৰছ নোহোৱা পূজি উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হোৱা আন বিভাগক প্রদান কৰা হব। এই ক্ষেত্রত মই মাননীয় মুখ্যমন্ত্রীৰ লগত আলোচনা কৰি বিধান সভা শেষ হোৱাৰ পিছত এটা লক্ষ্য বান্ধি দিম। আমি কুৱার্টাৰলি ফেজিং কৰিম। যেনে ধৰক এপ্রিলৰ পৰা জুন - প্রথম কুৱার্টাৰ ১৫ শতাংশ, জুলাইৰ পৰা চেপ্তেম্বৰলৈ - দ্বিতীয় কুৱাটাৰ - ৩০ শতাংশ, অক্টোবৰৰ পৰা ডিচেম্বৰলৈ - তৃতীয় কুৱার্টাৰ - ৪০ৰ পৰা ৫০ শতাংশ আৰু জানুৱাৰীৰ পৰা মাৰ্চলৈ - চতুর্থ কুৱার্টাৰত বাকীখিনি ৰিলিজ কৰাৰ ব্যৱস্থা কৰা হব। উপাধ্যক্ষ মহোদয়, আমাৰ প্লেনিঙলৈ ফাইল আহিলে এদিনতকৈ বেচি ৰখা নহয়। মই নিজে পঞ্চায়ত নির্ব্বাচনৰ সময়ত ফাইল ঘৰলৈ নি ২০/২৫ টাকৈ দিনে ক্লিয়াৰ কৰি দিছো। কুৱার্টাৰলি কৰিলে বিত্ত বিভাগৰো বাৰডেন কমি যাব। গতিকে মই মহন্ত ডাঙৰীয়াক আশ্বস্ত কৰিব বিচাৰিছো যে প্লেনিং বিভাগে যি খিনি এপ্রোভেল দিব লাগে তাত কোনো দেৰি নহব।

GENERAL DISCUSSION ON THE BUDGET

মাননীয় উপাধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৫। বাজেটৰ ওপৰত সাধাৰণ আলোচনা। শ্রী আটাউৰ ৰহমান মাঝাৰ ভূঞা।

* **মৌলানা আটাউৰ ৰহমান মাঝাৰভূঞা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত বিভাগের দায়ীত্বপ্রাপ্ত মাননীয় মুখ্যমন্ত্রী মহোদয় এই পবিত্র সদনে ২০১৩-১৪ বিত্ত বর্ষের জন্য যে বাজেট উত্থাপন করেছেন, আমি অত্যন্ত মনযোগ দিয়ে এই বাজেট অধ্যয়ন করেছি। প্রকৃতপক্ষে আমি প্রথম থেকে মানসিক ভাবে প্রস্তুত ছিলাম যে একটা জনমূখী বাজেট সরকার পেশ করলে আমরা সরকারকে ধন্যবাদ জানাব। কিন্তু এই বাজেট ভাষণ পড়ার পর আর সরকারকে ধন্যবাদ দেবার উপায় থাকলোনা। এর জন্য আমি দুঃখিত। এখানে আমরা দেখতে পাই যে একটা পূরনো ও গতানুগতিক Cassette কে যেন সুন্দর ভাবে Design করে নূতন ভাবে বাজানো হয়েছে। এরমধ্যে রাজ্যের উন্নয়নের সঠিক কোনও দিশা নাই। কেবলমাত্র ভূয়া প্রতিশ্রুতিতে ভরপুর। উপাধ্যক্ষ মহোদয়, শঙ্করদেব-আজান পীরের দেশ এই আসাম রাজ্যে বিভিন্ন জনগোষ্ঠী, ভাষা-ভাষী জনজাতি অজনজাতির বসবাস। অথচ এই বাজেটে এই জনগোষ্ঠিদের সম বিকাশের, সম-উন্নয়ণের কোন লক্ষণ দেখতে পাচ্চিনা। বিশেষকরে চা-শ্রমিক জনজাতি, সংখ্যালঘু (বিশেষকরে চর এলাকাবাসী), আদিবাসী, অনূসূচীত জাতি, অবিসি এদের উন্নতির জন্য এই বাজেটে সঠিক কোনও পরিকল্পনা নাই। ইচ্ছাকৃত না অনিচ্ছাকৃত জানিনা, কিন্তু জনবিন্যাস অনুযায়ী এই জনগোষ্ঠীদের সমবিকাশের ক্ষেত্রে নিশ্চিত ভাবে বঞ্চিত কৰা হয়েছে। হ্যাঁ, এই জনগোষ্ঠীদের প্রতিনিধিরা এই সদনে রয়েছেন, সন্দেহ নাই এরা Treasury Bench এ সরকারের পক্ষেই আছেন, তবুও এই হতভাগ্যদের কপাল মন্দ হয়েই রইলো। সারাটা দিন এই কৃষকরা, চা-শ্রমিকরা দিন মজুররা দেশে ফচল উৎপাদনে,

* Speech not corrected

আন্তর্গাথনি উন্নয়নে যে পরিশ্রম করে দুমুঠি ভাতের বিনিময়ে, তা সবাই কল্পনাও করতে পারবেনা। অন্যান্য সব জনগোষ্ঠির গরীব মানুষের ক্ষেত্রেও একথা প্রযোজ্য।

উপাধ্যক্ষ মহোদয়, অসম কৃষি ভিত্তিক রাজ্য। অসমের সমস্ত জাতি-গোষ্ঠীর ৮০% কৃষিজীবী। আমাদের কৃষি মন্ত্রী আবার বিত্ত বিভাগের কাজকর্ম সদনে সম্পাদন করেন, অথচ তাঁরই কৃষিবিভাগের উন্নতির জন্য এই বাজেটে উল্লেখযোগ্য কিছু দেখতে পাচ্ছিনা। মহোদয়, স্বাস্থ্য ক্ষেত্রেও গতানুগতিক অবস্থা, যদিও বিভাগীয় মন্ত্রী মহোদয় উন্নয়নের ঢাক- ঢোল বেশ উচ্চ স্বরেই বাজাচ্ছেন। মহোদয়, ঢোলের ভিতর যত ফাঁকা থাকে, আওয়াজ ততই বেশী হয়। এখানে হাজার হাজার কোটী টাকার কথা বলা হয়, কিন্তু স্বাস্থ্য সেবার প্রকৃত চিত্র দেখলে আমরা হতাশ হই।

(Voice : কেন, Infrastructure হচ্ছেনা?)

হ্যাঁ Infrastructure তৈরি করছেন, তার জন্য ধন্যবাদ। নতুন নতুন মেডিকেল কলেজ করছেন, ভাল কথা। কিন্তু সমগ্র রাজ্যে স্বাস্থ্য সেবার যে নমুনা তা দেখলে দেখা যায় যে হাসপাতাল আছে তো ডাক্তার নাই, Operation Theatre আছে তো Anesthetist নাই, Gynocologist নাই, কেবল নাই নাই। এব্যাপারে উদাহরণ দিয়ে বলতে পারি, আমাদের করিৎকর্মা জনস্বাস্থ্য কারিগরি মন্ত্রী, শ্রী গৌতম রায়, তিনি যেমন বলেন তেমন করেনও, দরকার হলে পকেট থেকে দিয়েও করেন। তিনি এবং মন্ত্রী শ্রী অজিত সিং সাক্ষী আছেন, কালাইন CHC কে FRU তে উন্নত করা হয়েছে। অথচ সেখানে চিকিৎসক নাই, নার্স নাই, Operation করা হয়না, কারণ Anesthetist নাই। এইতো অবস্থা। এই CHC টাকে FRU তে উন্নত নয়, একেবারে নীচে নামিয়ে PHC তে পরিণত করলেও কোনও আসবে যাবেনা,

কারণ এটাতে PHC র ও Facility নাই।

শ্রী গৌতম রায় (জন স্বাস্থ্য কারিকরী বিভাগের মন্ত্রী) ঃ ডাক্তার কম আছে, যাইহোক, এসব ব্যপারে স্বাস্থ্য মন্ত্রী বলবেন। তবে আমার এখন সদনে না থাকাই ভাল, নাহলে আমাকে নিয়ে টানাটানি করবে।

(সদনে হাসির রোল)

* **মৌলানা আটাউর রহমান মাঝারভুঞা** ঃ মহোদয়, আর যে সমস্ত Sub-Centre রয়েছে এগুলতে Tablet দেওয়ার মতো একটা লোক নাই। রায় মহাশয় নিজে এসব দেখেছেন, তিনি এখন সদনে নাই, অবশ্যে বৌদি আছেন। মহোদয়, পানীয় জলের সরবরাহের ক্ষেত্রে মন্ত্রী মহাশয় অনেক পরিশ্রম করেছেন, কিন্তু জন স্বাস্থ্য বিভাগে যে পরিমান অর্থের প্রয়োজন, সেই টাকা এই বাজেটে বরাদ্দ করা হয়নি। মন্ত্রী যতোই পরিশ্রম করুননা কেন, তিনি যেন ঢাল নাই তরোয়াল নাই এক নিধিরাম সর্দার। তার Scheme গুলোতে জল সরবরাহ করার জন্য একটা ৪র্থ শ্রেনীর কর্মচারি নাই। গ্রামে মানুষ চাতকের মতো অপেক্ষায় থাকে সপ্তাহে পনরো দিনে একদিন অমৃতসুধা পান করবে। একটা চতুর্থ শ্রেনীর কর্মচারি নিয়মিত থাকলে অন্ততঃ মেশিন গুলিতে তেল মবিল দিলে মানুষ একটু জলের আশা করতে পারত। কথায় আছে, জলের অপর নাম জীবন, অথচ এই জীবন রক্ষার জন্য এই বাজেটে সামান্যতম ব্যবস্থা নাই। তাই, মহোদয়, কোন বিবেকে আমরা সরকারকে ধন্যবাদ জ্ঞাপন করবো? শাসক দলের সদস্যরা চুপ করে থাকলে কি হবে, মনে মনে আমার কথায় খুশীই হচ্ছেন, কারণ তাদের সমষ্টিতেও চিত্রটা একই। আমরা মুখ খুলে বলি, কারণ আমরা বিরোধী।

মহোদয়, বিদ্যুৎ বিভাগের মন্ত্রী মহোদয় সুদর্শন ব্যক্তি। ফর্সা লোক, যেখনে যান, বিদ্যুৎ থাকুক না থাকুক - আলোময় হয়ে যায়। তার ঘরে বিদ্যুৎ নাও লাগতে পারে, কিন্তু আমাদের কি হবে? আমাদের

বিদ্যুৎ দেবার ব্যাপারে তিনি সম্পূর্ণ ব্যর্থ হয়েছেন। Transformar যদি আছে তো খুটিতে তার নাই। গ্রামের ছেলেরা রসিকতা করে গান গায়, দাড়ি নেই তো গোফ যে আছে। কিছুদিন আগে ইলেকট্রিকের খুটির মাথায় কয়েকটা তার লাগানো হয়েছিল, তাও চোরে নিয়ে গিয়েছে। যা আছে, ঐ গোফ রেখে যাবার মতো। সুতরাং ঐ খুটিগুলিতে তার যুক্ত করে মানুষের কাছে বিদ্যুৎ পৌছে দিতে যে নুন্যতম টাকার প্রয়োজন, তা আমরা এই বাজেটে দেখতে পাচ্ছিনা।

মহোদয়, কৃষি মন্ত্রী সদনে উপস্থিত নাই, হয়তো Chamber থেকে শুনতে পাবেন, সুদর্শন এই ব্যক্তিকে টিভি, পত্র-পত্রিকায় ছবিতে দেখতে পেয়েছি সুন্দর শার্ট-প্যান্ট পরে মাঠে কৃষকদের সঙ্গে ধানের চারা রোপন করেছেন। সুন্দর চার্ট-প্যান্ট নাপরে চাষিদের মতো গামছা পরে মাঠে নামলে ছবিটা আরও বাস্তব হতো। এসর করে তিনি কৃষিতে বিপ্লব আনতে পারবেন না। কৃষিতে বিপ্লব আনতে হলে Field কর্মচারিদেরনিয়োগ করতে হবে। কৃষি ক্ষেত্রে কিন্তু তার Network নাই। মহোদয় বিরোধী-শাসক দল, সব সদস্যই একমত হবেন যে এতো গ্রামসেবকের পদ খালি রেখে কৃষি ব্যবস্থার কোনও উন্নতি করতে পারবেননা। অনেক সমষ্টিতে গ্রাম সেবকের পদ একেবারে শূন্য। উপাধ্যক্ষ মহোদয়, আপনার হয়ত মনে আছে যে একসময় গ্রামসেবকেরা সপরিবারে গ্রামে Quarters এ থাকতো, সন্ধ্যেবেলা তার ঘরে কৃষকরা রেডিও শুনত, ফসলের উন্নতির জন্য কি করে সার ঔষধ প্রয়োগ করবে তার পরামর্শ নিতো। কিন্তু আজ আমাদের দুর্ভাগ্য যে বিশাল, সুন্দর বাজেট রয়েছে, কিন্তু গ্রামে গ্রাম সেবক নাই, তাদের Quarters নাই, আর যদি বা কোথাও আছে, তার অবস্থাও জরাজীর্ণ, মহেঞ্জদারোর ধ্বংসাবশেষের মতো। এ ব্যাপারে আমি একটা পরামর্শ দিতে চাই যে গ্রামসেবক সভ্যতার নিদর্শন হিসাবে এই জরাজীর্ণ Quarters গুলিকে একত্র করে একটা মিউজিয়াম করে ১০-২০ টাকা করে দর্শনার্থীদের

কাছ থেকে তুলতে পারলে চরকারের রাজকোষে যথেষ্ট অর্থ সংগৃহীত হতো। কৃষিকাজের যারা উৎস - এই গ্রামসেবকদের Quarters এর সংস্কার বা নতুন করে তৈরি করার কোন ব্যবস্থা এই বাজেটে নাই। আমি ভুল বলে থাকলে আমাকে সংশোধন করে দেবেন, আমি খুশী হবো। এই বাজেট কিন্তু এই ব্যাপারে নীরব।

বন্যা নিয়ন্ত্রনের ব্যাপারে সরকার যে অবস্থায় আছে তা বর্ণনা করলে দেখা যায় যে বন্যা হওয়ার পর আমরা FDR, NLCPR এসব কথা শুনতে পাই। কিন্তু শুকনো মরশুমে কোনও কাজ হয়না। প্রায়ই আমরা দেখতে পাই যেবারে বন্যায় বাঁধ ভাঙে তার পরের বছর বন্যা আসার সময় বিভাগীয় Officer, Engineer রা ব্যস্ত হয়ে পুরনো সিমেন্টের বস্তা খোঁজে এনে এতে মাটি ভর্তি করে বাঁধ মেরামতি করে। আগে এদের ঘুম ভাঙ্গেনা। এদের এইসব কাজ-কর্ম দেখে পুরনো এক গল্প মনে পড়ে গেল। এই সদনে আগেও বলেছি, নতুন সদস্যদের জন্য এখন আবার বলব। দুজন রাখাল ছেলে মাঠে গরু চরাতে গেলে একজন অপরকে বললো, 'আমি একটু যাই', তুই আমার গরুটাকে দেখিস'। সন্ধ্যের পরও গরু ঘরে ফিরে না আসায় সে গিয়ে বন্ধুকে বললো, 'তোকে বলেছিলাম আমার গরুটাকে একটু দেখতে, এখনো এটা বাড়ী ফেরেনি, গরুটা কোথায়?' বন্ধু বললো, 'তুই বলেছিস, আমিও দেখে রেখেছি, তোর গরুটা ঐদিকে গেছে, এখন প্রায় ৪ কিঃমিঃ মতো দূরে গেছে, আমি দেখেছি'। আমাদের বন্যা নিয়ন্ত্রণ বিভাগও সারা বছর সব দেখে রাখে আর সময় অন্তিম হলে সব তৎপরতা দেখায়। এইটো অবস্থা চলছে। অথচ প্রতি বছর ব্রহ্মপুত্র, বরাক ও অন্যান্য নদীতে বন্যা হচ্ছেই। কিন্তু এই বন্যা নিয়ন্ত্রণ করার জন্য এই বাজেটে সঠিক কোনও ব্যবস্থা নাই। মহোদয়, নদী ভঙ্গানের কথা এই সদনে প্রায়ই বলা হয়। ব্রহ্মপুত্র, বরাক ও অন্যান্য নদীতে ভয়ংকর বাবে ভাঙ্গন চলছে এবং এর ফলে শত সহস্র মানুষ সর্বহারা হচ্ছে

অথচ এই ব্যপারে যেন ভাগ্যের উপর ভরষা করা ছাড়া আর কোনও উপায় নাই। কাছাড় জেলার কাটখাল নদীতে ভাঙ্গনের ফলে শত শত লোকের জীবন বিপন্ন হচ্ছে, অথচ এর স্থায়ী সমাধানের জন্য সরকারের তো কোনও পরিকল্পনা নাই-ই, কোনও সদিচ্ছারও লক্ষণ আমরা দেখতে পাচ্ছিনা।

উপাধ্যক্ষ মহোদয়, অপনি যে সমাজ থেকে এসেচ্ছেন, সেই গ্রাম্য সমাজ থেকে আমরাও এসেচ্ছি। রাজ্যের গ্রামাঞ্চলে যে লক্ষ লক্ষ বেকার যুবক যুবতী রয়েছে তাদের কর্মসংস্থাপনের জন্য রাজ্য সরকারের এই বাজেটে কোন পরিকল্পনা নাই।

উপাধ্যক্ষ মহোদয়, কৃষি নির্ভর আসাম রাজ্যে গো-মহিষের স্বাস্থের জন্য সরকারি কোনও ব্যবস্থাই আজ দেখতে পাবেননা। যদিও বর্তমানে কৃষিক্ষেত্রে কিছু পরিমাণে Tractor, Power-tiller এসেছে, তবুও সার্বিকভাবে আমরা এখনো চাষের জন্য গো-মহিষের ওপর নির্ভরশীল। অথচ গ্রামাঞ্চলে পশু হাসপাতাল গুলির যে জরাজীর্ণ অবস্থা, এগুলিকেও মিউজিয়ামে পাঠালেই ভাল। আর পশু চিকিৎসার জন্য যে Veterinary Field Assistent এর পদ রয়েছে, এগুলিতে কোন যোগে, বোধহয় মনুর যুগে শেষ নিয়োগ হয়েছিল, পরে আর হয়নি। তারপর থেকে অবশ্যে অসম বিকশিত হচ্ছে, কিন্তু এই VFA এর আর Appointment হয়নি। পূর্বে এই কংগ্রেস সরকারই রাজ্যের প্রায় প্রতিটি গ্রামে VFA নিয়োগ করে পশু চিকিৎসালয়ের পাশেই তাদের Quarters দিয়ে সুষ্ঠুভাবে পশু চিকিৎসার ব্যবস্থা করেছিল। তখন AIUDF ছিলনা, কংগ্রেস সরকারই ছিল। হয়ত বলবেন আমি বিরোধী হয়ে কংগ্রেস সরকারের প্রশংসা করছি। কেন করবোনা? গঠণমূলক কাজের প্রশংসা আমরা নিশ্চয় করবো। অথচ বর্তমানের এই কংগ্রেস সরকার রাজ্যকে যে ভাবে বিকশিত করেছে - মাটীর ওপর দিয়ে করেছে, আর মাটীর তলায়, একেবারে বরাকভেলী থেকে হাফলং হয়ে গৌহাটী পর্যন্ত

একেবারে ২০ কোটীতে এসে পৌছে গেছে। বাকী কোটী কোথায় গেছে জানতে পারিনি। এই বিকশিত অসমের গ্রামাঞ্চলে VFA র Quarters গুলি এখন পুকুরে পর্যবসিত হয়েছে। VFA আর নাই, মানুষ সেখানে এখন মাছ মারতে যায়। এমতাবস্থায় অসহায় পশুপালন মন্ত্রী মহোদয় কি আর করবেন।

উপাধ্যক্ষ মহোদয়, এই অসম রাজ্য শংকরদেব-আজানপীরের ঐতিহ্যমণ্ডিত দেশ। বিভিন্ন ভাষা-ভাষী, বিভিন্ন ধর্মাবলম্বী, জাতি-উপজাতি দীর্ঘদিন ধরে শান্তিতে সহাবস্থান করছে, কিন্তু কিছুদিন পূর্বে, যে কোনও কারণেই হউক, BTC ও রাভাহাসং এ জাতিদাঙ্গা হয়ে গেছে। এই সব ঘটনা যাতে আর না ঘটতে পারে তার জন্য এই বাজেটে কোনও উল্লেখ আমরা দেখতে পাইনা। যা আছে, কেবল নিজের কৃতিত্বের ফুলঝুরি।

(সময় সংকেত)

মহোদয়, পাঁচ মিনিটের মধ্যে শেষ করছি। আমি, আমাদের পঞ্চায়ত কার্য্যালয় সম্পর্কে বলবো। এই ব্যাপারে আমি একটা তুলনা দিচ্ছি। আমি CPM নই, কিন্তু মাঝে মাঝে বিভিন্ন সামাজিক কারণে আমাকে প্রতিবেশী ত্রিপুরা রাজ্যে যেতে হয়। আমি সেখানে দেখতে পাই যে তাদের পঞ্চায়তের কার্য্যালয় গুলি আমাদের DC অফিচের মতো সকাল ১০ টা থেকে বিকেল ৫টা পর্যন্ত প্রতিদিন ব্যস্ত থাকে। সাধারণ মানুষ সুন্দরভাবে নিজেদের কাজ-কর্ম, অভাব-অভিযোগ নিস্পত্তি করছে। অথচ আমাদের পঞ্চায়ত কর্মচারি ৫-৬ মাস পর্যন্ত অফিচে আসেনা, বেতন কিন্তু নিয়মিত নিয়ে যাচ্ছে। এই পঞ্চায়ত ব্যবস্থাকে কর্মক্ষম করার জন্য বাজটে সঠিক কোনও নির্দেশনা নেই।

উপাধ্যক্ষ মহোদয়, আরক্ষী বিভাগের আধুনিকী করণ, পুলিশের শক্তি বৃদ্ধি, সংখ্যা বৃদ্ধি এসব ব্যাপারে এই বাজেট নীরব। মহোদয়

কিছুদিন পূর্বে এই বিধান সভায় এক প্রশ্নের উত্তরে সরকার বলেছিল যে রাজ্যে যথেষ্ট সংখ্যক Police out-post, Watch-post নাই। এই অবস্থা হলে কি ভাবে Law & order রক্ষা করা হবে?

মহোদয়, শিক্ষা বিভাগের ব্যাপারে রাজ্য সরকার ঢাক-ঢোল পেটালে কি হবে, বাস্তবে রাজ্যের শিক্ষা ব্যবস্থা অত্যন্ত নৈরাশ্যজনক। আমার নিজের সূত্র নয়, কেন্দ্রীয় সরকারের সূত্র থেকে বলছি যে আমাদের ৫ টি বিশ্ববিদ্যালয়ের মধ্যে একটি বাদে সব ক'টি NET থেকে B-Grade পেয়েছে, একটি মাত্র A-Grade এর। রাজ্যের ৩৬ টি কলেজের মধ্যে মাত্র ৭ টি A-Grade, আর বাকী সব B-Grade পেয়েছে। তাহলে শিক্ষার ক্ষেত্রে রাজ্য সরকারকি বাহাদুরি দেখাচ্ছেন? এক্ষেত্রে আরও নৈরাশ্যজনক তথ্য আমি দিচ্ছি। ২০১২ ইং-র হিসাব, আমাদের Class-I standard এ ৩৭ টা স্কুলের ৫% ছাত্র একটা অক্ষরও চেনেনা। Class-II তে ১৮.৮% অক্ষর চেনেনা। শব্দ চেনেনা ২৭.৭%। Class-VI student....

(Interruption)

বুঝতে পারি যে এসব কথা শুতে অসুবিধা হয়, তাই মাননীয় সংসদীয় পরিক্রমা বিভাগের মন্ত্রী মহোদয় আপত্তি করেছেন। মহোদয়, ভারত সরকারের তথ্য অনুযায়ী, Class-I থেকে Class-VIII পর্যন্ত ছাত্ররা ১ থেকে ৯ অব্দি সংখ্যা বলতে পরেনা। কেন্দ্রীয় মানব সম্পদ উন্নয়ন মন্ত্রী শ্রী কপিল সিবাল মহাশয় যে স্বাক্ষরতার হারের চিত্র দিয়েছেন, ১৯৫১ ইং থেকে ২০১১ ইং পর্যন্ত তথ্য আমার কাছে আছে. এখানে দেখতে পাই যে ২০১১ ইং তে যেখানে ভারতবর্ষে স্বাক্ষরতার হার ছিল- ৭০.৪%, সেখানে অসমে - ৭৩.১৮%। অথচ অসমের চর অঞ্চলে, ২২৮৯ টি চর আছে, ৩০ লক্ষ জন সংখ্যার মধ্যে ২৫ লক্ষই সম্পূর্ণ নিরক্ষর, অর্থাৎ শতকরা ৮০% ভাগ। অথচ

এই চর অঞ্চলে শিক্ষার প্রসারের ক্ষেত্রে এই বাজেট সম্পূর্ণ নীরব।

(সময় সংকেত)

মহোদয়, ঠিক একই ভাব দেখবেন, বরাক উপত্যকার সঙ্গে যোগাযোগ ব্যবস্থার উন্নতির জন্য এই বাজেট নীরব। মালেডরের সেতু বরাক নদীর উপর সেতু, গেমন ইণ্ডিয়ার সেতু- প্রত্যেকটি সেতু বিধস্ত অবস্থায় রয়েছে। আমি গত ডিচেম্বরের সেশনে এসব কথা বলেছি, আজও বলছি যে এখনও এসব সংস্কারের কোনও ব্যবস্থা হয়নি। বরাকের সঙ্গে যোগাযোগ ব্যবস্থা প্রকৃতপক্ষে বিধস্ত হয়ে গেছে। বরাকের মানুষের প্রতি এ চরম বঞ্চনা। মহোদয় বরাকের উন্নতির জন্য এক হাজার কোটি টাকা দেবেন ঘোষনা করেছেন, গতবার বাজেটেও বলেছিলেন, এবারও বলেছেন, ভাল কথা, কিন্তু বরাকভেলীর যে অবস্থা, আমার মতে এই টাকাও যথেষ্ট নয়। কেবল পাঁচগ্রামে নদী ভাঙ্গনের ফলে জাতীয় সড়কের যে অবস্থা হয়েছে - তা অবর্ণনীয়।

(সময় সংকেত)

মহোদয়, এই তিনদিন আগে শিলচর কেন্দ্রীয় বিশ্ববিদ্যালয়ের ছাত্ররা রাস্তা অবরোধ করেছে। অবিলম্বে এই রাস্তা সংস্কার করা উচিত। মহোদয়, বরাকভেলীর সঙ্গে যোগাযোগের বিকল্প রাস্তা শিলচর-জাগীরোড হয়ে গুয়াহাটী, এই রাস্তার কথা আমি গত অধিবেশনেও বলেছি, তখন মাননীয়া পূর্তমন্ত্রী মহোদয়া সদনে দাঁড়িয়ে বলেছিলেন যে ৩১ জানুয়ারীর মধ্যে DPR প্রস্তুত করে দিল্লীতে পাঠাবেন। কিন্তু দুঃখের বিষয় যে আজ অবধি এই DPR প্রস্তুত হয়নি। অথচ এই DPR প্রস্তুত করার জন্য কেন্দ্রীয় সরকার ২০০৭ ইংতে ৮৩ লক্ষ টাকা আসাম সরকারকে দিয়েছিল।

(সময় সংকেত)

তাছাড়া, মহোদয়, BG Railway line ও মহাসড়কের কাজও অত্যন্ত

পিছিয়ে পড়ে আছে। এমতাবস্থায়, আমরা, যারা AIUDF এর সদস্য, পকেট ভর্তি করে যদিও ধন্যবাদ নিয়ে এসেছিলাম, এগুলো বাধ্য হয়ে পকেটেই রাখলাম। সরকারকে আর দিতে পারলামনা। দুঃখিত। দেখতে পাচ্ছি, সংসদীয় পরিক্রমা বিভাগের মন্ত্রী মহোদয় আমার বক্তব্যে অধৈর্য হয়ে আছেন, কিন্তু উপায় নাই। এই বলে এই বাজেটের বিরোধীতা করে আমি আমার বক্তব্য শেষ করছি।

Mr. Deputy Speaker : Hon'ble Member, Shri Keshab Mahanta.

* **শ্রীকেশৱ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মূখ্যমন্ত্রী, শ্রী তৰুণ গগৈ দেৱে যোৱা ১১ মার্চ তাৰিখে যি খন বাজেট দাখিল কৰিলে তাৰ ওপৰত মই দুটামান কথা কবলৈ ওলাইছো। এই বাজেট ভাষণৰ ওপৰত ইতিমধ্যে আমাৰ দলৰ জ্যেষ্ঠ সদস্য, শ্রী ফণীভূষণ চৌধুৰীয়ে বক্তব্য ৰাখি গৈছে।

এই বাজেট খন সম্পূর্ণ প্রতিশ্রুতিৰে ভৰপূৰ। যদিও ২০১৩-১৪ বর্ষৰ বাবে ১০৫৫০.৬০কৌটি টকা যি বাজেট উপস্থাপন্ কৰাৰ পিচতো এই পুঁজিৰ পৰিমাণ আৰু বঢ়াৰ সম্ভাৱনা আছে বুলি কৈছে। ইয়াতে ভাল পাইছো। কিন্তু আমি এটা কথাত বিশেষভাৱে মন কৰিছো যে প্রাদেশিকীকৰণৰ সম্পর্কত যিখিনি ব্যৱস্থা লোৱা আছে, তাত কিছুমান আসোঁৱাহ আছে। সেই বিলাক দূৰ নকৰিলে এই প্রাদেশিকীকৰণৰ ব্যৱস্থাত শিক্ষা ক্ষেত্রত কিছু অসুবিধাৰ সৃষ্টি হব। বিশেষকৈ কলেজৰ ক্ষেত্রত আৰু ডিগ্রী কলেজৰ ক্ষেত্রত প্রাদেশিকীকৰণত কিছু অসুবিধা হব। এতিয়া ধৰক ফুল ফেজেড কলেজত ১৮ টা পোষ্ট, কিন্তু ১৮ টা পোষ্ট চাফিচিয়েণ্ট নহয়। মেজৰ চাবজেক্টৰ লগতে নিয়মীয়া যি কেইটা স্কীম আছে সেই স্কীম কেইটাত ৩ জনকৈ দিলে ১৯ জন হব। কিন্তু প্রিন্সিপাল জনৰ কথাতো সুকীয়া। গতিকে তাত প্রিন্সিপালক

* Speech not corrected

লৈ ১৯ জন হ'ব লাগে। এই বিলাক কিছু আসোঁৱাহ আছে। সেই বিলাক মাননীয় মুখ্যমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিলো। আমাৰ যিটো ৰিককনেচন আৰু প্ৰভিনচেলাইজৰ যিটো ব্যৱস্থা আছে, সেইটো যোৱা ১৪ বছৰে চৰকাৰে বন্ধ কৰি দিছে। যিহেতু আজি ইমান দিনে বন্ধ কৰি থৈছে তেনে স্থলত ৰিককনিজনৰ কাৰণে যি ৫ খন ধৰা হৈছে তেনে পূৰণা যিবিলাক স্কুল ৰিককনিজন নোহোৱাকৈ পৰি আছে সেই বিলাকৰ ৰিককনিজনৰ সংখ্যাতো বঢ়াব লাগে। এই কথাটো বিবেচনা কৰিবলৈ অনুৰোধ জনানো। কৃষিৰ ক্ষেত্ৰত বহুখিনি কথা কৈছে, মই এটা সৰু কথা কব বিচাৰিছো। যোৱা ১১ মাৰ্চ তাৰিখে ভাৰত চৰকাৰৰ কৃষি বিভাগে এখন বিল উপস্থাপন কৰিছে। এই বিল খনত এটা নতুন প্ৰাধিকৰণৰ ব্যৱস্থা লৈছে। বিলখনত কৃষিৰ লগতে ভেটেনাৰী বিভাগটো সংলগ্ন কৰিবলৈ বিচৰা হৈছে। কৃষি উৎপাদনৰ ক্ষেত্ৰত কৃষক সকলৰ নিৰাপত্তা দিয়াৰ প্ৰসঙ্গ বিল খনত অনা হৈছে। গতিকে মই ভাবো আমাৰ ৰাজ্যতো কৃষি বিভাগে কৃষকৰ কল্যাণৰ বাবে একে ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। এই বিষয়টো চাবলৈ মই অনুৰোধ জনালো। তাৰ পিচত বাজেটত জলসিঞ্চনৰ ওপৰত যিখিনি কথা কোৱা হৈছে আৰু এই শিতানত যিখিনি টকা ধাৰ্য্য কৰা হৈছে, তাৰ দ্বাৰা যে জলসিঞ্চন ব্যৱস্থাত আগবাঢ়িব তাত সন্দেহ হয়। ইয়াৰ আগতেও এই বিভাগটোৱে বিশেষ আগ বাঢ়িব পৰা নাই। ২৫,৭১ লাখ হেক্টৰ কৃষি ভূমিৰ বিপৰীতে মাত্ৰ ১ লাখ ২৯ হেজাৰ হেক্টৰ ভূমিতহে জলসিঞ্চন হৈছে। তাৰোপৰি, এই বাজেটত জলসিঞ্চন বিভাগৰ কোনো ধৰনৰ নতুন আঁচনি লোৱা দেখা নাই। আৰু জলসিঞ্চন বিভাগে নতুন আঁচনি উত্থাপন কৰিব পৰা নাই। ফলত, কৃষক সকলৰ আশাত যেন পানী ঢলা হৈছে। কৃষক সকল যেন পানী যোগানৰ ক্ষেত্ৰত বঞ্চিত হৈছে। গতিকে কৃষক সকলৰ আৰু কৃষি বিভাগৰ উন্নতিৰ ক্ষেত্ৰত চিন্তা চৰ্চা কৰিব লাগে। তাৰ পিচত

বিদ্যুৎ বিভাগৰ ক্ষেত্ৰত কবলৈ বিচৰা হৈছে, আচলতে জীৱনৰ মান উন্নত কৰিব পৰা বিকাশ আৰু উন্নয়নৰ বাবে বিদ্যুতেই হ'ল চালিকা শক্তি। এই বিদ্যুতৰ উন্নতিৰ মাপকাঠিয়েই ৰাজ্যখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত মূল শক্তি। কিন্তু এই বিদ্যুতৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা নাই। বিদ্যুৎ উৎপাদন বৃদ্ধি কৰাৰ পৰিবৰ্তে ইয়াত কম গুৰুত্ব দিয়া হৈছে। এই সময়চোৱাত ৰাজ্য চৰকাৰৰ নিজা উৎস আৰু কেন্দ্ৰীয় আৱণ্টনৰ পৰা লাভ কৰা বিদ্যুতৰ গড় শক্তি মাথোন ৯৫০ মেগাৱাট। প্ৰায় ৩৫০ মেগাৱাট কমি আছে। এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া দেখা নাই। যদি এই খণ্ডত বিশেষ ভাৱে গুৰুত্ব নিদিয়ে তেতিয়াহলে আমাৰ ৰাজ্যখন পিচপৰি যাব। ঠিক তেনে ধৰণে মই বোৰ্ডাৰ এৰিয়াৰ কথা কবলৈ ওলাইছো, য'ত নেকি হাজাৰ হাজাৰি হেক্টৰ মাটি চুবুৰীয়া ৰাজ্যই এ,ডি,চি অফিচকে ধৰি পুলিচ থানা, বহু চৰকাৰী কাৰ্য্যালয় স্থাপন কৰিছে। সেইবিলাকৰ ক্ষেত্ৰত কোনোধৰনৰ চকু দিয়া দেখা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, সেই বোৰ্ডাৰ এৰিয়া বিলাকত চৰকাৰৰ পুঁজি বিনিয়োগ কৰি তাত বোৰ্ডাৰ প্ৰটেকচন কৰিব পৰা ব্যৱস্থা হাতত লোৱা দেখা নাই। গতিকে আজি বহিঃ ৰাজ্যৰ আগ্ৰাসনৰ পৰা অসমৰ ভূমি ৰক্ষা কৰিবলৈ পৰ্য্যাপ্ত পৰিমানৰ পুঁজি ধাৰ্য্য কৰি সীমান্ত অঞ্চল বিলাকত কৃষি, ভেটেৰিনাৰী ইত্যাদি বিভিন্ন বিভাগৰ জৰিয়তে সীমান্তবৰ্তী ৰাইজক সকলো প্ৰকাৰৰ সুবিধা প্ৰদান কৰিলে সীমান্তবৰ্তী অঞ্চল সংৰক্ষিত হব। তাৰ পিচত জনসাধাৰনৰ এক বলিষ্ঠ সংখ্যক লোক চাহ জনজাতিৰ লোক। এই জনগোষ্ঠিৰ ক্ষেত্ৰতো বাজেটত বিশেষভাৱে সকাহ দিয়াৰ কোনো ফলপ্ৰসু আঁচনি লোৱা দেখা নাই। কেৱল ভাষণ খনত অতি সুন্দৰকৈ কেইশাৰীমান লাইন লিখিছে। ভাষণত লিখিছে ... ৰাজ্যখনৰ এটি কলি দুটি পাতৰ, সেউজীয়া মনোমোহা চাহ ৰাগিচাৰ মাজেৰে যেতিয়া আমি ভ্ৰমণ কৰো আৰু পৃথিৱীৰ ভিতৰতে প্ৰধান

চাহ উৎপাদনকাৰী হিচাবে গৌৰৱ অনুভৱ কৰো, তেতিয়া যি সকল চাহ শ্ৰমিকৰ পৰিশ্ৰমৰ ফলত এইটো সম্ভৱ হৈ উঠিছে তেওঁলোকৰ প্ৰতি আমাৰ মন কৃজ্ঞতাৰে ভৰি পৰে। তেওঁলোকৰ কল্যাণ আৰু উন্নত মানৱ জীৱন ধাৰণৰ প্ৰতি আমি দায়বদ্ধ। এই কথাখিনি যি জনে লিখিছে তেখেতলৈ ধন্যবাদ জনাইছো। কিন্তু শেষৰ ফালে ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহির্ভূত শিতানত ১৭২ লাখ টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ২৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। এইখিনি টকাৰে ইমান বিলাক কেনেকৈ সমাধান কৰিব আৰু চাহ জনগোষ্ঠিৰ কেনেকৈ কল্যাণ সাধন কৰিব। তাৰ পিচত বৃদ্ধ পেঞ্চনৰ কথা কব বিচাৰিছো। এই বৃদ্ধ পেঞ্চন, পেঞ্চনাৰ সকলে সময়মতে নাপায়। যোৱা ইংৰাজী ২০০১ চনৰ পিচৰপৰা এতিয়ালৈকে বৃদ্ধ পেঞ্চনৰ কোনো নতুন আঁচনি লোৱা হোৱা নাই। অথচ, বৃদ্ধ পেঞ্চনৰ আগৰ চেক লৈ গাঁও অঞ্চলত চেক বিলাবলৈ যায়। এইবিলাক চেক বেকলগৰ চেক। আচলতে চেক দিবলৈ যাওঁতে তেওঁলোকে ধমকি খাব লাগিছিল, কিয়নো চেক পোৱাৰ ক্ষেত্ৰত বহুত পলম হৈ গৈছে, আৰু কোনোবাই যদি ১৪০০ শ টকা পাইছে, কোনোবাই ২০০ পাইছে। বৃদ্ধ পেঞ্চন আদায় দিয়াৰ ক্ষেত্ৰত বি,ডি,অ' ৰ অফিচ বিলাকত সাধাৰণতে খেলিমেলি হোৱা দেখা যায়। গতিকে সেইবিলাক কথাৰ ওপৰতো গুৰুত্ব দিব লাগে। মই চমু কৰি আহিছো। টেক্সৰ ক্ষেত্ৰত দুখীয়া মানুহ খিনিয়ে ভোগ কৰি আহিছে। সাদাৰণ উদাহৰণ এটা দিব বিচাৰিছো। আজি বাজেট খনত চিমেণ্ট আৰু ইটাৰ দাম বৃদ্ধি কৰা হ'ল। কিন্তু আমাৰ বিভিন্ন অঞ্চলত কৃষক শ্ৰেণীয়েই হওক বা সাধাৰণ শ্ৰেণীৰ লোকেই হওক, তেওঁলোকৰ একোটা পকা ঘৰ নিৰ্মাণ কৰাৰ সপোন দেখিছিল। কিন্তু তেওঁলোকৰ এই পকা ঘৰৰ আশা ধুলিস্যাত হ'ল। তাৰোপৰি, আজি চৰকাৰৰ আই, ডব্লিউৰ যিবিলাক ঘৰ আছে তাতো খৰচ বৃদ্ধি হব। গতিকে চিমেণ্ট আৰু ইটাৰ ওপৰত

দাম বৃদ্ধিৰ ক্ষেত্ৰত যি ব্যৱস্থা লোৱা হৈছে তাৰ ক্ষেত্ৰত পুণৰ বিবেচনা কৰিব বুলি আশা কৰিলো। বাজেট খনত আৰু এটা কথা মন কৰিবলগীয়া, যোগান আৰু আৱকাৰী বিভাগে ৰাজ্যখনৰ দুখীয়া মানুহ খিনিক কেৰাচিন তেল, চাউল ইত্যাদি যোগান দিয়াৰ ক্ষেত্ৰত, সুলভ মূল্যৰ দোকান দিয়াৰ ক্ষেত্ৰত কোনোধৰনৰ চিষ্টেম মেনটেইন কৰা দেখা নাযায়। আৰু কোনো চিষ্টেম আবিস্কাৰ কৰাৰ ক্ষেত্ৰত বাজেট খনত পৰামৰ্শ দিয়া দেখা নাই। মূল্য বৃদ্ধি ৰোধৰ ক্ষেত্ৰত যি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, তেনে ধৰণৰ কোনো ব্যৱস্থা আমি লক্ষ্য কৰা নাই। সেইদৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে বিশুদ্ধ খোৱা পানী ৰাইজক যোগান দিয়াৰ ক্ষেত্ৰত বিশেষ পুঁজিৰ ব্যৱস্থা কৰা দেখা নাই। বিশুদ্ধ খোৱা পানী যোগান দি জনসাধাৰণক সকাহ দিব লাগিছিল। সেই খিনি দিয়া আমি দেখা নাই। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে গাঁৱৰ কথা কৈছে, বাজেটত আমি নাই কোৱা বুলি কোৱা নাই। গাঁৱৰ লগতে চহৰ আৰু নগৰৰ কথাও ক'ৰ লগীয়া হৈছে। নগৰলৈ চাই থাকোতে যাতে গাঁৱলৈ পিঠি নিদিয়ে তাৰ কাৰণে অনুৰোধ জনালো। বাজেটখন প্ৰতিশ্ৰুতি পূৰ্ণ হলেই নহব, বাজেট মানে টকা-পইচাৰ সংস্কাৰৰ কথাও আছে। আগৰ বাজেট বিলাকত প্ৰতিশ্ৰুতি বিলাক পূৰ্ণ নহ'ল। এই বাজেটতো আজি সম্পূৰ্ণ প্ৰতিশ্ৰুতি প্ৰতিফলিত হোৱা আমি দেখা নাই। মই দীঘলীয়া নকৰো, এইখিনি কৈ মোৰ ভাষণ সামৰিলো।

শ্ৰীমণিকা বৰা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে ২০১৩-২০১৪ বৰ্ষৰ বাবে যিখন বাজেট উত্থাপন কৰিলে সেইখন অতি জনমুখী, আৰু জনগণৰ উন্নয়ণ মুখী বাজেট বুলি মই অভিহিত কৰিছোঁ। কাৰণ এই বাজেট খন অসমৰ উন্নয়ণৰ কাৰণে সুদৃঢ় আৰু বলিষ্ঠ পদক্ষেপ। ইয়াৰ বাবে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। এই বাজেটত কোকৰাঝাৰ, ধুবুৰী,

নাজিৰা, লক্ষীমপুৰ লগতে গহপুৰ আদি ঠাইত মুন্সীফ আদালত আৰু লোক আদালত স্থাপনৰ কাৰণে ব্যৱস্থা কৰিছে। যদিও বাজেটত আদালত সমূহ স্থাপন কৰা হ'ল বুলি আছে আচলতে গহপুৰত এতিয়াও ঘৰ আদি বিচাৰিহে ফুৰিছে আদালত স্থাপনৰ কাৰণে হয়তো অতি সোনকালেই গহপুৰত এই আদালতৰ কাম-কাজ আৰম্ভ কৰিব পৰা যাব। আজি গুৱাহাটী মহানগৰীত মেট্ৰ' ৰেলৰ বাবে ১৮০০ কোটি টকা বাজেটত ধাৰ্য্য কৰা হৈছে। ই এটা অতি ঐতিহাসিক সিদ্ধান্ত। গুৱাহাটী মহানগৰীত আজি যি ধৰণৰ যান জটৰ সৃষ্টি হৈছে এই মেট্ৰ' ৰেল সেৱাই বাস্তৱিক ৰূপ পোৱাৰ পিচত এই যান জট বহু খিনি হ্ৰাস হব। ঠিক এই দৰেই আজি ৩০ বছৰীয়া যিবোৰ পুৰণি মঠাউৰি আছে, সেইবোৰ পুনৰ নিৰ্মাণ কৰি শক্তিশালী কৰি তুলিবলৈ ৬০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ই চৰকাৰৰ এটা অতি বৈপ্লৱিক সিদ্ধান্ত। আমাৰ ৰাজ্যখনত থকা দুৰ্বল আৰু অতি পুৰণি মঠাউৰি আৰু ভাঙি যোৱা মঠাউৰি বোৰ, যি বোৰ বান পানীৰ সময়ত খান্দি লৈ গ'ল সেইখিনি ক্ষেত্ৰত যি সিদ্ধান্ত লোৱা হৈছে সেইটো অতি বলিষ্ঠ আৰু আদৰনীয়, লগতে মই ক'ব বিচাৰিছো যে ইয়াৰ কাৰণে যি ৬০০ কোটি টকা ধৰা হৈছে ই অতি কমহে হৈছে। অহা নবেম্বৰ মাহৰ পৰা এই মঠাউৰি বোৰৰ কাম আৰম্ভ কৰি যদি অহা ২০১৪ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰে তেনেহলে এই ক্ষেত্ৰত আমাৰ সৰ্বসাধাৰণ ৰাইজ যথেষ্ট লাভবান হব। আমাৰ দলং আৰু মঠাউৰি সমূহৰ কাম সাধাৰণতে এপ্ৰিল মাহৰ পৰা আৰম্ভ কৰা দেখা যায় আৰু তেতিয়া বানপানী সময় আৰম্ভ হৈ যায়। আজি আইন শৃঙ্খলাৰ ক্ষেত্ৰত কওঁ, আইন শৃঙ্খলা ৰক্ষাৰ কাৰণে পুলিচ বাহিনীটোক আৰু অধিক শক্তিশালী আৰু কাৰ্য্যক্ষম কৰিতোলা অতি প্ৰয়োজনীয়। ৰাজ্যৰ আইন শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যি দুহেজাৰ পদ অনুমোদন দিছে এই পদ সমূহ বিভিন্ন

বিভাগৰ ৰঙা ফিটাৰ মেৰপেচত বান্ধখাই যাতে নাথাকে। যদি সময়মতে কামবোৰ হৈ থাকে তেতিয়াহলে এই পদবোৰ সোনকালেই নিযুক্তি দি আৰক্ষী বিভাগটোক শক্তিশালী কৰিব লাগে।

আজি যিদৰে ৩০ টা মহিলা সুৰক্ষা কোষ মহিলা সকলৰ সুৰক্ষাৰ কাৰণে কৰিবলৈ লোৱা হৈছে বাজেটত তাৰ কাৰণে মুখ্যমন্ত্রী মহোদয় ধন্যবাদৰ পাত্র। আগতে মহিলা সকলৰ কাৰণে যথেষ্ট সুৰক্ষা ব্যৱস্থা কিন্তু নাছিল। আজি মহিলা সকলৰ ওপৰত কৰা অপৰাধৰ সংখ্যা বহুতো বাঢ়ি গৈছে। তাৰোপৰি মহিলা সকলৰ সুবিধাৰ বাবে ১০ খন নিয়মীয়া চিটিবাছ দিবৰ বাবে এই বাজেটত ব্যৱস্থা কৰা হৈছে। আজি গুৱাহাটীত ইমান বেচি সংখ্যাত চাকৰি কৰা মহিলা বাঢ়ি গৈছে তাৰ বাবে ১০ খন বাছ কমহে হৈছে। এইটো পর্য্যাপ্ত নহয়। সেয়ে মাননীয় মুখ্যমন্ত্রী মহোদয়ক মই আৰু বেচি বাছৰ ব্যৱস্থা কৰিবলৈ এইখিনিতে অনুৰোধ কৰিলো। সর্ব্বশেষত মই..

(অধ্যক্ষই আসন গ্রহণ কৰে)

অধ্যক্ষ মহোদয়, স্বাস্থ্য খণ্ডত আমাৰ ৰাজ্যখনত যি চমকপ্রদ সফলতা প্রদান কৰিছে আৰু কার্য্যকৰি ব্যৱস্থা লৈছে তাৰ কাৰণে মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ জনালো। আজি ধুবুৰী, নগাঁও আদিকৰি চাৰিখন ঠাইত চাৰিখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ যি সিদ্ধান্ত লৈছে এইটো অতি আদৰনীয় হৈছে। এই স্বাস্থ্য বিভাগক আধুনিকীৰন কৰাৰ বাবে বহু কেইটা পদক্ষেপ লোৱাৰ কথা বাজেটত কোৱা হৈছে। ইয়াৰ আগৰ বাজেটত পর্য্যাপ্ত পৰিমানৰ ধন আৱণ্টন নথকাৰ কাৰণেই জিলা মহকুমা বিলাকত থকা স্বাস্থ্য কেন্দ্র কিছুমানৰ ঘৰ দুৱাৰ আদি ভাঙি ছিঙি গৈছে, যন্ত্র-পাতি বিলাকো নষ্ট হৈ গৈছে। ধনৰ অভাৱৰ কাৰণেই এই বিলাক এইদৰে অৱহেলিত হৈ পৰি আছে। আমাৰ মুখ্য মন্ত্রী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এই ধৰনে অৱহেলিত হৈ থকা স্বাস্থ্য কেন্দ্র বিলাকৰ

পৰাই আমাৰ সৰ্ব্বসাধাৰণ ৰাইজ চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ আহিছে বহু ঠাইত। বাতৰি কাকতত আমি মাজে মাজে পাই থাকো নানান কেন্দ্রত ঔষধ নাই, ডাক্তৰ নাই আদি বিভিন্ন ধৰনৰ বাতৰি। সেয়ে এতিয়া এইবিলাক নতুনকৈ মেৰামতি আদি কৰি যিবিলাক ঠাইত বিশেষজ্ঞ চিকিৎসক নাই আৰু সাধাৰণ চিকিৎসকো নাই সেইবিলাক ঠাইত বিশেষজ্ঞ চিকিৎসক আৰু সাধাৰণ চিকিৎসককো নিযুক্তি দি খালি হৈ থকা পদ বিলাক পূৰণ কৰি ৰাইজক সকাহ দিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

* শ্রীতৰুণ গগৈ (মুখ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যি সকল মাননীয় সদস্যই বাজেট বক্তৃতাত অংশ গ্রহণ কৰিলে তেওঁলোকৰ বহুমূলীয়া ভাষন ৰাখিলে মাননীয় সদস্য কমল সিং নাৰ্জাৰী, কমলাক্ষ্য দেৱ পুৰকায়ষ্ঠ, ফনীভূষণ চৌধুৰী, আৱদুৰ ৰহিম খান, ছিৰাজুদ্দিন আজমল, প্রমিলা ৰানী ব্রহ্ম, কেশৱ মহন্ত, মনিকা বৰা তেওঁলোকলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। এই বাজেট খনক ভাল বাজেট বুলিও কৈছে আৰু দুই একে বেয়া বাজেট বুলিও কৈছে। কিন্তু এই কেইদিন মই প্রচাৰ মাধ্যমৰ পৰা যি গম পাইছো বহুতেই বাজেট খনক প্রশংসা কৰিছে। বহুতে কৈছে একেই পুৰনা বাজেট। বহুত খবৰৰ কাগজে আকৌ বহুতভাল কাম কৰিছো বুলিও আকৌ কৈছে। বহুত ৰাজনীতিকেও প্রশংসা কৰিছে। অৱশ্যে বহুত ৰাজনৈতিক নেতাৰ কথা বেলেগ। অর্থনীতিবিদ অর্থাৎ অর্থনীতি বিভাগৰ অধ্যাপকে এই বাজেট খনক ভাল পাইছে। কিছুৱে প্রপাৰ বাজেট হোৱা নাই বুলি কৈছে। বেচিভাগেই ভাল বাজেট বুলি কৈছে। বিভিন্ন ৰাজনৈতিক দলে বাজেট খনক সমালোচনা কৰাটো স্বাভাবিক। সঁচা কথা কবলৈ গলে বাজেট হৈছে আয় আৰু খৰছৰ এটা হিচাব। যদি আয়ে কৰিব নোৱাৰো খৰছ ক'ৰপৰা কৰিম? উপার্জন চাইহে আমি খৰছ কৰিব পাৰিম। সেই বিষয়টোত আমি বেচি গুৰুত্ব

* Speech not corrected

